# কানৈয়ান

# 50

EDITED BY

KANTA KAVERI SONOWAL

*নিয়মাৱলী ঃ*

- ‘কানৈয়ান’ কানৈ মহাবিদ্যালয়ৰ বাৰ্ষিক মুখপত্ৰ।
- এই আলোচনীত মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ লিখনি সমূহ প্ৰকাশ কৰা হয়। ইয়াৰোপৰি অধ্যাপক-অধ্যাপিকা সকলৰ পৰা পোৱা অনুপ্ৰেৰণা মূলক লিখনিও প্ৰকাশ কৰা হয়।
- এই মহাবিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ-ছাত্ৰীৰ পৰা পোৱা বিভিন্ন বিষয়ৰ লিখনিও কৰ্তৃপক্ষৰ বিবেচনা ক্ৰমে প্ৰকাশিত হয়।
- প্ৰয়োজন সাপেক্ষে তথা কৰ্তৃপক্ষৰ বিবেচনা ক্ৰমে অতিথি লিখকৰ মৌলিক চিন্তামূলক আৰু গবেষণা মূলক প্ৰবন্ধ পাতিয়ে ঠাই পায়।
- আলোচনীৰ বিভিন্ন শিতানত কিছু সালসলনি তথা সংগৃহীত প্ৰবন্ধ পাতিৰ মৌলিক উদ্দেশ্যত আঘাত নপৰাকৈ লিখনিৰ ওপৰত হাত বুলোৱাৰ অধিকাৰ কৰ্তৃপক্ষৰ আছে।
- নিৰ্বাচিত নোহোৱা কোনো লিখনি ঘূৰাই দিয়া নহয় তথা প্ৰকাশ নোহোৱাৰ কাৰণো দৰ্শোৱা নহয়।
- এই আলোচনীত প্ৰকাশিত হোৱা সকলোবোৰ লিখনি লিখকৰ নিজস্ব মতামত। সেয়ে যিকোনো সমালোচনাৰ বাবে লিখক নিজে দায়ী হ’ব।

# কাঁনৈয়ান

## কানৈ মহাবিদ্যালয়ৰ বাৰ্ষিক আলোচনী

স-স্নেহ মৰম আৰু আন্তৰিকতাৰে

.........................................................

....................................................

সম্পাদিকা

# KANOIAN

## KANOI COLLEGE STUDENTS' JOURNAL
## GOLDEN JUBILEE ISSUE
## 1998-99

# কানৈয়ান

## কানৈ মহাবিদ্যালয়ৰ বাৰ্ষিক আলোচনী

স্বৰ্ণজয়ন্তী সংখ্যা ১৯৯৮-৯৯ চন

সম্পাদনাত **কান্তা কাৰেৰী সোনোৱাল**

# KANOIAN

## KANOI COLLEGE STUDENTS' JOURNAL
## GOLDEN JUBILEE ISSUE
## 1998-99

**KANOIAN** : Golden Jubilee issue, Dibrugarh Hanumanbox Surajmal Kanoi College, Dibrugarh year 1998-99, Edited by Kanta Kaveri Sonowal & published by D.H.S.K college students' unio society.

| | | |
|---|---|---|
| অংগ সজ্জা | ঃ | সম্পাদিকা |
| ব্যৱস্থাপনা | ঃ | সম্পাদিকা |
| ডি.টি. পি ছেটিং | ঃ | সম্পাদিকা |
| বেটুপাত নির্দেশন | ঃ | সম্পাদিকা |
| বেটুপাত অংকন | ঃ | অতনু |

প্রকাশক ঃ ডি. হ. সু. কানৈ মহাবিদ্যালয় ছাত্র একতা সভা

মুদ্রক ঃ কে. এচ. কম্পিউটেক

# শ্ৰদ্ধাঞ্জলি

*"মৃত্যুওতো এটা শিল্প*
*জীৱনৰ কঠিন শিলত কটা নিৰ্লোভ ভাস্কৰ্য।"*

ওহোঁ। মৃত্যু জানো এটা শিল্প হ'ব পাৰে? কবিৰ বাবে হয়তো হ'বও পাৰে। কিন্তু আমাৰ সাধাৰণ মানুহৰ বাবে? হ'বওতো পাৰে। হয়, মৃত্যু এটা শিল্প হয় কেৱল সেইসকলৰ বাবেহে যি এটা ক্ষয়মান শৰীৰৰ অধিকাৰী হৈও নিজৰ কৰ্মৰে আমাক শিকাই গ'ল জীৱনৰ প্ৰকৃত অৰ্থ। আজি সেইসকলৰ পৱিত্ৰ আত্মাৰ প্ৰতি সমূহ কাঁনৈয়ানৰ তৰফৰ পৰা আগবঢ়াইছো আন্তৰিক শ্ৰদ্ধাঞ্জলি ——

কাঁনৈ মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ কৃতি অধ্যাপক প্ৰফুল্ল চন্দ্ৰ ভট্টাচাৰ্য
মহাবিদ্যালয়ৰে উচ্চতৰ মাধ্যমিক দ্বিতীয় বাৰ্ষিকৰ ছাত্ৰ নিৰঞ্জন গোঁহাই
সাহিত্যাচাৰ্য যজ্ঞেশ্বৰ শৰ্মা
সাহিত্যাচাৰ্য ড° সত্যেন্দ্ৰ নাথ শৰ্মা
সুসাহিত্যিক যোগেশ দাস
সুসাহিত্যিক কাঞ্চন বৰুৱা
সুসাহিত্যিক গোবিন্দ চন্দ্ৰ পৈৰা
সুসাহিত্যিক অঘৰী
সুসাহিত্যিকা প্ৰৱীণা শইকীয়া
সেউজকোঁৱৰ পৰাগধৰ চলিহা
বিশ্ব প্ৰসিদ্ধ ভাৰতীয় লেখক নীৰদ চি চৌধুৰী
সুকবি যজ্ঞোৰাম গগৈ
যাদুসম্ৰাট এম. হুছেইন
কণ্ঠশিল্পী ৰিদীপ দত্ত
কৌতুকশিল্পী ধ্ৰুৱজিৎ কিশোৰ চৌধুৰী, সুৰজিৎ গগৈ আৰু সংগীবৃন্দ
বিদেশী শত্ৰুৰ বিৰুদ্ধে অসীম বীৰত্বৰে যুঁজ দি মৃত্যু বৰণ কৰা অসমৰ বীৰ পুত্ৰ কেপ্টেইন জিন্টু গগৈ আৰু অন্যান্য সকল।
প্ৰয়াত ৰাষ্ট্ৰপতি ড° শংকৰ দয়াল শৰ্মা
নিয়তিৰ নিষ্ঠুৰ পৰিহাসত প্ৰাণ ত্যাগ কৰা গাইশালৰ ৰেল দুৰ্ঘটনাত নিহত সকল
প্ৰকৃতিৰ তাণ্ডৱৰ সৈতে যুঁজ দি মৃত্যু হোৱা উৰিষ্যাৰ বা-মাৰলিত নিহত সকল
আৰু বিগত বছৰটোত স্বদেশ তথা স্বজাতিৰ মঙ্গলৰ স্বাৰ্থত প্ৰাণ আহুতি দিয়া জ্ঞাত - অজ্ঞাত সকলো ব্যক্তি।

# উৎসৰ্গ



*ওঁ অসতো মা সদগময়*
*তমসো মা জ্যোতি র্গময়*
*মৃত্যু মা অমৃতং গময়*
*ওঁ শান্তিঃ শান্তিঃ শান্তিঃ*

*... জ্ঞাত অজ্ঞাত যিসকল মহান ব্যক্তিয়ে*
*কানৈ কলেজৰ জন্মলগনৰ পৰা বৰ্ত্তমানলৈকে*
*মহাবিদ্যালয়খনিৰ সৰ্ব্বাংগীন উন্নতিৰ বাবে*
*অহোপুৰুষাৰ্থ কৰি গ'ল সেইসকল পুণ্যাত্মাৰ*
*পৱিত্ৰ স্মৃতিত*
*শতাব্দীৰ অন্তিমখন কানৈয়ান*
*উৎসৰ্গা কৰা*
*হ'ল -*

**সম্পাদিকা**
'কানৈয়ান', স্বৰ্ণজয়ন্তী সংখ্যা
১৯৯৮-৯৯ চন।

विशेष कार्य अधिकारी
OFFICER ON SPECIAL DUTY



राष्ट्रपति सचिवालय,
राष्ट्रपति भवन,
नई दिल्ली - 110004.
President's Secretariat,
Rashtrapati Bhavan,
New Delhi - 110004.

No.F.2-M/99

19th August, 1999

Dear Ms. Sonowal,

The President of India, Shri K.R. Narayanan, is happy to know that the D.H.S.K. College Students' Union Society, Dibrugarh is bringing out its College Magazine "Kanoian" in September, 1999

The President extends his warm felicitations and greetings to the students, teachers and the staff and wishes publication all success.

With regards,

Yours sincerely,

(S.N. Sahu)

Ms. Kanta Kaveri Sonowal,
Magazine Secretary-'Kanoian',
D.H.S.K. College,
Dibrugarh 786 001,
Assam.

## সম্পাদনা কক্ষ

◆বিত্ত উপদেষ্টা
ড° শিৱ কান্ত দত্ত, অধ্যক্ষ

◆উপদেষ্টা
অধ্যাপক ভৱেন বৰুৱা
অধ্যাপক মেহতাবউদ্দিন আহমেদ

◆সম্পাদিকা
কান্তা কাবেৰী সোনোৱাল

◆সম্পাদনাত
সহায়কাৰী প্ৰত্যেকজন
শুভাকাংক্ষী

◆প্ৰকাশক
ছাত্ৰ একতা সভা
কানৈ মহাবিদ্যালয়


# অনুক্ৰমণিকা


| | | পৃষ্ঠা |
|---|---|---|
| **সম্পাদকীয়** | | |
| ‘কানৈয়ান’ৰ পঞ্চাশ বছৰীয়া ইতিহাস ঃ এক বৌদ্ধিক পৰিক্ৰমা | - বিনোদ বড়া | ১-৯ |
| ফ্ল্যাছ্ বেক | - | ১০-১২ |
| বিদায় নোলোৱাকৈয়ে গুচি যায় নৈ ঃ | - টুনুজ্যোতি গগৈ | ১৩ |
| ***প্ৰবন্ধ*** | | |
| অসমত নিয়োগৰ সমস্যা আৰু সম্ভাৱনা | - ড° আতিকুদ্দিন আহমেদ | ১৪-১৫ |
| আহোম যুগৰ লোকোক্তি | - বিপুল বৰুৱা | ১৬-১৭ |
| বাৰ্মুডা ত্ৰিভুজ | - তিৰুপ জ্যোতি সোনোৱাল | ১৮-১৯ |
| শিষ্টাচাৰ | - বিষ্ণু প্ৰসাদ গগৈ | ২০-২১ |
| বিক্ষিপ্ত অনুভৱ | - অনুৰাগ | ২২-২৪ |
| ***গল্প*** | | |
| প্ৰেম, সংশয় আৰু সিহঁতবোৰ | - পল্লৱীতা দাস | ২৫-২৮ |
| ভালপোৱা | - অভিজিৎ শৰ্মা | ২৯-৩২ |
| মনস্তাপ | - সিদ্ধাৰ্থ বৰকাকতী | ৩৩ |
| সংস্থাপন | - মৰমী দত্ত | ৩৪ |
| **অতিথিচ’ৰা** | - | ৩৫-৩৯ |
| ***কবিতা*** | | |
| কলেজ | - কিশোৰ কুমাৰ গগৈ | ৪১ |
| উজাগৰী নিশা | - ঋতুৰাজ দত্ত | ৪২ |
| ঋতুৰ দুটা স্তৱক | - দিলীপ শইকীয়া | ৪২ |
| এনেকৈয়ে | - যুগল কোঁৱৰ | ৪৩ |
| আহ্বান | - যোগেশ বৰগোঁহাই | ৪৩ |
| এতিয়া বহুত ৰাতি | - সংগীতা বৰুৱা | ৪৪ |
| অভিশপ্ত কাৰগিল | - বিস্মিজা গোস্বামী | ৪৫ |

## কৃতজ্ঞতা স্বীকাৰ

ড° ভবেন্দ্ৰনাথ শইকীয়া দেৱ
ড° শিৱ কান্ত দত্ত (অধ্যক্ষ)
শ্ৰীযুত কল্যাণ কুমাৰ বৰুৱা (প্ৰা. অধ্যক্ষ)
শ্ৰীযুত তিৰেশ্বৰ চলিহা (প্ৰা. অধ্যক্ষ)
শ্ৰীযুত কিৰণ চন্দ্ৰ মেচ
অধ্যাপক ভবেন বৰুৱা
অধ্যাপক মেহতাব উদ্দিন আহমেদ
অধ্যাপক মদন মোহন গোস্বামী
অধ্যাপিকা ঊষাৰাণী বৰুৱা
প্ৰবক্তা প্ৰতিক চৌধুৰী
প্ৰবক্তা বিনোদ বড়া
প্ৰবক্তা দেৱপ্ৰিয় ৰাজখোৱা
প্ৰবক্তা পল্লৱী বুজৰবৰুৱা
সম্পাদনাত বিশেষভাৱে সহায় কৰি দিয়া
মৌচুম, দলী, মৌচুমী আৰু সাগৰীকা-
সমাপ্তী বা আৰু পাৰবিন -কে.এচ্
কম্পিউটেকৰ সমূহ কৰ্মকৰ্তা আৰু
বন্ধুবৰ্গলৈ ।।


*উপন্যাসিকা* — *পৃষ্ঠা*


| | | |
|---|---|---|
| কলাজত কানৈ কলেজ | - মৌচুম বৰুৱা | ৪৬-৬০ |
| নেপোলিয়নৰ বুৰঞ্জী প্ৰসিদ্ধ প্ৰেম পত্ৰ | - প্ৰদিপ্ত বৰুৱা | ৬১-৬২ |


# *English Section*


| | | |
|---|---|---|
| Photograph | | 63-65 |
| Orchid in north east | -Moushumi Duarah | 66-68 |
| Tsialkovesky | -Jitu Phukan | 69-71 |
| The theatre of rituals | -Dolly Deka | 72-74 |
| Broken heart (Poem) | -Binod Borgohain | 75 |
| The ultimate escape | -Dipal Baruah<br>-Moitrayee Borah. | 76-77 |
| Power from thorium | -Abdesh Kumar | 78 |
| Annual records | - | 79-90 |

# অনুক্ৰমণিকা


| | | পৃষ্ঠা |
|---|---|---|
| **সম্পাদকীয়** | | |
| 'কানৈয়ান'ৰ পঞ্চাশ বছৰীয়া ইতিহাস ঃ এক বৌদ্ধিক পৰিক্ৰমা | - বিনোদ বড়া | ১-৯ |
| ফ্ল্যাছ্ বেক | | ১০-১২ |
| বিদায় নোলোৱাকৈয়ে গুচি যায় নৈ ঃ | - টুনুজ্যোতি গগৈ | ১৩ |
| *প্ৰবন্ধ* | | |
| অসমত নিয়োগৰ সমস্যা আৰু সম্ভাৱনা | - ড° আতিকুদ্দিন আহমেদ | ১৪-১৫ |
| আহোম যুগৰ লোকোক্তি | - বিপুল বৰুৱা | ১৬-১৭ |
| বাৰ্মুডা ত্ৰিভুজ | - তিৰূপ জ্যোতি সোনোৱাল | ১৮-১৯ |
| শিষ্টাচাৰ | - বিষ্ণু প্ৰসাদ গগৈ | ২০-২১ |
| বিক্ষিপ্ত অনুভৱ | - অনুৰাগ | ২২-২৪ |
| *গল্প* | | |
| প্ৰেম, সংশয় আৰু সিহঁতবোৰ | - পল্লৱীতা দাস | ২৫-২৮ |
| ভালপোৱা | - অভিজিৎ শৰ্মা | ২৯-৩২ |
| মনস্তাপ | - সিদ্ধাৰ্থ বৰকাকতী | ৩৩ |
| সংস্থাপন | - মৰমী দত্ত | ৩৪ |
| **অতিথিচ'ৰা** | - | ৩৫-৩৯ |
| *কবিতা* | | |
| কলেজ | - কিশোৰ কুমাৰ গগৈ | ৪১ |
| উজাগৰী নিশা | - ঋতুৰাজ দত্ত | ৪২ |
| ঋতুৰ দুটা স্তৱক | - দিলীপ শইকীয়া | ৪২ |
| এনেকৈয়ে | - যুগল কোঁৱৰ | ৪৩ |
| আহ্বান | - যোগেশ বৰগোঁহাই | ৪৩ |
| এতিয়া বহুত বাতি | - সংগীতা বৰুৱা | ৪৪ |
| অভিশপ্ত কাবগিল | - বিত্ৰিজা গোস্বামী | ৪৫ |

# শতাব্দীৰ শেষত কানৈয়ানৰ

## ঋতু আহে ঋতু যায়.....

...এয়ে প্ৰকৃতিৰ নিয়ম। সময় চিৰ প্ৰৱাহমান। ইয়াক বাধা দিয়াৰ শক্তি আমাৰ কাৰোৰে নাই। আমি মাত্ৰ চেষ্টাহে কৰিব পাৰো কিছুমান কাম সময়মতে কৰিবলৈ; যাতে সময় বাগৰি গলেও এৰি অহা দিনবোৰৰ স্মৃতিয়ে আমাক কন্দুৱাব নোৱাৰে; ই পাপৰি হৈ সময় বালিত পৰি ৰয়, আৰু সময় সাক্ষী হৈ ৰয় সেই চিৰন্তন সত্যৰ॥

কিছুমান কথাই কিছুমান বিভৎস ঘটনাই আজিৰ সময় কলুষিত কৰি তুলিছে। মানুহে পাহৰি গৈছে মানুহ হোৱাৰ গৌৰৱ; পাহৰি গৈছে যে কেৱল দুখন হাত, দুটা ভৰি আৰু দুখন কাণ থাকিলেই তাক মানুহ বুলি কব নোৱাৰি। মানুহ হোৱাৰ বাবে কিছুমান বিশেষ গুণৰ প্ৰয়োজন; - এটা শক্তিশালী বিবেক, এটা সুন্দৰ মন .. আৰু এখন বিশাল হৃদয় - ; এইবোৰেইটো মানুহৰ প্ৰকৃত অলংকাৰ! ইয়াৰ অবিহনে জানো আজিলৈকে কোনোবাই মানুহ হোৱাৰ গৌৰৱ অৰ্জন কৰিব পাৰিছে? ভদ্ৰতাৰ মুখা পিন্ধি জানো কোনোবাই দীৰ্ঘদিন ধৰি সমাজত বাস কৰিব পাৰিছে? পাৰিছে জানো সমাজত নিজৰ প্ৰতিপত্তি স্থাপন কৰিব? দীৰ্ঘদিন ধৰি? - ওঁহো নাই পৰা। জয় সদায় সত্যৰেই হৈ আহিছে॥

*যদা যদা হি ধৰ্মস্য গ্লানিৰ্ভবতি ভাৰত।*
*অভ্যুত্থানমধৰ্মস্য তদাত্মানং সৃজাম্যহম্ ॥*
*পৰিত্ৰাণায় সাধুনাং বিনাশায় চ দুষ্কৃতাম্ ।*
*ধৰ্মসংস্থাপনাৰ্থায় সম্ভবামি যুগে যুগে॥*

যেতিয়াই মানৱ জাতিৰ আগত ঘোৰ বিপদে দেখা দিছে, যেতিয়াই অপায় অমঙ্গলে দশোদিশ ছাটি ধৰিছে; হিংসা, বিদ্বেষ, গ্লানিৰে দেশ ভৰি পৰিছে; যেতিয়াই ...., তেতিয়াই ধৰ্ম সংস্থাপনৰ নিমিত্তে যুগে যুগে মহান পুৰুষৰ আৰ্বিভাৱ ঘটি আহিছে। আৰু এই দুষ্টক দমন শিষ্টক পালন নীতিয়েই হোৱা উচিত গতিশীল সময়ৰ এক সৃষ্টিশীল প্ৰত্যাহ্বান॥

কিন্তু বৰ্তমানৰ যি বিভৎস সময় আৰু কলুষিত বাতাবৰণ; এই পাকচক্ৰৰ পৰা নিজকে উদ্ধাৰ কৰাৰ বাবে কোনো মহাপুৰুষৰ আৰ্বিভাৱ হব বুলি আশাপালি বহি থকাটো নিশ্চয় আমাৰ মূৰ্খামি হব। 'তুমিয়েই তোমাৰ ভাগ্যৰ গৰাকী' - কথাটো আমি পাহৰিলে নহব॥

'অসম আমাৰ ৰূপহী
গুণৰো নাই শেষ
ভাৰতৰে পূৰ্ব দিশৰ
সূৰ্য্য উঠা দেশ॥'

- হয়; অসম আমাৰ সঁচাকৈয়ে ৰূপহী। ইয়াৰ ৰূপৰ-গুণৰ তুলনা পাবলৈ নাই। কিন্তু সম্প্ৰতি অসমী

# সম্পাদকীয়


আইৰ এই গৌৰৱকো নেওচি সময় অতিক্ৰমিত হব ধৰিছে; ইয়াৰ দুৰ্দান্ত দুৰ্বাৰ গতিৰে। আমাৰ মাজত থকা একতাৰ এনাজৰীবোৰ যেন জহি খহি যাব ধৰিছে। ঘূণে ধৰিছে আমাৰ সম্পৰ্কবোৰত! এতিয়া সময় আহি পৰিছে এই বিনাশকাৰী শক্তিবোৰৰ বিৰুদ্ধে একগোট হৈ মাৰবান্ধি থিয় দিয়াৰ; প্ৰয়োজন আহি পৰিছে সময়ক প্ৰত্যাহ্বান জনাব পৰাকৈ এক বিশাল শক্তি একত্ৰিত কৰাৰ। 'আমি অসমীয়া নহওঁ দুখীয়া' বুলি সান্ত্বনা লভাৰ দিন আৰু এতিয়া সঁচাকৈয়ে নাই। অসমী আইৰ হেৰোৱা গৌৰৱ পুনৰোদ্ধাৰৰ বাবে, এখন শক্তিশালী অসম গঢ়াৰ বাবে আজি প্ৰত্যেকজন অসমীয়াই অহোপুৰুষাৰ্থ কৰা উচিত। 'আজিৰ অসমীয়াই নিজক নিচিনিলে অসম ৰসাতলে যাব' -কথাটো আমি কোনো পৰিস্থিতিতে পাহৰিলে নহ'ব; পাহৰিব নেলাগিব।

'জননী জন্মভূমি স্বৰ্গাদপী গৰীয়সী'। - হয়; জননী জন্মভূমি স্বৰ্গতকৈও শ্ৰেষ্ঠ। আমি ভাৰতীয়। ভাৰতীয়তা আমাৰ প্ৰথম পৰিচয়। তাৰ পাছতহে আমি অসমীয়া। কিন্তু আমাৰ মানুহ হিচাপে পৰিচয় এই দুয়োটাৰে উৰ্দ্ধত। আমি মানুহ! - আমি সকলোৰেই মানুহ!! .. আৰু মানুহে মানুহৰ বাবে যদি অকণোৰেই নেভাবে (?) - তেন্তে ই জানো জীৱ শ্ৰেষ্ঠ হোৱাৰ গৌৰৱ অৰ্জন কৰিব পাৰিব? পাৰিব জানো মানুহ হোৱাৰ প্ৰকৃত গৌৰৱ অৰ্জন কৰিব? পাৰিব জানো ????? ....

যুৱ শক্তি শাশ্বত, অপৰাজেয়। আঁহা আমি প্ৰত্যাহ্বান জনাওঁ আজি সময়ক! আঁহা প্ৰতিজ্ঞাৱদ্ধ হওঁ এখন সমৃদ্ধিশালী অসম গঢ়িবলৈ, এখন সমৃদ্ধিশালী ভাৰত গঢ়িবলৈ; - আঁহা আজি বিশ্বপ্ৰেম আৰু বিশ্ব ভ্ৰাতৃত্বৰ বান্ধোনেৰে কৰি তোলোঁ আমি দশোদিশ উদ্ভাসিত;- আঁহা! আঁহা আমি আগুৱাই যাওঁ -....সহস্ৰাব্দৰ এই সন্ধিক্ষণত আঁহা আমি সবেই মিলি গাওঁ আজি অসমী আইৰ মুক্তিৰ গান -....

...তোৰে মোৰে আলোকৰে যাত্ৰা
অব্যৰ্থ, অব্যৰ্থ
আমি পালোঁ জীৱনৰ অৰ্থ অভিনৱ
স্বাগত স্বাগত সতীৰ্থ।।

নমস্কাৰ । জয় হিন্দ। জয় আই অসম।
সম্পাদিকা, 'কানৈয়ান', স্বৰ্ণজয়ন্তী সংখ্যা
১৯৯৮-৯৯ চন



# ‘কাঁনৈয়ান’ৰ পঞ্চাশ বছৰীয়া ইতিহাস ঃ এক বৌদ্ধিক পৰিক্ৰমা

১৯০১ খ্ৰীঃত কটন কলেজ আৰু ১৯৩০ খ্ৰীঃত জগন্নাথ বৰুৱা কলেজ স্থাপন হোৱাৰ প্ৰায় ডেৰ দশকৰ পাচত উজনি অসমৰ প্ৰথম উচ্চ শিক্ষানুষ্ঠান ‘ডিব্ৰুগড় কলেজৰ’ জন্ম হৈছিল। ১৯৪৫ খ্ৰীঃৰ ১৫ জুন তাৰিখে তেতিয়াৰ জৰ্জ ইনষ্টিটিউট আৰু বৰ্তমানৰ বাগ্মীবৰ নীলমণি ফুকন উচ্চতৰ মাধ্যমিক বিদ্যালয়ত বহা প্ৰথমটো শ্ৰেণীৰে প্ৰথমটো খোজ পেলোৱাৰ পাচৰে পৰা এই কলেজখনে নিৰৱচ্ছিন্ন ধাৰাৰে নিজৰ যাত্ৰা অব্যাহত ৰাখিছে। পিছে সময়ৰ বুকুত এই ইতিহাস বহু সলনি হ’ল। ব্ৰহ্মপুত্ৰই গতি সলালে, ডিব্ৰুগড় চহৰৰ পুৰণি মানচিত্ৰৰ পৰিৱৰ্তন ঘটিল। ডিব্ৰুগড় কলেজেও ১৯৫০ খ্ৰীঃত পূৰ্বৰ পৰিচয় এৰি ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয় নাম ল’লে। কানৈ পৰিয়ালৰ ঐতিহাসিক বদান্যতাত ১৯৫৮ খ্ৰীঃত ভাৰতবৰ্ষৰ তেতিয়াৰ উপ-ৰাষ্ট্ৰপতি ডঃ সৰ্বপল্লী ৰাধাকৃষ্ণণৰ শুভবাণীৰে বৰ্তমান সুদৃশ্য প্ৰাসাদসদৃশ কলেজ ভৱনটি লাভ কৰিলে। স্বাধীনতাৰ ফেহুঁজালি কালচোৱাতে স্বনামধন্য অনেকজন কৰ্মযোগীৰ অদম্য কৰ্মোদ্যম আৰু অক্লান্ত চেষ্টাত জন্ম লাভ কৰা এই কলেজৰ জন্ম কাহিনী যিদৰে সংক্ষিপ্ত নহয়, সেইদৰে সুদীৰ্ঘ সময়চোৱাত কলেজখনে অতিক্ৰম কৰি অহা ঘটনাবহুল অতীতখিনিও অতীব ৰোমাঞ্চকৰ। পণ্ডিত যোগীৰাজ বসু, স্বৰ্গীয় লক্ষীপ্ৰসাদ দত্ত, শ্ৰীযুত অশ্বিনীচৰণ চৌধুৰী, শ্ৰীযুত যামিনী ফুকন, ডঃ ডিম্বেশ্বৰ চলিহা আদি বহুজনৰ অভিজ্ঞ কলমেদি এনে বহু কথাই ‘কানৈয়ান’ৰ বুকুত বা বিভিন্ন অনুষ্ঠান উদ্‌যাপন উপলক্ষে কানৈ কলেজৰ পৰা প্ৰকাশিত স্মৰণিকাৰ বুকুত ঠাই পাই আহিছে আৰু যথাৰ্থতে এনে লিখনিসমূহ সময়ৰ বুকুত একো একোটা স্মৃতিস্তম্ভ হিচাপে ৰৈ গৈছে।

অনেক অভিজ্ঞ অনভিজ্ঞজনৰ মৌলিক চিন্তাৰ মুদ্ৰিত বহিঃ প্ৰকাশ তথা বহুটো ঘটনা বহুল তিক্ত-মিষ্ট অভিজ্ঞতাৰে ‘কানৈয়ানে’ও আজি সোণালী জয়ন্তী সংখ্যাৰ মেটমৰা অতীতৰ ভাৰ বহন কৰিছে। ১৯৮৭ খ্ৰীঃত স্বনামধন্যা ইৰা দত্তৰ সম্পাদনাত প্ৰকাশিত ‘ডিব্ৰুগড় কলেজ আলোচনী’ৰ পৰা বৰ্তমানৰ স্বৰ্ণজয়ন্তী সংখ্যাৰ ‘কানৈয়ান’ লৈকে কানৈ কলেজৰ অতীতত সাহিত্য- সংস্কৃতি তথা বৌদ্ধিক চিন্তা চৰ্চাৰ ভালেকেইটা স্তৰ পাৰ হৈ গ’ল; সময়ৰ বুকুত এই মানদণ্ডৰ গ্ৰাফডাল কৰবাত উঠিল, কৰবাত নামিল। যোৱা দশককেইটাত মহাবিদ্যালয়খনৰ শৈক্ষিক-বৌদ্ধিক পৰিবেশ আৰু কানৈয়ান, কানৈৰ শিক্ষক তথা শুভাকাঙ্খীৰ সপোনৰো বহু পৰিৱৰ্তন ঘটিল। এনে পৰিবৰ্তিত পৰিৱেশৰ নিৰ্মোহ দলিল হিচাপে ‘কানৈয়ান’ৰ পুৰণি সংখ্যাসমূহে এক বিশেষ গুৰুত্ব লাভ কৰিছে আৰু কানৈয়ানৰ পাতত,‘ডিব্ৰুগড়ৰ উচ্চ শিক্ষাৰ পৰিবেশ ঃ অতীত আৰু বৰ্তমান’ আদি শিৰোনামাৰে মৌলিক গৱেষণাৰ সম্ভাৱনীয়তাও বহন কৰিছে। আমাৰ আলোচনাই পিছে পূৰ্বৰ ‘কানৈয়ান’ সমূহত প্ৰকাশিত ৰচনাসমূহৰ সকলোবোৰ দিশ চুই যাব পৰা নাই। তাতে বিগত পঞ্চাশটা সংখ্যাৰ বহুকেইটাই পঢ়িবলৈ পোৱাৰ সৌভাগ্য নহ’ল হেতুকে এই সংখ্যাসমূহো আলোচনাৰ পৰা বাদ পৰিল। এজন পাঠক হিচাপে আমাক প্ৰভাৱিত কৰিব পৰা দিশসমূহ চুই যাওঁতে ৰৈ যোৱা সম্ভাব্য আসোঁৱাহবোৰৰ বাবে আমি অৱশ্যেই ক্ষমা প্ৰাৰ্থনীয়।

ডিব্ৰুগড় কলেজ আলোচনী ঃ প্ৰথম সংখ্যা

সম্পাদিকা ঃ ইৰা দত্ত ঃ ১৯৪৭ খ্ৰীঃ

সদ্যপ্ৰাপ্ত স্বাধীনতাৰ আনন্দোচ্ছাস, নিজাকৈ এখন ধুনীয়া দেশ গঢ়াৰ সপোন আৰু নতুন কলেজ এখনৰ নতুন আলোচনীখন প্ৰকাশৰ আঁৰত থকা থৌকিবাথৌখিনিৰ দিনলিপিস্বৰূপ ‘ডিব্ৰুগড় কলেজ আলোচনী’ৰ এই প্ৰস্তাৱনা সংখ্যাটি পঢ়িবলৈ পোৱাৰ সৌভাগ্য আমাৰ নহ’ল। কল্যাণী বৰুৱাৰ সম্পাদনাত প্ৰকাশিত ‘কানৈয়ান’ৰ সাতত্ৰিশতম সংখ্যাত পুনৰ প্ৰকাশিত প্ৰথম সংখ্যাৰ ‘ডিব্ৰুগড় কলেজ আলোচনী’ৰ এটি গল্পৰ কিয়দংশৰ উদ্ধৃতি দিয়া হ’লঃ-

"আমাৰ জীৱনৰ সুন্দৰ আদৰ্শ আৰু আমি বাস্তৱৰ মানুহবোৰ কিমান তফাৎ নহয়নে সকলোবোৰ আদৰ্শ যদি বাস্তৱ হ'লহেতেন তেন্তে হয়তো কেতিয়াবাই আমি স্বাধীন হ'লোহেতেন" - তাই শেষ কৰিছিল। সি স্নিগ্ধাৰ কথা বুজি কৈ পেলাইছিল - " তেন্তে তুমি অকল নাৰীৰ আদৰ্শ আৰু স্বাধীনতাৰ কথাহে ক'লা, আমিতো নাৰীক বান্ধি ৰখা নাই, শিকলি লগাই থোৱা নাই। তাই কৈছিল "লোহাৰ শিকলি নেথাকিলেও সমাজৰ শিকলি -"

( ৰেবা দত্তৰ গল্প 'জীৱনৰ খলাবমা' )

ডিব্ৰুগড় কলেজ আলোচনী ঃ দ্বিতীয় সংখ্যা

সম্পাদক ঃ বিনন্দ চন্দ্ৰ বৰুৱা ঃ ১৯৪৮ খ্ৰীঃ

অধ্যাপক বেণুধৰ ৰাজখোৱা, পণ্ডিত যোগীৰাজ বসু, লক্ষ্মীপ্ৰসাদ দত্ত, অৰুণা বৰুৱা, চুজাউদ্দিন আহমদ আদি বহু প্ৰসিদ্ধজনৰ লিখনিৰে সমৃদ্ধ এই আলোচনীখনত ভাৰতবৰ্ষৰ স্বাধীনতা আন্দোলনৰ পটভূমিত ৰচিত ভালেকেইটি চুটি গল্পও প্ৰকাশিত হৈছে। তাৎপৰ্য্যপূৰ্ণভাৱে আলোচনীখনৰ এটি কবিতায়ো ছল্লিশ দশকৰ শেহচোৱাত ক্ৰমাৎ জনপ্ৰিয়তা লাভ কৰা আধুনিক শৈলীৰ নতুন আংগিকৰ অনুশীলন কৰা নাই। বেণুধৰ ৰাজখোৱাৰ 'অন্তিম যাত্ৰা', যতীন হাজৰিকাৰ 'কলিৰ মধ্যম কালত মহামানৱ মহাত্মাগান্ধী', নবীন শৰ্মা বৰদলৈৰ 'কুলি' আদি কবিতাত কেন্দ্ৰীয় বিষয়বস্তুৰ সুস্পষ্ট ছন্দিল বহিঃ প্ৰকাশে দৰাচলতে তেতিয়াও যে নকৈ অনুশীলন কৰা যুৱ-কবিৰ লগতে বহুতো লব্ধপ্ৰতিষ্ঠ কবিকো এই নতুন ধাৰাই প্ৰভাৱ পেলাব পৰা নাছিল তাকে প্ৰতিপন্ন কৰে। এই আলোচনীখনৰ অন্যতম সম্পদ হ'ল সেই বছৰতে (১৯৪৮ খ্ৰীঃ ত) ডিব্ৰুগড় কলেজত অনুষ্ঠিত হোৱা বছেৰেকীয়া সংগীত সম্মিলনত ৰূপকোঁৱৰ জ্যোতি প্ৰসাদ আগৰৱালাই সভাপতিস্বৰূপে আগবঢ়োৱা অভিভাষণৰ লিখিত ৰূপটি। সংস্কৃতি আৰু সুকুমাৰ কলাৰ ওপৰত ৰূপকোঁৱৰে কৰা এই আলোকপাতে জ্যোতি দৰ্শনৰ ওপৰত চিন্তা চৰ্চা কৰা সকলক আৱশ্যকীয় সমলৰ যোগান ধৰিব পাৰে।

ডিব্ৰুগড় কলেজ আলোচনী ঃ পঞ্চম সংখ্যা

সম্পাদক ঃ লক্ষ্মীনাৰায়ণ বড়া ঃ ১৯৫০-৫১ খ্ৰীঃ

"স্বাধীন দেশৰ জনতাই স্বাধীনতাৰ মুল বুজিবলৈকে সামাজিক শিক্ষাৰ বহুল প্ৰচাৰৰ আৱশ্যক হৈছে। ......। এই শিক্ষা আঁচনিৰ মুল উদ্দেশ্য হৈছে নিৰক্ষৰতা দূৰ কৰা আৰু প্ৰত্যেক দেশবাসীকে সুযোগ্য নাগৰিক হিচাপে গঢ়ি তোলা। গণতন্ত্ৰৰ ভেটিত এক জনপ্ৰিয় আৰু কাৰ্য্যক্ষম চৰকাৰ প্ৰতিষ্ঠা কৰিবলৈ সামাজিক শিক্ষাৰ বহুল প্ৰচাৰৰ অত্যন্ত আৱশ্যক।"

সম্পাদকীয়।

ডিব্ৰুগড় কলেজ আলোচনী ঃ ষষ্ঠ সংখ্যা

সম্পাদক ঃ নৰেন্দ্ৰনাথ গোস্বামী ঃ ১৯৫১-৫২ খ্ৰীঃ

"....... অসমী আইৰ দৰে নিচলা দেশ এখনৰ সাহিত্যৰ অৱস্থাযে অতি শোকাবহ সেই কথা নকলেও হ'ব। এই শোকাবহ অৱস্থাৰ সুবিধা লৈয়েই চুবুৰীয়াসকলেও আমাৰ ভাষা সাহিত্যক চিৰকালৰ কাৰণে নিৰ্মূল কৰাৰ উপায় উদ্ভাৱন কৰোতে ৰাতিও চকুত টোপনি নোহোৱা হৈছে। এনে এটি সংকটপূৰ্ণ অৱস্থাত আমাৰ ভাষা-সাহিত্য-সংস্কৃতি ৰক্ষা কৰিবলৈ নিজৰ বৈশিষ্ট্য জীয়াই ৰখাৰ ভাৰ পৰিছে উঁদীয়মান যুৱক-যুৱতীসকলৰ ওপৰত।"

সম্পাদকীয়।

কানৈ কলেজ আলোচনী ঃ সপ্তম সংখ্যা

সম্পাদক ঃ খগেন্দ্ৰ মোহন ১৯৫২-৫৩ খ্ৰীঃ

" আবহমান কাল ভুগি থকা নিপীড়িত, লাঞ্ছিত, পদদলিত গণমানৱৰ ভয়াৰ্ত্ত জীৱনত আশাৰ অভয়বাণী সাহিত্যত ৰৈ ৰৈ প্ৰতিধ্বনিত হ'ব। শুনিবলৈ পাম যিদিনা কোটি কণ্ঠৰ আৰ্ত্তনাদৰ ভিতৰেদি নৰনাৰায়ণৰ আগমণী সংগীত, তেতিয়াহে বাস্তৱ সাহিত্যৰ সাৰ্থকতা ; এনে সাহিত্য হ'ল বাস্তৱ অভিজ্ঞতাৰ ওপৰত প্ৰতিষ্ঠিত। ইয়াতেই আছে অভিজ্ঞতাৰ গাম্ভীৰ্য্য আৰু বৈচিত্ৰ্য। এয়ে স্পন্দনপূৰ্ণ আৰু সঞ্জীৱ সাহিত্য। কাৰ্লাইলে এঠাইত কৈছে যে - সাহিত্য চিন্তাশীলৰ চিন্তা, কিন্তু এই চিন্তাৰ যোগান ধৰে জীৱনৰ অভিজ্ঞতাই। ...... মুঠতে

প্ৰত্যেক যুগৰ সাহিত্যই জনসাধাৰণক যোগায় নতুন প্ৰেৰণা। সৃষ্টি কৰে এটা নতুন যুগ, জীয়াই ৰাখে এটা যুগৰ সভ্যতা।”

- সম্পাদকীয়

কানৈ কলেজ আলোচনী ঃ দশম সংখ্যা

সম্পাদক ঃউজ্জ্বল চন্দ্ৰ শইকীয়া ঃ ১৯৫৫-৫৬ খ্ৰীঃ

“সাহিত্য যুগৰ প্ৰতিচ্ছবি। যুগ পৰিৱৰ্ত্তনশীল। যুগে যুগে মানুহৰ ৰুচি-অভিৰুচিৰ পৰিৱৰ্তন হয়, নতুন পুৰণি হয় আৰু পুৰণি নতুন হয়। যুগৰ কক্ষপথত সমাজখনেই হৈ পৰে পৰিৱৰ্ত্তনশীল। তাৰ সাঁচ পৰে সাহিত্যৰ ওপৰত।”

- সম্পাদকীয়

কানৈ কলেজ আলোচনী ঃ একাদশ সংখ্যা

সম্পাদক ঃ যামিনী ফুকন ঃ ১৯৫৬-৫৭ খ্ৰীঃ

‘সাহিত্যৰ সৰ্ব্বাংগীন উন্নতিৰ অৰ্থ সমূহীয়া প্ৰচেষ্টাৰ অভাৱ কেইজনমান মাত্ৰ তথাকথিত সাহিত্যিকৰ, সাহিত্যৰ উচ্চ আদৰ্শ বিসৰ্জন দি খেলাৰ সামগ্ৰী সদৃশ ব্যৱস্থাৰ আৰ্থিক দুৰৱস্থা; ৰাইজ আৰু চৰকাৰৰ উদাসীনতাই সাহিত্যৰ এই কেৰোণ বিলাকলৈ আঙুলিয়াই দিয়ে। অপ্ৰিয় হ’লেও স্বীকাৰ কৰিব লাগিব যে বছেৰেকৰ মুৰত এদিন ওলহ-মালহকৈ পতা সন্মিলন বা লব্ধপ্ৰতিষ্ঠ সাহিত্যিক এগৰাকীক জীৱনৰ শেষ সন্ধিয়াত দিয়া ‘ৰাজকীয়’ সন্মান এটিয়ে সাহিত্যিকক অনুপ্ৰেৰণা দিব নোৱাৰে।”

সম্পাদকীয়।

কানৈ কলেজ আলোচনী ঃ ত্ৰয়োদশ সংখ্যা

সম্পাদক ঃ কিৰণ শৰ্ম্মা ঃ ১৯৫৯ - ৬০ খ্ৰীঃ

বৃহৎ কলেবৰ আৰু বিষয়বস্তুৰ বৈচিত্ৰ আছিল এই সংখ্যাৰ ‘কানৈ কলেজ আলোচনী’ৰ অন্যতম বৈশিষ্ট্য। বনফুলৰ কবি, অধ্যাপক যতীন্দ্ৰনাথ দুৱৰাৰ ‘উপন্যাস’, লম্বেশ্বৰ বৰুৱাৰ ‘হুচৰি গীতৰ তাৎপৰ্য্য’ আদি প্ৰৱন্ধই যিদৰে আলোচনীখনক গাম্ভীৰ্য্য প্ৰদান কৰিছে, সেইদৰে ইয়াত প্ৰকাশিত কবিতা গুচ্ছই আলোচনীখনৰ সৌষ্ঠৱ বৃদ্ধি কৰিছে। বিশেষকৈ হৰ সন্দিকৈৰ ‘সৃষ্টিঃনীল সাগৰৰ এটি ঢউ আৰু কপঁনিৰে’, অজিত কুমাৰ গোস্বামীৰ ‘স্বপ্ন’, গিৰিজা দত্তৰ ‘পাহৰি নেযাবা’ ৰণজিৎ কুমাৰ গগৈ আদিয়ে ‘বৰ্ণালী’ আদি কবিতাৰ জৰিয়তে ষাঠিদশকৰ দুৱাৰদলিতে নতুন আংগিক আৰু ৰচনা-ৰীতিৰে পৰিপক্ক লেখনি আগবঢ়াইছিল যদিও এইসকল লিখকৰ লেখা এতিয়া ক’তো পোৱা নেযায়। তদুপৰি এই আলোচনীতে ১৯৫৭ খ্ৰীঃৰ ২৯ ডিচেম্বৰ তাৰিখে অনুষ্ঠিত কানৈ মহাবিদ্যালয়ৰ নৱনিৰ্মিত স্থায়ী বিদ্যাভৱনটি শুভ উদ্বোধনী অনুষ্ঠানৰ এক সুবিস্তৃত সচিত্ৰ পৰিপূৰিকা প্ৰকাশ কৰা হৈছে, য’ত মুখ্য অতিথি ড° সৰ্বপল্লী ৰাধাকৃষ্ণণৰ উদ্বোধনী ভাষণৰ ওপৰিও ড° যোগীৰাজ বসু, লক্ষ্মীপ্ৰসাদ দত্ত আদি বিশিষ্টজনৰ লিখনিও সন্নিবিষ্ট আছে।

কানৈ কলেজ আলোচনী ঃ পঞ্চদশ সংখ্যা

সম্পাদক ঃ ললিত দাস ঃ ১৯৬০ - ৬১ খ্ৰীঃ

ইংৰাজী আৰু অসমীয়া ভাষাৰ মুঠ পোন্ধৰটা প্ৰবন্ধ, পাঁচটি চুটি গল্প, সাতটি কবিতা আৰু বিবিধ লেখাৰে সমৃদ্ধ এই সংখ্যাৰ কানৈ কলেজ আলোচনীৰ বহুকেইটা প্ৰৱন্ধৰ বিষয়বস্তুই গুৰুত্বপূৰ্ণ। অধ্যাপক ড° ডিম্বেশ্বৰ চলিহাৰ ‘প্ৰকৃতিৰ বাচনি’, বিশ্ব বৰুৱাৰ ‘সৰ্বোদয়ৰ ৰাজনীতি’, চন্দ্ৰ বাহাদুৰ সোণাৰীৰ ‘বিশ্ব শান্তিত ভাৰতৰ অৱদান’ আদি প্ৰৱন্ধত প্ৰবন্ধকাৰে প্ৰদৰ্শন কৰা বস্তুনিষ্ঠতা অনুকৰণীয়। মণিৰাম আগৰৱালাই ‘সুখৰ পম খেদি’ প্ৰৱন্ধটিত অসমীয়া, ইংৰাজী আৰু বাংলাভাষাৰ কাব্যাংশৰ উদ্ধৃতিৰে সুন্দৰৰ অন্বেষণৰ ওপৰত এটি সুন্দৰ প্ৰৱন্ধ লিখিছে; যি প্ৰৱন্ধই ব্ৰাটাণ্ড ৰাছেলৰ 'Quest for Happiness' ৰ মনোৰম ভাৱৰাশিক মনলৈ আনি দিয়ে। লিখকৰ দৃষ্টিত - “যেতিয়ালৈকে সকলো সুখী হ’ব নোৱাৰে, তেতিয়ালৈকে এজন মানুহ ব্যক্তিগতভাৱে কেতিয়াও সম্পূৰ্ণ সুখী হ’ব নোৱাৰে। গতিকে সমাজৰ সকলোৰে যাতে সুখী হয়, তাৰবাবে প্ৰত্যেকে ব্যক্তিগত স্বাৰ্থতকৈ সমূহীয়া স্বাৰ্থক অধিক মূল্য দিয়াটো কৰ্তব্য।” ইংৰাজী বিভাগত ড° যোগীৰাজ বসুৰ 'Education in Vedic India' প্ৰবন্ধত বৈদিক যুগৰ ভাৰতীয় শিক্ষা ব্যৱস্থাৰ এক গৱেষণামূলক সমীক্ষা প্ৰকাশ পইছে। সেইদৰে অধ্যাপক নিৰ্মল কুমাৰ বসুৰ 'India's Mission' শীৰ্ষক প্ৰৱন্ধটোৰে ভাৰতীয় ৰাজনৈতিক তথা আৰ্থ-সামাজিক

ভেটিৰ ওপৰত বিশ্লেষণ আগবঢ়াই ৰাষ্ট্ৰীয় সংহতিৰ ওপৰত এক যোগাত্মক আলোকপাত কৰিছে। লাৱণ্য দেৱীৰ কবিতা 'সমিধান'ৰ ভাল লগা কেইশাৰীমান ঃ-

"সন্ধানী চকুত সানি মেঘৰ কাজল পৃথিৱীক সুধিলে তাই সেই কথা জোনাক উপচি পৰা শীতল সন্ধিয়া এই, তাই কিয় ইমান অকলশৰীয়া পৃথিৱীয়ে তেতিয়া জোনাকবোৰ আঁতৰাই সুধিলে,
'এতিয়া'?
এতিয়াও একো নাই - আগৰদৰেই মনৰ বাহিৰত অলপ
আন্ধাৰ।"

কানৈ কলেজ আলোচনী ঃ বিংশতিতম সংখ্যা

সম্পাদক ঃ ৰজনীকান্ত চুতীয়া ঃ ১৯৬৫ - ৬৬ খ্ৰীঃ

জীৱন চন্দ্ৰ বৰাৰ 'অসমীয়া গদ্য সাহিত্যত প্ৰাচীনত্ব', কুণ্ডিল কুমাৰ চুতীয়াৰ 'আদিম পৃথিৱী আৰু জীৱৰ ক্ৰমোন্নতি', অধ্যাপক প্ৰফুল্ল চন্দ্ৰ ভট্টাচাৰ্য্যৰ 'তুচু পূজা' আদি তথ্যগধুৰ প্ৰবন্ধৰে সমৃদ্ধ এই সংখ্যাৰ কানৈ কলেজ আলোচনীখনৰ বেটুপাতখনি অতি দৃষ্টিনন্দন। অনুজ দুৱৰাৰ তুলিকাৰ ৰঙে আবৰি ৰখা ভিতৰত পৃষ্ঠাসমূহত ভালেকেইটা ভাল কবিতা থকাৰ ওপৰিও পণ্ডিত ড° যোগীৰাজ বসুৰ 'The Coronation Ceremony In Vedic India', অধ্যাপক যাদব চন্দ্ৰ বৰুৱাৰ "Evaluating keats' Odds" আদি মূল্যবান প্ৰবন্ধয়ো আশ্ৰয় লৈছে।

কানৈ কলেজ আলোচনী ঃ ত্ৰয়োবিংশতিতম সংখ্যা

সম্পাদক ঃ ভীমকান্ত বৰগোহাঞি ঃ১৯৬৮-৬৯ খ্ৰীঃ

লক্ষ্যহীৰা গগৈৰ সংস্কৃত সাহিত্যত গীতি কবিতা, ৰুক্মিণী বৰুৱাৰ 'নেফাত এভুমুকি', বসন্ত বৰাৰ 'সাহিত্যত Intellectualism' আদি নিৱন্ধ এই সংখ্যাৰ কানৈ কলেজ আলোচনীৰ অন্যতম ৰচনা সম্ভাৰ। গান্ধীজী পুত্ৰ ৰামদাসজীৰ মতে সম্পাদকে কটোৱা কেইদিনমান অন্তৰংগ মুহূৰ্ত্তৰ সৰস বৰ্ণনা, সুপ্ৰসিদ্ধ গীতিকাৰ, সুৰকাৰ, তেতিয়াৰ কানৈ কলেজৰ অধ্যাপক তফজ্জুল আলিদেৱৰ সুদীৰ্ঘ সাক্ষাৎকাৰটি ইয়াৰ সতে দুটা মূল্যবান সংযোজন। সাক্ষাৎ প্ৰসংগতে আলিদেৱে অসমীয়া সংগীতৰ স্বকীয়তা ৰক্ষাৰ ক্ষেত্ৰত জ্যোতিপ্ৰসাদ আগৰৱালা, বিষ্ণুপ্ৰসাদ ৰাভা, পুৰুষোত্তম দাস, ড° ভূপেন হাজৰিকা, বীৰেন্দ্ৰ নাথ দত্ত আদি বহুজনে আগবঢ়াই অহা বিশিষ্ট অৱদানৰ কথা শ্ৰদ্ধাৰে উল্লেখ কৰে। সেইদৰে ইংৰাজী বিভাগত প্ৰকাশিত অধ্যাপক প্ৰিয়াংশুপ্ৰবাল উপাধ্যায়ৰ 'Iswara In Sankhya Darshana', অশোক দাসৰ 'From Animal to Man' আদি প্ৰবন্ধও যথেষ্ট তথ্য সমৃদ্ধ।

কানৈ কলেজ আলোচনী ঃ ষষ্ঠবিংশতিতম সংখ্যা

সম্পাদক ঃ হিতেশ বিকাশ গগৈ ঃ ১৯৭১ - ৭২ খ্ৰীঃ

'বৌদ্ধিক পৰিবেশ আৰু ছাত্ৰৰ মৌলিকতা' শীৰ্ষক এটি প্ৰবন্ধেৰে তেতিয়াৰ দ্বিতীয় বাৰ্ষিকৰ ছাত্ৰ হীৰেণ গগৈয়ে কুৰি শতিকাৰ শিক্ষাব্যৱস্থা আৰু শৈক্ষিক পৰিবেশৰ লগত বৈদিক যুগৰ শিক্ষাব্যৱস্থাৰ তুলনামূলক বিশ্লেষণ কৰি পৰীক্ষামুখী শিক্ষা ব্যৱস্থাই সৃষ্টি কৰা বুদ্ধিৰ জড়তা, সুষ্ঠ মানসিক বৌদ্ধিক বিকাশৰ ক্ষেত্ৰত শিক্ষা পদ্ধতি, ছাত্ৰৰ ক্ৰমবৰ্দ্ধমান অমনোযোগিতা আৰু শিক্ষকৰ উদাসীনতাৰ বিষয়ে গগৈয়ে আগবঢ়োৱা ক্ষুৰধাৰ সমালোচনা বৰ্ত্তমানসময়ৰ বাবেও অতি প্ৰাসঙ্গিক। প্ৰণৱানন্দ ভট্টাচাৰ্য্যৰ 'শ্ৰীমদ্ভাগৱত গীতাৰ কৰ্ম, জ্ঞান আৰু কৰ্ম সন্ন্যাস যোগ' শীৰ্ষক প্ৰবন্ধটিৰ ভাষা অতি প্ৰাঞ্জল আৰু তত্ত্বগভীৰ। অধ্যাপক ভৱেন বৰুৱাৰ 'বন্ধুৰ ৰিং' নামৰ কবিতাটিয়ে সত্তৰ দশকৰ আৰম্ভণিচোৱাত জনপ্ৰিয়তা লাভ কৰা নতুন আংগিকৰ নষ্টালজিক ৰোমান্টিচিজ্‌মক উপযুক্তৰূপে প্ৰতিনিধিত্ব কৰিছে। সম্পাদকীয়ই ক্ৰমবৰ্দ্ধমান দুৰ্নীতি, নিবনুৱা সমস্যা আৰু অসম চৰকাৰৰ পৰিকল্পনা, অসমৰ অস্থায়ী ৰাজধানী নিৰ্মাণ, চিমলা চুক্তি আদি কেইটামান গুৰুত্বপূৰ্ণ বিষয়ক সাঙুৰি লোৱাত সেই কালচোৱাত বিষয়কেইটাই যুৱমানসিকতাক কেনেদৰে চুই গৈছিল, তাৰ এটা প্ৰতিনিধিত্বমূলক মূল্য আছে।

কানৈ কলেজ আলোচনী ঃ একত্ৰিংশতিতম সংখ্যা

সম্পাদক ঃ সঞ্জীৱ বৰা ঃ১৯৭৬ - ৭৭ খ্রীঃ

অসমীয়া আৰু ইংৰাজী ভাষাৰ মুঠ বাৰটি প্ৰবন্ধ, চৈধ্যটি কবিতা, ছটি চুটি গল্প আৰু অন্যান্য ৰচনাৰে অলংকৃত এই সংখ্যাৰ কাঁনৈ কলেজ আলোচনীৰ অন্যতম বিশেষত্ব হ'ল ইয়াৰ সুদীৰ্ঘ সম্পাদকীয়টি, য'ত সেই সময়ৰ কাঁনৈকলেজৰ শৈক্ষিক বাতাবৰণৰ এখন সুস্পষ্ট ছবি পোৱাৰ লগতে ভাৰতবৰ্ষৰ ষষ্ঠ লোকসভাৰ নিৰ্ব্বাচনৰ সময়চোৱাত ঘটা ৰাজনৈতিক বিঘটন, ইন্দিৰা গান্ধী চৰকাৰৰ পতন, জনতা চৰকাৰৰ শাসনভাৰ গ্ৰহণ আদিৰ অন্তৰালত থকা ভাৰতীয় গণতন্ত্ৰৰ নেতিবাচক দিশসমূহো আঙুলিয়াই দেখুৱাবলৈ চেষ্টা কৰা হৈছে। সমাজবাদী চিন্তাধাৰাৰ স্পষ্ট প্ৰভাৱ থকা সম্পাদকৰ ভাষাত "আজি আমাৰ সাহিত্য হব লাগিব দেশৰ অগণন মানুহৰ বাবে । ভাৰতবৰ্ষৰ দৰে এখন ওৰ্জ্জ ঔপনিবেশিক, ওৰ্জ্জ সামন্ততান্ত্ৰিক দেশৰ সেই অগণন মানুহক জনসাধাৰণৰ বাবে কলম লোৱা প্ৰতিজন লেখক লেখিকাই চিনি পোৱাটো উচিত। আমাৰ আলোচনীৰ দুৱাৰ, সৰ্বহাৰা শ্ৰেণীৰ স্বাৰ্থৰ সকে কলম লোৱা প্ৰতিজন লেখক লেখিকাৰ বাবে আমি মুকলি থকাটো বিচাৰো।" একেটি দৰ্শনৰ ভিত্তিতে আলোচনীখনত দীপেন্দ্ৰ নাথ কাকতীৰ 'দ্বন্দমূলক বস্তুবাদ কি?', অঞ্জনা গোস্বামীৰ 'চীনৰ সমাজ ব্যৱস্থাৰ বিষয়ে দু-আষাৰ', অঞ্জু বৰকটকীৰ 'বিশ্বৰ শ্ৰমিক শ্ৰেণী ঐক্যবদ্ধ হোৱা' আদি প্ৰৱন্ধ আৰু 'হেগেল ঃ এপিগ্ৰাম' (কালমাক্স), 'সুন্দৰ পৰিবেশ' ( হো-চি-মিন), 'নৱবৰ্ষ' (মাও-ছে তুঙ),'আহ্বান' (লেনিন) আদি ভিন্ন ভাষাৰ অনুদিত কবিতাই আলোচনীখনক গাম্ভীৰ্য প্ৰদান কৰিছে। পুথি সমালোচনা শিতানত কমলাকান্ত গোস্বামী আৰু সৰ্ব্বানন্দ দেউৰী ভঁৰালীয়ে ক্ৰমে নবীন বৰুৱাৰ 'ফিনিক্স পখীৰ গান' আৰু জয়ন্ত ৰংপীৰ 'পুৱাতে এজাক ধনেশ' গ্ৰন্থদুখনিৰ সম্যক পৰিচয় দাঙি ধৰিবলৈ সক্ষম হৈছে।

কাঁনৈ কলেজ আলোচনী ঃ ত্ৰয়ত্ৰিংশতিতম সংখ্যা

সম্পাদক ঃ প্ৰভাতপ্ৰাণ কোঁৱৰ ঃ১৯৭৮ - ৭৯ খ্ৰীঃ

এই সংখ্যাৰ আলোচনীত প্ৰকাশিত বিভিন্ন ৰচনাৱলীৰ ভিতৰত দিলীপ ভঁৰালীৰ প্ৰৱন্ধ 'দেউৰী সমাজ-সংস্কৃতিত এভুমুকি'ক দেউৰী জনগোষ্ঠীৰ সমাজ ব্যৱস্থা তথা সাংস্কৃতিক পৰম্পৰাৰ এক স্বচ্ছ প্ৰতিচ্ছবিৰ আখ্যা দিব পাৰি। আলোচনীখনৰ সম্পাদকীয় আৰু দুই এটা কবিতাৰ বাহিৰে সেই সময়ত ভৰপক হৈ থকা অসম আন্দোলনৰ কোনো ৰচনাতে আভাস পোৱা নেযায়।

কাঁনৈ কলেজ আলোচনী ঃ পঞ্চত্ৰিংশতিতম সংখ্যা

সম্পাদক ঃ মনোজ কুমাৰ বৰুৱাঃ১৯৮১-৮২ খ্ৰীঃ

মনোজ কুমাৰ বৰুৱাৰ দ্বাৰা সম্পাদিত এই সংখ্যাৰ কাঁনৈ মহাবিদ্যালয় আলোচনীয়ে মুঠ দহটা প্ৰবন্ধ, বাৰটা কবিতা আৰু ছটা চুটিগল্পৰ লগতে ড° মহেন্দ্ৰ বৰা আৰু সুগায়িকা ডলী ঘোষৰ দুটি সুদীৰ্ঘ সাক্ষাৎকাৰ প্ৰকাশ কৰিছে। দিব্যজ্যোতি মহনৰ 'কলা হিচাপে ভাৰতীয় চলচ্চিত্ৰ শিল্প', মঃ ফজলুৰ ৰহমানৰ 'মাৰ্ক্সৰ দৃষ্টিভংগীত পুঁজিবাদ আৰু অসমৰ পুঁজিঁবাদৰ ক্ৰমবিৱৰ্ত্তন' আদি প্ৰৱন্ধই নিজস্ব বিষয়বস্তুৰ পৰিসৰত মৌলিক চৰিত্ৰ বহন কৰিছে।

কাঁনৈ কলেজ আলোচনী ঃ সপ্তত্ৰিংশতিতম সংখ্যা

সম্পাদক ঃ কল্যাণী বৰুৱাঃ ১৯৮৩ - ৮৪ খ্ৰীঃ

সাতত্ৰিশতম সংখ্যাৰ আলোচনী সম্পাদনা সমিতিয়ে 'কাঁনৈ মহাবিদ্যালয় আলোচনী'খনক 'কাঁনৈয়ান'লৈ নামান্তৰ কৰে । এই আলোচনীতে আশীদশকৰ এটি প্ৰাসংগিক বিষয় 'আমেৰিকাৰ নাৰী জাগৰণ আৰু ভাৰতবৰ্ষত নাৰীৰ স্থান' শিৰোনামাৰে বুলবুলি ভট্টাচাৰ্য্যৰ এটি প্ৰৱন্ধ প্ৰকাশ পাইছে। মানদণ্ড বিশিষ্ট ভালেকেইটা কবিতা আৰু প্ৰৱন্ধৰ ভিতৰত অতুল হাজৰিকাৰ 'অসমৰ জনসংখ্যা আৰু সম্পদ' শীৰ্ষক নিৱন্ধটিয়ে প্ৰসংগভিত্তিক বিশ্লেষণৰ মান দাবী কৰিব পাৰে।

কাঁনৈ কলেজ আলোচনী ঃ অষ্টত্ৰিংশতিতম সংখ্যা।

সম্পাদক ঃ কামিনী কুমাৰ গোঁহাই ঃ ১৯৮৬ - ৮৭ খ্ৰীঃ

মাজৰ দুটা বছৰৰ বিৰতিৰ পাচত ১৯৮৬ - ৮৭ শিক্ষাবৰ্ষত প্ৰকাশ পোৱা আঠত্ৰিশতম সংখ্যাৰ 'কাঁনৈয়ান'ৰ অন্যতম গুৰুত্বপূৰ্ণ দিশটো হ'ল ইয়াৰ কবিতা আৰু গল্পসংগ্ৰহটি । বিশেষকৈ দুৰ্লভজ্যোতি চুতীয়াৰ 'স্মৃতি', বেণীমাধৱ ভট্টাচাৰ্য্যৰ 'হে অৰণ্য, মহাৰণ্য', জানদত্তৰ 'আজিৰ ছবি' আদি কবিতাত আধুনিক কবিতাৰ প্ৰায়খিনি বৈশিষ্টই পৰিশীলিত ৰূপত দৃশ্যমান। গল্প সম্ভাৰৰ ভিতৰত জয়ন্ত

সন্দিকৈৰ 'সেউজীয়া পাতত এজাঁজলি ৰ'দ', বীৰেণ ফুকনৰ 'বাঁহী' আদি গল্পই কলেজীয়া ছাত্ৰৰ অন্যতম প্ৰিয় বিষয় সংবেদনশীল বিষয়বস্তু বাচি লৈছে। অধ্যাপক ড° আতিকুদ্দিন আহমেদৰ 'উত্তৰ পূব ভাৰত - এটি ভূ-অৰ্থনৈতিক পৰ্য্যবেক্ষণ' শীৰ্ষক প্ৰৱন্ধটিয়ে যথেষ্ট যত্নসহকাৰে উত্তৰপূৰ্বাঞ্চলৰ ভূ-অৰ্থনৈতিক সম্ভাৱনাৰ বিশ্লেষণ কৰি এক আশাব্যঞ্জক চিন্তাৰ বাট মুকলি কৰিছে।

কানৈ কলেজ আলোচনী ঃ ঊনচত্বাৰিংশতিতম সংখ্যা

সম্পাদক ঃ নৰজ্যোতি শইকীয়া ঃ ১৯৮৭ - ৮৮ খ্ৰীঃ

এই সংখ্যাৰ কানৈয়ানত প্ৰকাশিত দীপক পেগুৰ 'মিছিং লোকগীতত বিবিধ উপমা' প্ৰৱন্ধটোত মিচিং সমাজত সদা প্ৰচলিত ফকৰা-যোজনা আৰু লোকগীত সমূহৰ জৰিয়তে ফুটি উঠা জনজীৱনৰ এখন হুবহু প্ৰতিচ্ছবি তুলি অনা হৈছে। জনজাতীয় ভাষা সাহিত্য আৰু সামাজিক পৰম্পৰা সমূহৰ বিষয়ে অধ্যয়ন কৰা সকলৰ বাবে ই মূল্যবান সংগ্ৰহ হব পাৰে। লোক বিকাশ গগৈৰ 'বেজবৰুৱাৰ স্বাধীন চিতিয়া মনোভাৱ আৰু বৰ্তমানৰ যুৱসমাজ' শীৰ্ষক পৰ্য্যালোচনামূলক প্ৰবন্ধটিত লিখকে স্ব-সংস্থাপন আৰু স্বাৱলম্বনৰ সপক্ষে আন্তৰিকতাৰে নিজ পক্ষপাতিত্ব প্ৰদৰ্শন কৰিছে। এই কানৈয়ানতে প্ৰকাশিত ভূষণজ্যোতি সন্দিকৈৰ এটি কবিতা তুলি আনিলো -

'শৰৎ
এতিয়া তাইৰ অভিমান
আৰু একোব চৰিল
বেলি দুপৰলৈকেও এৰিব নোখোজে ওৰণিখন'।

কানৈয়ান ঃ চত্বাৰিংশতিতম সংখ্যা

সম্পাদক ঃ পানীৰাম ডেকা মৰাণ ঃ ১৯৮৮ - ৮৯ খ্ৰীঃ

ৰূপমা সিংহই হিমালয় বক্ষৰ 'দ্ৰৌপদী কা দাণ্ডা' নামৰ ১৮,৭০০ ফুট ওখ শৃঙ্গটি আৰোহণ কৰি আহি কানৈয়ানত লিখা 'মোৰ পৰ্ব্বত আৰোহণ যাত্ৰা' শীৰ্ষক ৰচনাটিয়ে পাঠকক পৰ্বত আৰোহণৰ আমেজ দিয়াৰ উপৰিও পৰ্বত আৰোহণৰ বাবে আৱশ্যকীয় নানা তথ্যৰ যোগান ধৰিব পাৰে। মানস প্ৰতীম দত্তৰ 'Atmospheric Pollution on Cultural Property' প্ৰৱন্ধটিয়ে ভাৰতবৰ্ষৰ চহৰাঞ্চলত অৱস্থিত ঐতিহাসিক কীৰ্তি চিহ্নসমূহৰ সৌন্দৰ্য্য প্ৰদূষণৰ প্ৰভাৱত কিদৰে ক্ষতিগ্ৰস্থ হৈছে তাৰ এটি বিশ্লেষণাত্মক ব্যাখ্যা দাঙি ধৰিছে।

কানৈয়ান ঃ একচত্বাৰিংশতিতম সংখ্যা

সম্পাদক ঃ সুনীল ৰাজকোঁৱৰ ঃ ১৯৮৯ - ৯০ খ্ৰীঃ

একচত্বাৰিংশতিতম সংখ্যা কানৈয়ানৰ অন্যতম অলঙ্কাৰ হল ইয়াত সন্নিবিষ্ট স্মৃতি চাৰণমূলক প্ৰৱন্ধ কেইটা। বিশেষকৈ ড° যোগীৰাজ বসু, ড° লক্ষ্মীপ্ৰসাদ দত্ত আৰু স্বৰ্গীয় সুনীল চন্দ্ৰ বৰঠাকুৰৰ জীৱন পৰিক্ৰমা আৰু শৈক্ষিক তথা বৌদ্ধিক জগতলৈ কেওগৰাকী ব্যক্তিৰ অনবদ্য অৱদান সমূহৰ বিষয়ে সম্পাদনা সমিতিয়ে যথেষ্ট তথ্য সহকাৰে স্মৃতি অৰ্ঘখিনি প্ৰস্তুত কৰিছে। ইয়াৰ উপৰিও নতুন শিতান 'সংস্কৃতি সৌৰভ'ত সন্নিবিষ্ট শংকৰ সোণোৱালৰ 'সোণোৱাল কছাৰীৰ বিষয়ে চমু আভাষ', অতিচৰ দন্দ চুতাৰৰ 'অসম চাহ জনগোষ্ঠীৰ সংস্কৃতিঃ বাদ্য যন্ত্ৰ', কৃষ্ণমণি নাথৰ 'শ্ৰী শ্ৰী মায়ামৰা দিনজয় সত্ৰৰ সত্ৰীয়া সংস্কৃতিৰ ৰেঙণিঃ গায়ন বায়ন' আদি নিবন্ধই সংশ্লিষ্ট বিষয় কেইটা জানিবৰ বাবে আগ্ৰহী পাঠকক সহায় কৰিব পাৰে।

কানৈয়ান ঃ দ্বিচত্বাৰিংশতিতম সংখ্যা

সম্পাদকঃ সুবোধ কুমাৰ সোণোৱাল ঃ ১৯৯০-৯১ খ্ৰীঃ

এই সংখ্যাৰ কানৈয়ানত প্ৰকাশিত মৃনাল কুমাৰ গগৈৰ 'নৱৈৰ উপকণ্ঠত মই মানুহৰ কবি' শীৰ্ষক প্ৰৱন্ধই কবিন ফুকন, বিপুল জ্যোতি শইকীয়া, অনন্ত তাঁতি, আনিছ - উজ-জামান, সমীৰ তাঁতি, অনুভৱ তুলসী, নীলিম কুমাৰ আদি সম্প্ৰতিকালৰ কেইবাগৰাকী প্ৰথিতযশা কবিৰ কবিতাৰ বিভিন্ন দিশক গভীৰ ভাবে আলোচনা কৰিছে। কেওজন কবিৰ কবিতাত থকা মানৱীয় সংবেদনশীলতাখিনিৰ

গনেষণামূলক আলোকপাতে স্পষ্ট মৌলিকত্ব আৰু সুসংহত বিশ্লেষনৰ মান দাবী কৰিব পাৰে। সেইদৰে সুনীল ৰাজকোঁৱৰৰ 'নিৰাশাবাদ এক অপৰাধ' প্ৰৱন্ধটোৱে নব্বৈৰ দশকত জনপ্ৰিয়তা লাভ কৰা আত্মকঠনমূলক চমু নিৱন্ধৰ প্ৰায়খিনি বৈশিষ্টই বহন কৰিছে। তেওঁৰ ভাষাত- "যাৰ মনত নিৰাশা আৰু ব্যাকুলতাৰ প্ৰাদুৰ্ভাৱ ঘটে, তেওঁ স্পষ্টভাৱে চিন্তা কৰিবলৈ শক্তি হেৰুৱায়, তেওঁৰ দৃষ্টিকোণ স্পষ্ট নহয়, তেওঁৰ বিচাৰ উৎসাহপূৰ্ণ, যুক্তি পূৰ্ণ আৰু সাহসী নহয়। ···· আশাবাদেই হৈছে নিৰ্মাণৰ ভেটি আৰু মানসিক সূৰ্য্যোদয় স্বৰূপ।" যামিনী ফুকনে 'পুৰণি ছবিৰ চিনাকি এলবাম' শিৰোনামাৰে লিখা স্মৃতি কথাখিনিয়ে কানৈ কলেজৰ এসময়ৰ শৈক্ষিক পৰিবেশ আৰু শিক্ষক সকলৰ পৰিচয় অতি ৰসোত্তীৰ্ণ ভাবে দাঙি ধৰিছে। এই 'কানৈয়ান'তে দীপক কুমাৰ বড়া, তৃষ্ণা নেওঁগ, আইমাণু সোণোৱাল, পলী চমুৱা আদি ভালে কেইগৰাকী সম্ভাৱনাময় কবিয়ে আত্ম প্ৰকাশ কৰিছিল যদিও তেওঁলোকৰ লেখা এতিয়া পোৱা নাযায়।

কানৈয়ান ঃ পঞ্চচত্বাৰিংশতিতম সংখ্যা

সম্পাদক ঃ নৱজিৎ দেউৰী ঃ ১৯৯৩-৯৪ খ্ৰীঃ

ষোল্লটা ইংৰাজী-অসমীয়া প্ৰৱন্ধ, তিনিটা চুটি গল্প , বাৰটা কবিতা আৰু বিভিন্ন সানমিহলিৰে সমৃদ্ধ এই সংখ্যাৰ কানৈয়ানৰ অন্যতম সম্পদ হ'ল - 'কলাজত সময়ৰ আৰ্তস্বৰ' নামৰ ৰাজীৱ গগৈৰ উপন্যাসিকাখন। সেইদৰে ৰনজিৎ গগৈৰ কবিতা -

"ওলাবা এদিন
চৰাইপুঙত চৰাই উৰাবলৈ যাম
তোমাৰ ওঁঠৰ আমৰলীয়া সুৰুঙাৰে
স্পৰ্শ কৰি চাম
মোৰ দেশৰ সেউজীয়া আকাশ।" -ৰ গভীৰ আশাবাদে পাঠকক প্ৰেৰণা যোগায়। ইয়াৰ উপৰিও মৃণাল কুমাৰ গগৈৰ স্মৃতিলেখা 'কানৈ কলেজ'ত যৌৱনৰ পাঁচবছৰীয়া জীৱনৰ অন্বেষণ', সুমিত সিংহৰ ইংৰাজী প্ৰৱন্ধ 'EDUCATION OR EDU-CASH-ON?' আদিয়ে আলোচনী খনৰ গুৰুত্ব বৃদ্ধি কৰিছে।

কানৈয়ান ঃ ষষ্ঠচত্বাৰিংশতিতম সংখ্যা

সম্পাদক ঃ ৰাজীৱ গগৈ ঃ ১৯৯৪-৯৫ খ্ৰীঃ

ষোল্লটা প্ৰৱন্ধ, চাৰিটা চুটি গল্প, চৈধ্য টা কবিতা আৰু বহুজন অতিথি লিখকৰ নিপুণ কলমৰ সৃষ্টিৰে সমৃদ্ধ এই কানৈয়ানত প্ৰাক্তন অধ্যক্ষ ডিম্বেশ্বৰ চলিহাদেৱে 'কানৈ কলেজৰ বিগত পঞ্চাশটা বছৰ' শিৰোনামাৰে এটি সুদীৰ্ঘ নিবন্ধ লিখিছে। কানৈ কলেজৰ জন্মৰ আঁৰৰ পৰিস্থিতি; যিসকল ব্যক্তিৰ সদিচ্ছা, শ্ৰম আৰু বদান্যতাত এই বৃহৎ অনুষ্ঠানটি গঢ়ি উঠিল, তেখেতসকলৰ শ্বাশ্বত অৱদান আদিৰ বিষয়ে প্ৰায়বোৰ তথ্য আৰু স্মৃতি বিজড়িত ঘটনা এই নিৱন্ধটোৱে সামৰি লৈছে। ইয়াতে প্ৰকাশিত বিজয় কুমাৰৰ 'মৰণৰ উৰ্ধত জীৱনৰ সাধনা' প্ৰৱন্ধটোৱে প্ৰকৃতিৰ বাধাৰ বিৰুদ্ধে মানুহৰ জয় যাত্ৰাৰ সুসংহত ব্যাখ্যাই পাঠকক আকৃষ্ট কৰিছে। '১৯৯৪ চনৰ বিজ্ঞানৰ নৱেল বঁটা' শিৰোনামাৰে আৰম্ভ কৰা অতি প্ৰাসঙ্গিক ৰচনাটি অধ্যাপক টিকেন্দ্ৰজিৎ গগৈয়ে প্ৰতি সংখ্যাৰ কানৈয়ানতে লিখাৰ কথা ভাবিলে কামত আহিব। জ্যোৰ্তিময় হাজৰিকাৰ 'সমীক্ষাঃতেজ, কবিতা, সপোন আৰু সময়' নামৰ উপন্যাসিকাখনিত চমু পৰিসৰতে নব্বৈ দশকৰ আৰম্ভণিতে বিশেষভাৱে জনপ্ৰিয়তা লাভ কৰা আত্মকথনমূলক বিচিত্ৰ আঙ্গিক সম্পন্ন বিক্ষিপ্ত ৰচনা ৰীতিৰ স্পষ্ট প্ৰভাৱ পৰিছে। এনে ৰচনা ৰীতিৰ প্ৰতি থকা সম্পাদকৰ অনুৰাগক প্ৰতিনিধিত্ব কৰিছে আধুনিক অসমীয়া গদ্য সাহিত্যৰ প্ৰথিতযশা লিখক, সুসাহিত্যিক দেৱব্ৰত দাসৰ নতিদীৰ্ঘ সাক্ষাৎকাৰটোৱে।

কানৈয়ান ঃ সপ্তচত্বাৰিংশতিতম সংখ্যা

সম্পাদক ঃ মানস প্ৰতীম শৰ্মা ঃ ১৯৯৫-৯৬ খ্ৰীঃ

সুন্দৰ অলংকৰণ আৰু অনেক পৰিপুষ্ট লেখাৰে অলংকৃত কানৈয়ানৰ এই সংখ্যাটোৱে আমালৈ সুবাৰ্তা আনিব নোৱাৰিলে।

কানৈয়ানৰ ষষ্ঠবিংশতম সংখ্যাৰ সম্পাদক প্ৰতিভাসম্পন্ন সুকবি হিতেশ বিকাশ গগৈৰ মৃত্যু বাৰ্তা দি ৰাজীৱ গগৈয়ে লিখিলে - 'ঋতুবোৰ এনেকৈয়ে গুচি যায়।' স্বপন চুতীয়াই 'সুচিন্তা অনুশীলনৰ প্ৰতিকূলতা আৰু অসমৰ শিক্ষানুষ্ঠান' প্ৰবন্ধটোত অসমৰ সাম্প্ৰতিক শৈক্ষিক বাতাবৰণত বৌদ্ধিক অৱনতিৰ ওপৰত গভীৰ উদ্বেগেৰে আলোকপাত কৰিছে। সেইদৰে ড° আতিকুদ্দিন আহমেদৰ 'উচ্চ জীৱন নিৰ্বাহ, ব্যয় আৰু সৰ্বসাধাৰণৰ স্বাৰ্থ' প্ৰবন্ধটোত আধুনিক সমাজত দৈনন্দিন জীৱন নিৰ্বাহত মুখামুখি হোৱা বিভিন্ন সমস্যাক নানা দিশৰ পৰা বিশ্লেষণ কৰিছে। 'ৰহস্যজনক ঔষধ উহ্য বিষয়টিৰ প্ৰসংগত' শিৰোনামাৰে প্ৰমথেশ ডেকাই অনুবাদ কৰা G.K. Chesterson ৰ বিখ্যাত প্ৰবন্ধ 'On the Cryptic and the Elliptic'ত প্ৰকৃত সাংবাদিকতা আৰু নিৰপেক্ষ সংবাদ পৰিবেশনৰ আনুষংগিক অন্তৰায়বোৰক নিৰ্মোহ ভাৱে দাঙি ধৰিছে। সুপ্ৰসিদ্ধ চিত্ৰকৰ নীলপৱন বৰুৱাই কানৈয়ানৰ সাক্ষাৎ প্ৰসঙ্গত কৈছে - "পৃথিৱীখন মানুহে জ্ঞান আৰু সৌন্দৰ্য্যৰ ধাৰণাৰে শ্ৰমৰ যোগেদিহে সুন্দৰ কৰি আনিছে, অলৌকিক ক্ৰিয়াৰে নহয়। পৃথিৱী পশুত্বৰ পৰা দেৱত্বৰ ক্ষেত্ৰলৈ ৰূপান্তৰিত হৈছে শ্ৰমেৰে, সাধনাৰে - অলৌকিকতাৰে নহয়।"

কানৈয়ান ঃ অষ্টচত্বাৰিংশতিতম সংখ্যা

সম্পাদক ঃ সুৰজ কোঁৱৰ ঃ ১৯৯৬-৯৭ খ্ৰীঃ

তেৰটি প্ৰৱন্ধ, সাতটি চুটি গল্প, ওঠৰটা কবিতা, দুটি সাক্ষাৎকাৰ, এখনি সংক্ষিপ্ত উপন্যাসিকা আৰু নানা সানমিহলি লেখাৰে সম্পাদকে কানৈয়ানৰ এই সংখ্যাটি সজাই তুলিছে। অৰ্থনৈতিক উদাৰীকৰণৰ বতাহে চুই যোৱা ভাৰতবৰ্ষৰ শেহতীয়া অৱস্থিতি সম্পৰ্কে বাস্তৱসম্মত ব্যাখ্যা আগবঢ়োৱা ড° আতিকুদ্দিন আহমেদৰ 'প্ৰতিযোগিতামূলক অৰ্থনীতিঃএটি আভাস' প্ৰবন্ধটোৰে পৰিৱৰ্ত্তিতঅৰ্থনীতিত নিয়োগৰ সমস্যা ৰাজিক গভীৰ শংকাৰে আলোকপাত কৰিছে। দিগন্ত গগৈৰ 'তৰুণ অসমীয়া কবিতাত সমকালীন অসমৰ প্ৰতিচ্ছবি' প্ৰবন্ধটোৰে বিষয়বস্তুৰ মৌলিকত্বৰ মান দাবী কৰিব পাৰে। সেইদৰে চৰকাৰী-বেচৰকাৰী বন্ধই ভাৰতৰ সমাজ ব্যৱস্থা আৰু অৰ্থনীতিত পেলোৱা কু-প্ৰভাৱৰ বিষয়ে মাধৱজ্যোতি দেউৰীয়ে 'উন্নয়নশীল দেশৰ অৰ্থনীতিত বন্ধৰ প্ৰভাৱ' প্ৰবন্ধটিত স্পৰ্শকাতৰতাৰে আলোচনা কৰিছে।

কানৈয়ান ঃ ঊনপঞ্চাশতিতম সংখ্যা

সম্পাদিকা ঃ তৰালি গগৈ ঃ ১৯৯৭-৯৮খ্ৰীঃ

এটি ৰৌদ্ৰোজ্জ্বল প্ৰভাতত কানৈ মহাবিদ্যালয়ৰ আশাব্যঞ্জক ছবিখনে তৰালি গগৈৰ সম্পাদনাত প্ৰকাশিত এই সংখ্যাৰ কানৈয়ানৰ বেতুপাটটিক যিদৰে অৰ্থবহ কৰি তুলিছে, একেটি বেটুপাততে শিল্পী দিপাঙ্কৰ গোহাঁইয়ে শান্তি আৰু প্ৰজ্ঞাৰ বাবে আমাৰ দায়বদ্ধতাৰ কথাও সোঁৱৰাই দিবলৈ পাহৰা নাই। তেৰটা প্ৰবন্ধ, চাৰিটা চুটি গল্প, তেৰটা কবিতা আৰু অন্যান্য ৰচনাৰে সমৃদ্ধ এই সংখ্যাৰ কানৈয়ানত প্ৰৱক্তা কল্যাণী দাসে - 'অসমীয়া ভাষায়ৈ শংকৰদেৱশ্য অৱদানম' শিৰোনামাৰে প্ৰথমবাৰৰ বাবে সংস্কৃত ভাষাত এটা প্ৰবন্ধ লিখিছে। ইয়াৰ উপৰিও অধ্যাপক জয় কৃষ্ণ মহন্তৰ 'অক্মীয়া নাটৰ বৈশিষ্ট আৰু শিল্প সুষমা', যাদৱ গগৈৰ 'অসমীয়া সমাজত ফকৰা যোজনাৰ প্ৰভাৱ', ড° আতিকুদ্দিন আহমেদৰ 'অৰ্থনৈতিক উন্নয়নৰ কিছু প্ৰাসংগিক চিন্তা' আদি প্ৰৱন্ধ আলোচনীখনৰ অন্যতম অলংকাৰ। এন্টন চেখভৰ প্ৰখ্যাত গল্প 'ভাংকা'ৰ প্ৰদীপ্ত গগৈয়ে কৰা মুকলি অনুবাদ সুষম আৰু পঢ়ি ভাল লগা হৈছে।

প্ৰসঙ্গৰ সামৰণিত ঃ

কাল বিৱৰ্তনৰ লগে লগে পৃথিৱীত সকলো কথাই সলনি হয়। পঞ্চাশ দশকৰ কানৈ কলেজ আৰু আজিৰ একবিংশ শতিকাৰ দুৱাৰদলিৰ কানৈ কলেজৰ মাজত অনেক পাৰ্থক্য। সময়ৰ কুটিল পৰিক্ৰমাত এসময়ৰ সুদৃশ্য বিদ্যাভৱনটিৰ ৰং কৰবাত উৰলি গৈছে আগচোতালৰ পাইন কেইজোপাক বাৰ্ধক্যই সাৰটি ধৰিছে। সুনিৰ্ধাৰিত পাঠ্যক্ৰমত নাম ভৰ্তি কৰা ছাত্ৰ-ছাত্ৰীসকল উদ্দেশ্য পূৰণৰ পাচতে চৌদিশে সিঁচৰতি হৈ পৰিছে, কোনোবা হয়তো পুনৰ শিক্ষক কৰ্মচাৰী হৈ উভটি আহিছে। গৰিষ্ঠ সংখ্যক পুৰণি অধ্যাপকে অৱসৰ গ্ৰহণ কৰিছে , লগে লগে একোটা যুগ শেষ হৈছে; অনেক জনৰ নিৰৱিচ্ছিন্ন অক্লান্ত অৱদান বিস্মৃতিৰ গৰ্ভত বুৰ গৈছে। ইয়াৰ মাজতে

কানৈয়ানে প্ৰতিটো বিৱৰ্ত্তিত স্তৰৰ চাক্ষুক সাক্ষী হৈ কণমাণি বক্ষতে স্মৃতিৰ বিপুল সম্ভাৰ বহন কৰিবলৈ সক্ষম হৈছে। আমাৰ দৃষ্টিত এই আলোচনীসমূহত প্ৰকাশিত বিভিন্ন লিখনিসমূহ একো একো সাহিত্য কৰ্মই নহয়, বৰঞ্চ কানৈ কলেজৰ বিগত সময়খিনিৰ বৌদ্ধিক পৰিবেশৰ একো একোটা স্মৃতি স্তম্ভও। আমি পাৰ্য্যমানে চেষ্টা কৰিছো এই কানৈয়ানৰ পৰা সময়ক প্ৰতিনিধিত্ব কৰিব পৰা লেখাসমূহ বাচি উলিয়াবলৈ; যদিও আমাৰ অসাৱধানতা, অনভিজ্ঞতাই বহু মানবিশিষ্ট ৰচনাকো আলোচনাৰ মাজলৈ আহিবলৈ দিয়া নাই। তদুপৰি বিষয়বস্তুৰ পৰিসৰ আৰু গুৰুত্ব; দুয়োদিশৰ পৰা আৰু বহু দিশ সামৰি লোৱাৰ থল আছিল যদিও অতিমাত্ৰা ব্যাপক হোৱাৰ আশংকাত সেই ইচ্ছা সম্বৰণ কৰা হ'ল। প্ৰস্তাৱনা সংখ্যাকে ধৰি বহুকেইটা সংখ্যা কলেজ লাইব্ৰেৰীত সংৰক্ষিত নথকাত সেই আলোচনীসমূহ আলোচনাৰ পৰা বাদ পৰি গ'ল। পাঠকক জনাব পৰা নহ'ল কেতিয়া আৰু কেনেকৈ কানৈয়ানৰ নাম 'ডিব্ৰু কলেজ আলোচনী'ৰ পৰা 'কানৈ কলেজ আলোচনী' আৰু 'কানৈ কলেজ আলোচনী'ৰ পৰা 'কানৈয়ান' হ'ল। সকলোখিনি অসম্পূৰ্ণতা সবিনয়ে স্বীকাৰ কৰা হৈছে।

কানৈয়ানৰ বৰ্ণাঢ্য, সুদীৰ্ঘ পৰিক্ৰমাই আমাক এক মহান উপলব্ধি প্ৰদান কৰিলে। পণ্ডিত ড° যোগীৰাজ বসু কানৈ কলেজৰ অধ্যক্ষ হৈ থকাৰ কালচোৱাত প্ৰায় ধাৰাবাহিকভাৱে কানৈ কলেজ আলোচনীত লিখি আছিল আৰু এই প্ৰায়বিলাক ৰচনাৰে বিষয়বস্তু আছিল- বেদান্ত দৰ্শন আৰু বৈদিক ভাৰতৰ শিক্ষা ব্যৱস্থা। সেইদৰে ড° ডিম্বেশ্বৰ চলিহাই বিভিন্ন বিজ্ঞান বিষয়ক ৰচনাৰে কানৈয়ানৰ পাত শুৱনি কৰিছিল। ড° আতিকুদ্দিন আহমেদে আশীদশকৰ আৰম্ভণিৰে পৰা কানৈয়ানৰ পাতত অৰ্থনীতি বিষয়ক বিভিন্ন লেখা আগবঢ়াই আহিছে। শ্ৰদ্ধেয় ড° বসু আৰু ড° চলিহাৰ জীৱনকালতে কানৈ কলেজৰ ভালেকেইটা স্তৰ পাৰ হৈছিল যদিও বেদান্ত দৰ্শনৰ শ্বাশ্বত স্বৰূপ আৰু প্ৰাকৃতিক বিজ্ঞানৰ ধ্ৰুৱকীয় বৈশিষ্ট্যৰ বাবে বিষয়বস্তুৰ পৰিৱৰ্তন হোৱা নাছিল। আনহাতেদি সমাজ বিজ্ঞানৰ চিৰন্তন গতিশীলতা আৰু প্ৰাসংগিকতাৰ দাবীয়ে ড° আহমেদৰ বিষয়বস্তুক সম্পদ, জনসংখ্যা, নিবনুৱা সমস্যাৰ পৰা ক্ৰমাৎ সলনি কৰি অসমৰ ভূ-অৰ্থনৈতিক সম্ভাৱনা, প্ৰতিযোগিতামূলক মুক্ত অৰ্থনীতি আদি সদ্য প্ৰাসংগিক বিষয়লৈ উত্তৰণ ঘটাইছে। সেইদৰে সুসংহত সাহিত্য কৰ্মৰ বাবে আবেগময়তা, সংবেদনশীলতাৰ লগতে ভাৱ-সংযমৰো যে একান্ত আৱশ্যক, সেয়া এই আলোচনীসমূহত প্ৰকাশিত চুটি গল্পসমূহৰ দ্বাৰা প্ৰমাণিত হৈছে। ভালেকেইটা গল্পই অতি সংবেদনশীল বিষয়বস্তু নিৰ্ব্বাচন কৰা স্বত্বেও তীব্ৰ ভাৱোচ্ছাস আৰু অতিমাত্ৰা আবেগময়তাৰ বাবেই সেইয়া চুটি গল্প হোৱাৰ পৰা কিছু আঁতৰত থাকিল। নব্বৈ দশকৰ আগচোৱাত আধুনিক অসমীয়া কবিতাই ক্ৰমাৎ সাধাৰণ পাঠকক আকৃষ্ট কৰিবলৈ লৈছিল আৰু তাৰ পৰিপ্ৰেক্ষিততে সেই সময়ৰ কেউখন 'কানৈয়ান'তে কবিতাৰ ওপৰত কেইটিমান সুন্দৰ প্ৰবন্ধ প্ৰকাশ হৈছিল। অনাগত সময়বোৰত 'কানৈয়ান'ৰ সাহিত্য অধিক সুগভীৰ আৰু সেই সাহিত্যৰ বুকুত সময় অধিক স্বচ্ছতাৰে বন্দী হ'ব; তেনে সপোন আমাৰ অধিকাৰ বুলি গণ্য কৰোঁ।

বিনোদ বড়া
প্ৰবক্তা, ৰাজনীতি বিজ্ঞান বিভাগ

কৃতজ্ঞতা স্বীকাৰ ঃ
- আলোচনীসমূহ যত্ন সহকাৰে যতনাই দিয়া সম্পাদিকা কান্তা কাৱেৰী সোণোৱাল।
- 'কানৈয়ান'ৰ পূৰ্বৰ সম্পাদক-সম্পাদিকাসকল, যাৰ পৰা বিভিন্ন প্ৰসংগত নানা উদ্ধৃতি গ্ৰহণ কৰা হৈছে।

❑❑❑

# ডিব্ৰুগড় কলেজৰ বছেৰেকীয়া সংগীত সন্মিলনৰ সভাপতিৰ অভিভাষণ

৩০ - ৪ - ৪৮

শ্ৰীযুত জ্যোতি প্ৰসাদ আগৰৱালা

মৰমৰ ছাত্ৰ-ছাত্ৰীসকল আৰু সুধী সমাজ -

আজিৰ সন্মিলনলৈ দিয়া নিমন্ত্ৰণৰ বাবে আপোনাসকলৰ শলাগ লৈছোঁ। মানৱ সংস্কৃতিৰ শ্ৰেষ্ঠ সম্পদ সুকুমাৰ কলাৰ বিষয়ে বহলকৈ আপোনালোকক নকলেও হব। আমাৰ জীৱনত সংস্কৃতিৰ কি মূল্য, সুকুমাৰ কলাৰ কি স্থান - আদি যুগৰে পৰা সুকুমাৰ কলাই মানুহৰ সাংস্কৃতিক প্ৰগতিত কি সহায় কৰিছে আৰু মানুহৰ দিনটিয়া জীৱন সুন্দৰ কৰিবলৈ মধুৰ কৰিবলৈ - সুকুমাৰ কলাৰ কি দান, তাক আপোনাসকলে জানেই। তথাপিও সংস্কৃতি আৰু সুকুমাৰ কলাৰ বিষয়ে মোৰ মনত খেলোৱা দুই এটা কথা বোধকৰো ক'লে আপোনাসকলে আমনি নাপায়।

সাধাৰণতে আজি কালি সংস্কৃতি বুলিলে সুকুমাৰ কলাকেই বুজে কিন্তু অকল সুকুমাৰ কলাই মানুহৰ সংস্কৃতি নহয়। এইবোৰ মানৱ সংস্কৃতিৰ এভাগহে মাথোন। মানৱ সংস্কৃতিৰ আনটো ভাগ হৈছে মানুহৰ স্বভাৱগত সৌন্দৰ্য্যৰ প্ৰয়োগ। আৰু এই স্বভাৱৰ সৌন্দৰ্য্য প্ৰকাশ পায় মানুহৰ - মানুহৰ প্ৰতি ব্যৱহাৰত, - মানুহৰ মানুহৰ সৈতে সম্বন্ধত, মানুহৰ প্ৰাণী জগতৰ প্ৰতি হোৱা দৃষ্টিত: এজন ব্যক্তিৰ বা এটা জাতিৰ যদি এটা ভাগৰ উৎকৰ্ষ থাকি আন ভাগটোৰ নাথাকে তেন্তে সি পূৰ্ণসংস্কৃতি নহয়। পূৰ্ণসংস্কৃতি নহলেই মানুহৰ জীৱনত তাৰ সাম্য নাথাকে। এই Cultural balance নথকা ব্যক্তিয়েই হওক বা জাতিয়েই হওক মানৱ জীৱনৰ পূৰ্ণ আনন্দ লাভ কৰিবলৈ অক্ষম হয় - আৰু প্ৰায়েই অধঃপাতলৈ যায়। পৃথিৱীৰ বুৰঞ্জীত এই balanced culture অৰ দৃষ্টান্ত আজিলৈকে বৰ কমেইহে পোৱা গৈছে। আমাৰ ভাৰতত এদিন এনে এটা Cultural balance অৰ অৱস্থা যদিও এবাৰ পাইছিল - তথাপিও কেৱল মানুহৰ স্বভাৱকে সুন্দৰ কৰি আৰু তাতেই জীৱনৰ সকলো মূল্য দি - বাস্তৱ সংস্কৃতি সভ্যতাক মায়া বুলি উপেক্ষা কৰিবলৈ যাওঁতে - আমাৰ অধঃপতন হ'ল। আজি আকৌ পাশ্চাত্য দেশত সাংস্কৃতিক মূল্য নিদি কেৱল বস্তুসংস্কৃতিকেই সাৰ কৰিবলৈ যোৱাৰ ফলত - মানুহৰ জীৱনৰ পৰা আনন্দ নোহোৱা হৈ - ধ্বংশ আৰু সৰ্ব্বনাশ আহি মানৱ জাতিৰ দুৱাৰ দলিত ঠিয় হৈ বিকট হাঁহি মাৰিব লাগিছে। এই সংস্কৃতিৰ দুয়োভাগৰ মূল্য যেতিয়া মানৱ-জাতিয়ে ভালকৈ উপলব্ধি কৰি সেইদৰে সংস্কৃতি ৰচনা কৰি মানুহক সেই পূৰ্ণসংস্কৃতি balanced Culture অলৈ নিব পাৰিব তেতিয়াহে মানুহৰ পৃথিৱীলৈ শান্তি আহিব - আৰু মানুহ মহামহত্বৰ বাটেদি গৈ পৃথিৱীত আনন্দৰ স্বৰ্গৰাজ্য স্থাপন কৰিব পাৰিব। সেই কাৰণেই ক'ব খোজো বস্তুৰ মাজেদি প্ৰকাশিত হোৱা সংস্কৃতিৰ সমানে সমানে মানুহৰ স্বভাবৰ মাজেদি প্ৰকাশ হোৱা মানুহৰ সাংস্কৃতিও যদি প্ৰকাশ নহয় তেন্তে মানুহৰ সংস্কৃতি সম্পূৰ্ণ নহয়। সুকুমাৰ কলাৰ যদি এখন দেশত অতি উচ্চ বিকাশ হয় কিন্তু তাৰ মানুহৰ স্বভাৱ বনৰীয়া জন্তুৰ দৰেই হৈ থাকে - নিজৰ ভিতৰত খোৱা- কামোৰা হিংসা-হিংসি তেন্তে সেই সুকুমাৰ কলাৰ, সেই বস্তু সংস্কৃতিৰ কি অৰ্থ হ'ল? তাৰ মানুহৰ জীৱনত আনন্দ দিয়াৰ ফালৰ পৰা একো সাৰ্থকতাতো নহ'ল। সেইদৰেই যদি যোগ সাধনা কৰি, জিতেন্দ্ৰিয় হৈ মনটো পৰম শান্তিত ৰাখি বাস্তৱ জগতক এই সুন্দৰৰ প্ৰকাশক মায়া বুলি উৰাই দি হিমালয়ৰ গুহাত, সোমাই থাকিল তেন্তে এই বিশ্ব-সংসাৰৰ মহাপ্ৰকাশত যোগ দি জীৱন ৰচনাৰ আনন্দৰ পৰা আতৰি থকাত তেজ-মঙ্গহেৰে মানুহ হৈ পৃথিৱীলৈ অহাৰ অৰ্থ কি?

মানুহৰ ভিতৰ আৰু বাহিৰ মিলাইহে পূৰ্ণসংস্কৃতি হব। আজি আমাৰ সাংস্কৃতিক আদৰ্শ হব লাগিব এইটোৱেই। আজি নতুন ভাৰতে হেজাৰ বছৰৰ পাছত আকৌ নকৈ জন্ম পাই এই পূৰ্ণসংস্কৃতি ৰচনা কৰিব পাৰিলেই আমি নিখিল পৃথিৱীকে বাট দেখুৱাই নিব পাৰিম।

আজিৰ ভাৰতৰ তৰুণ তৰুণী আপোনালোক। আপোনালোকে আজি ভাৰতত এক নতুন সভ্যতা সংস্কৃতি

গঢ়িবলৈ ঠিয় হৈছে - তাৰ সূত্ৰ বিচাৰিছে, - তাৰ সপোন দেখিছে - সেই সংস্কৃতিৰ ৰূপ উপলব্ধি কৰিবলৈ সাধনা কৰিছে সেইহে মই মোৰ চিন্তাৰ দাৰিদ্ৰ্যৰেও মোক আপোনালোকে মাতি আনিছে দেখি - মোৰ মনৰ কথাষাৰি আপোনালোকক কবলৈ আগবাঢ়িছো।

মানুহৰ স্বভাৱৰ সৌন্দৰ্য্য সাধনাত যেনেকৈ সুকুমাৰ কলাক নিয়োজিত কৰিব পাৰি - সেই দৰেই স্বভাৱৰ সৌন্দৰ্য্যই সুকুমাৰ কলাকো মহত্ব দিয়ে। এই দৰে এই দুই ভাগে পাৰস্পৰিক সহায়েৰে দুইৰো উৎকৰ্ষ বিধান কৰি মানুহক প্ৰগতিৰ বাটেদি আগবঢ়াই নি মানুহৰ ভিতৰত অনন্ত সৌন্দৰ্য্য প্ৰয়াসী মনটোক প্ৰকাশৰ পৰা প্ৰকাশলৈ নি থাকে। এক প্ৰকাশৰ ভবিষ্যতৰ প্ৰকাশ সুকুমাৰ কলাৰ মাজেদি বিৰিঙি আহিব লাগিব। তাৰ মানে আচল সুকুমাৰ কলা Art হব লাগিব Futuristic ভাবিষ্যতিক। আৰু যি আৰ্টত এই ভৱিষ্যতে থানিকা লয়হি - অৰ্থাৎ মানৱ জাতি যি মহান বাস্তৱৰ সৃষ্টি কৰিবলৈ আদৰ্শ ধৰিছে সেই তালৈ বাট দেখুৱা দিগ নিৰ্ণয় কৰা পোহৰৰ চাকি হব, সিয়েহে আচল সুকুমাৰ কলা। আজিৰ জীৱনকো সি কৰি যাব লাগিব সুন্দৰ মধুৰ আৰু আনন্দৰে পূৰ। সেই কাৰণেই সুকুমাৰ কলা উপায়, Means ও আৰু end ও। সুকুমাৰ কলা প্ৰগতিৰ শ্ৰেষ্ঠ আহিলা - কাৰণ মানুহৰ মনক ইয়েই প্ৰভাৱ কৰিব পাৰে সকলোতকৈ বেছিকৈয়ে। নতুন ভাৰতৰ নতুন সমাজ গঢ়িবলৈ সেই কাৰণেই সুকুমাৰ কলাৰ ফালে আমি বিশেষভাৱে মন দিব লাগিব।

মানুহৰ স্বভাৱক সুন্দৰ কৰা সংস্কৃতিৰ যি প্ৰয়াস - সেইটো অহিংসাৰ প্ৰয়াস। আৰু অহিংসা মানুহে জীৱনৰ সকলো ক্ষেত্ৰতে প্ৰয়োগ কৰিলেই মানুহৰ সমাজৰ সকলো বৈষম্য নাই-কীয়াহে মানুহৰ পাৰস্পৰিক ব্যৱহাৰলৈ সৌন্দৰ্য্য নামিব। কেৱল nonkilling অকে মই অহিংসা বোলা নাই। শোষণ, পীড়ন, দমন, - স্বাৰ্থবাদ, প্ৰভূত্ব, ক্ষমতা লিপ্সুতা এইবোৰ সকলোৱেই হিংসা। সেই কাৰণেই মানুহৰ স্বভাৱৰ এই সকলোতে অহিংসা স্থিতি হ'লেহে মানুহৰ স্বভাৱ সংস্কৃতিৰ তলতীয়া হ'ব। মহাত্মাৰ এই সংস্কৃতিৰ বাণী অৱশ্যে বাস্তৱিক ক্ষেত্ৰত যিমান দূৰ প্ৰয়োগ কৰিব পাৰি তাক কৰিবলৈ আমি আগবাঢ়িছো। আৰু সময়ৰ লগে লগে বৈজ্ঞানিক ভাবে ইয়াক হিংসাৰ বিৰুদ্ধে কেনেকৈ প্ৰয়োগ কৰিব পাৰি তাৰ তত্ত্ব তথ্য আবিস্কাৰ হোৱাৰ সৈতে এই বিষয়ে আমি আগবঢ়াৰ সম্বন্ধ যথেষ্ট ।

সংস্কৃতি ইভাগত সুকুমাৰ কলা বিষয়ে আমি আজি কি কৰিম তাকেই অলপ আলোচনা কৰোঁ। সুকুমাৰ কলা বুলিলে আমি, প্ৰধানতে কবিতা, সংগীত আলেখ্য, স্থাপত্য আৰু ভাস্কৰ্য্যকে ধৰোহঁক। আজি কালিৰ প্ৰগতিশীল কবিতা কোন বাটেদি গৈছে তাক আপোনালোকে জানেই; তাৰো মূৰ্ত্ত হৈ অহা ৰূপৰ সৈতে আপোনালোকৰ চিনাকি আছেই। নৱভাৰতীয় আলেখ্যইও এটা প্ৰকাশ বিচাৰি ওলোৱাৰ ইঙ্গিত আপোনালোকে পাইছেই। আমাৰ আজিৰ ভাৰতীয় সঙ্গীতে আগৰ ৰাগ-ৰাগিনী ৰূপৰ পৰা ওলাই পৃথিৱীৰ নানা জলবায়ুৰ পৰা অহা ন ন সুৰ আৰু ঠাঁচৰ সৈতে চিনাকি হৈ, আমাৰ ৰাজআলিয়ে আলিয়ে সাৰটা সাৰটি ফুৰাও আপোনালোকে দেখিছে। বিশেষকৈ আমাৰ আধুনিক সঙ্গীতে সঙ্গীত বিজ্ঞানৰ ফালৰ পৰা এটা ডাঙৰ কথা হব ধৰিছে সেইটো হৈছে ভাৰতীয় সঙ্গীতত হাৰমণিৰ আবিৰ্ভাৱ। ই আমাৰ সঙ্গীতৰ প্ৰভাৱ প্ৰচণ্ডভাৱে কৰিলে কথাচিত্ৰ অহাৰ পৰা। কৰ্মকোলাহল মুখৰ বাস্তৱক সঙ্গীতৰ মাজেদি প্ৰকাশ দিবলৈ আমাৰ melodic সঙ্গীতে ভালকৈ নোৱাৰে। সেই কাৰণেই কথাচিত্ৰৰ অন্তৰাল সঙ্গীত - যি চিত্ৰত প্ৰতিফলিত হোৱা বাস্তৱ জীৱনকো তাৰ বাস্তৱতাৰে ফুটাই তুলিব লগা হ'ল। তেতিয়া কেৱল melody ৰে তাক নোৱৰাৰ বাবেই harmony ৰ শৰণ ল'ব লগীয়া হ'ল। আমাৰ জনসাধাৰণো কথাচিত্ৰৰ যোগেদি harmonysed সঙ্গীতত অভ্যস্ত হৈ পৰাত কেৱল melodic সঙ্গীত আমাৰ পুৰণি সঙ্গীতৰেই অদূৰ ভৱিষ্যতত বস্তু হৈ থাকিবগৈ বুলি ধাৰণা হৈছে। এই এটা বৰ ডাঙৰ পৰিৱৰ্তন আমাৰ সঙ্গীতত হৈছে। তাৰ উপৰিও আমাৰ সঙ্গীতত vertical rythm নাছিল বুলিলেও হয়। বৰ্ত্তমান সেই vertical rythm আমাৰ সঙ্গীতত বিশেষকৈ সামৰিক বা বিপ্লৱী গীতবোৰত ব্যৱহাৰ কৰিছো। এই ঘাই কথা কেইটাৰ বাহিৰেও আৰু সৰু সৰু নানা সাঙ্গীতিক পৰিৱৰ্ত্তনো আমাৰ সঙ্গীতলৈ আহি আমাৰ আগৰ ৰাগ-ৰাগিনীমূলক সঙ্গীতৰ সৈতে আধুনিক সঙ্গীতক বহু বেলেগাই পেলাইছে। আমাৰ জীৱনৰ ৰূপ, সমাজৰ ৰূপ সলনি হোৱাৰ সৈতে সঙ্গীতৰো ৰূপ সলনি হবই -আৰু নোহোৱাটোহে আচৰিত কথা। এই ভাৰতীয় আধুনিক সংগীতৰ এটা লক্ষ কৰিবলগীয়া কথা হৈছে যে ই নিখিল ভাৰততে একে ৰূপেই প্ৰকাশিত হৈছে। আগেয়ে যেনেকৈ মূলতঃ একে হোৱা সত্বেও ভাৰতীয় সংগীতৰ প্ৰাদেশিক প্ৰকাশ যথেষ্ট বিভিন্ন আছিল - এতিয়া সেইটো হোৱা নাই। আধুনিক এটা বঙালী, অসমীয়া বা মাৰাঠী গানৰ পাৰ্থক্য আগৰ হিচাবত নাই বুলিলেই হব। সেই

কাৰণেই সঙ্গীতৰ ক্ষেত্ৰত আজি আমি সকলো ভাৰতীয়ই, একেবাৰে একে হৈ আহিছো। যদিও আমাৰ প্ৰত্যেক প্ৰদেশৰ পুৰণি সাঙ্গীতিক বৈচিত্ৰতা আমি ৰাখিবলৈ চাব লাগে - তথাপি এই নতুন আপোনা আপুনি অহা ঐক্যকো আমি সাদৰি ল'ব লাগিব - কাৰণ ভাৰত ৰাষ্ট্ৰৰ ৰাজনৈতিক ঐক্য ৰক্ষাত এই সাংস্কৃতিক ঐক্যই আমাক সহায় কৰিব। পৃথিৱীৰ আমি এটা জাতি হৈ নানা যুঁজ বাগৰ স্বাৰ্থৰ প্ৰচণ্ড সংঘৰ্ষৰ মাজত তিষ্ঠি থাকিবলৈ - সৰ্ব্বভাৰতীয় ৰাজনৈতিক ঐক্য আমাৰ নহলে আমাৰ যে কাৰো পৰিত্ৰাণ নাই সেই কথাটো সদায় মনত ৰাখিয়েই সাংস্কৃতিক ঐক্যৰ বাটলৈ প্ৰদেশবোৰে নিজৰ বৈশিষ্ট্যতা একেবাৰে নেৰাকৈ যিমান দূৰ আহিব পাৰে তাৰ প্ৰয়াস অৱশ্যে কৰিবই লাগিব। ভাস্কৰ্য্যৰ ক্ষেত্ৰতহে আমি ভাৰতত একো নৱ প্ৰকাশৰ ৰেঙণি দেখা নাই। আমাৰ পুৰণি হিন্দু আৰু বৌদ্ধ ভাস্কৰ্য্যৰ সৈতে আপোনালোকৰ চিনাকি আছেই। আজি কেৱল আমাৰ এই ভাস্কৰ্য্যৰ ক্ষেত্ৰতহে আমাৰ মনটোৱে একো কৰিব নোৱাৰি বৈ থকা যেন লাগে । আজিৰ ভাৰতীয় ভাস্কৰ্য্যৰ যি দুই এটা নিদৰ্শন দেখা গৈছে - সেইবোৰ গ্ৰীচিয়, ৰোমীয় নিদৰ্শন আৰু আমাৰ পুৰণি ভাৰতীয় ভাস্কৰ্য্যৰ ছন্দৰ পৰা কোনো বৈপ্লৱিক ভংগীৰে আতৰি আহিব পৰা নাই। সেই কাৰণে সেই বিষয়ে আজি আৰু আলোচনা নকৰি স্থাপত্যৰ বিষয়ে কিছু কবলৈ চেষ্টা কৰিম।

একৰকমে চাবলৈ গলে ভাৰতত থলুৱা স্থাপত্যৰ বৌদ্ধ যুগৰ পাছৰ পৰা তেনে অভিনৱ ৰূপ নাই। মোগল স্থাপত্য আৰবীয় স্থাপত্যৰ নিদৰ্শন। যদিও মোগল যুগৰ আৰু তাৰ পাছত হিন্দু, বৌদ্ধ, গ্ৰীচিয়, মোগল স্থাপত্যৰ সংমিশ্ৰণেৰে স্থাপত্য গঢ়া হৈছে - তথাপিও সেইবোৰৰ মাজেদি ভাৰতীয় স্থাপত্যৰ তেনেকুৱা পৃথিৱীক প্ৰভাৱিত কৰিব পৰা ৰূপ ওলাই অহা নাছিল। বৃটিঃশৰ দিনতো আমাৰ স্থাপত্যৰ আস্থা সেয়েই। এলিজাবেথিয় যুগৰ বিলাতী স্থাপত্যই আমাৰ নাগৰিক ঘৰবাৰীৰ ওপৰত প্ৰভাৱ কৰিলে। গ্ৰীচিয়, ৰোমীয় গথিক স্থাপত্যই আমাৰ ৰাজহুৱা ঘৰবাৰীত প্ৰতিফলিত হ'ল। পুৰণি ভাৰতীয় স্থাপত্য আৰু ইউৰোপীয় স্থাপত্যৰ মিহলি নিদৰ্শনৰ যদিও আমাৰ দেশত ইংৰাজ জাৰ্ম্মান স্থাপত্য শিল্পীৰ পৰিকল্পনা মতে ঘৰবাৰী বহুত হ'ল - কিন্তু ভাৰতীয় স্থাপত্যৰ মৌলিক বিকাশৰ ফালৰ পৰা একো নহ'ল। আজি নতুন বিশ্বস্থাপত্য Modern ,আটাইবোৰেই Symmetryৰে ৰৌপিক সৌন্দৰ্য্য উলিয়াই স্থাপত্য সৃষ্টি কৰিবলৈ বিচাৰিছে। আমাৰ ভাৰতীয় স্থাপত্য শিল্পীয়েও ভাৰতীয় বিশেষত্ব ৰাখি এনে ৰৌপিক সৌন্দৰ্য্যৰেই নৱ ভাৰতীয় স্থাপত্য ৰচনা কৰিব লাগিব। আজি ভাৰতৰ - তথা অসম দেশৰ নতুনকৈ হোৱা ঘৰবাৰীবোৰ নতুন ভাৰতীয় শিল্পী মনৰ - এই ৰৌপিক সৌন্দৰ্য্যৰ স্থাপত্যৰ পৰিকল্পনাৰে হ'ব লাগিব। তেতিয়াহে সি আমাৰ আজিৰ স্থাপত্য হব। যদি আজিৰ আমাৰ ঘৰবাৰী বৃটিঃশৰ দিনীয়া স্থাপত্যৰ পৰিকল্পনাৰেই হয় - তেন্তে কব লাগিব যে ভাৰতীয় মৌলিক প্ৰতিভা স্থাপত্যৰ ক্ষেত্ৰত মুকলি হোৱা নাই। আজি আমি ভাৰতৰ যি এটা নতুন সংস্কৃতিৰ সপোন দেখিছো -- সেই নতুনৰ ইঙ্গিত দিব পৰা হব লাগিব আমাৰ আজিৰ স্থাপত্য -- তাৰমানে আমাৰ স্থাপত্য Futuristic হব লাগিব। আমাৰ অতীত আছিল - বৰ্ত্তমান আমাৰ নাই বুলিলেই হয় -- আমি ভৱিষ্যত গঢ়িব খুজিছো। আমাৰ ভৱিষ্যতৰ জীৱনৰ ছন্দ -- আমাৰ আজি গঢ়া স্থপত্যৰ ছন্দত ফুটি উঠিব লাগিব - তেহে সি আমাৰ স্থাপত্য হব। আমাৰ স্থাপত্যৰ ৰূপত প্ৰতিফলিত হব লাগিব ভাৰতীয় - অসমীয়া নতুন জীৱনৰ সপোন দেখা শিল্পীটোৰ মনটো। আজি যদি আমাৰ স্থাপত্যৰ কলাৰূপটো দিয়েহি আনে - তেন্তে সি আমাৰ ঘৰ হিচাবে সম্পত্তি হ'লেও, সেই ঘৰ আমাৰ ডাঙৰ কামত আহিলেও - আমাৰ আজিৰ স্থাপত্যৰ নিদৰ্শন সি কেতিয়াও নহব। সেই কাৰণেই আজি অসমৰ নতুন ৰাজহুৱা ঘৰবোৰৰ স্থাপত্যৰ ৰূপটো কোনে দিব সেই বিষয়ে সকলোৰে দকৈ ভাবিব লাগে। আজিলৈ এই খিনিতেই মোৰ কবলগীয়া কথা সামৰিবলৈ ওলালোঁ।

আজি আমাৰ নতুন দিনৰ ভাৰত গঢ়িবলৈ ওলোৱা নতুনৰ মনৰ - নতুন সৃষ্টি ঠন ধৰি উঠক। এক অভিনৱ সংস্কৃতি আহি এই বহুদিন জগতসভাৰ পৰা আতৰত পৰি থকা ভাৰতীয় জাতিটোক পৃথিৱীত জিলিকাই তোলক। নতুন সংস্কৃতিৰ বাটেদি ভাৰত আগবাঢ়ি যাওক।

( বিঃ দ্ৰঃ কানৈয়ানৰ দ্বিতীয় বছৰ সংখ্যাত অভিভাষণটি ইতিপূৰ্বে প্ৰকাশিত। বিষয় বস্তুৰ গুৰুত্ব বুজি আৰু কিছু অতীত ৰোমন্থি অভিভাষণটি পুনৰবাৰ প্ৰকাশ কৰা হ'ল - সম্পাদিকা। )

❖

# বিদায় নোলোৱাকৈয়ে গুচি যায় নৈ ঃ
# প্ৰফুল্ল ভট্টাচাৰ্য চাৰৰ স্মৃতিত এটুপি তপত চকুলো

শ্ৰীটুনুজ্যোতি গগৈ
স্নাতক তৃতীয় বৰ্ষ (কলা)

পুৱা শয্যা ত্যাগ কৰিয়েই বাতৰি কাকতত পঢ়িবলৈ পোৱা চিনাকি অচিনাকি হেজাৰ জনৰ প্ৰত্যাশিত বা অপ্ৰত্যাশিত মৃত্যুৰ সংবাদে আজি হয়তো কাকো শোকাভিভূত নকৰে। কিন্তু, কিছুমান মৃত্যুৰ সংবাদে আমাৰ দুচকুলৈ অশ্ৰুৰ প্লাবন নমাই আনে। অসম সাহিত্য সভাৰ প্ৰাক্তন সম্পাদক, জাতীয় শিক্ষাবিদ, কানৈ মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ অধ্যাপক -স্বৰ্গীয় প্ৰফুল্ল চন্দ্ৰ ভট্টাচাৰ্য চাৰৰ মৃত্যুৰ সংবাদ শুনি ব্যক্তিগত ভাবে মোৰ এনেকুৱা লাগিছিল যেন কলিজাটো খহি গৈছে। তেনে এক বিষম আকস্মিকতাৰ মাজতো ধীৰে ধীৰে মোৰ চকুৰ আগত উদ্ভাসিত হৈ উঠিছিল বিশাল ব্যক্তিত্বৰে প্ৰোজ্বল চাৰৰ সেই মুখাবয়ব ঃ য'ত আমি বিচাৰি পাইছিলো আশ্চৰ্য্যকৰ সাৰল্য, প্ৰশস্ত হাঁহি আৰু দৃষ্টিৰ সস্নেহ উষ্ণতা। গতিকে বেদনাৰ সেই মুহূৰ্ত্ততো ভাবিবলৈ ভাল লাগিছিল যে ময়ো তেখেতৰ এজন ছাত্ৰ আছিলো।

মহাবিদ্যালয়ৰ অসমীয়া সন্মানৰ শ্ৰেণীত চাৰে আমাক জ্যোতি প্ৰসাদ আগৰৱালাৰ 'শোণিত কুঁৱৰী' নামৰ নাটক খন পঢ়াইছিল। কি উদাত্ত কণ্ঠ!, কি অপূৰ্ব চাৰৰ সেই শিক্ষাদান। মনত পৰেঃ ছাৰে এদিন খুউব আক্ষেপেৰে আমাক কৈছিল যে কানৈ কলেজৰ অসমীয়া বিভাগটো আজিকালি একেবাৰেই স্থবিৰ প্ৰায় হৈ পৰিছে। কিন্তু, আগতে অসমীয়া বিভাগ বুলিলে সকলো ক্ষেত্ৰতে আগৰণুৱা আছিল। কি পিক্‌নিক্, কি বিহু, কি নাচ-গান ইত্যাদি। খুউব সম্ভৱ, অসমীয়া বিভাগৰ এই প্ৰাণময়তাৰ আঁৰত আছিল চাৰ নিজেই। চাৰৰ ক্লান্তিহীন, শ্ৰান্তিহীন প্ৰচেষ্টাৰ মূৰকতে গঢ় লৈ উঠিছিল অসমীয়া বিভাগৰ বেজবৰুৱা চ'ৰা আৰু এটা সুকীয়া পুঁথিভৰাল। স্বীকাৰ কৰিবই লাগিব যে প্ৰফুল্ল ভট্ট চাৰে জীৱনৰ পৰা, কানৈ কলেজৰ পৰা,সমাজৰ পৰা যিমান পালে, তাতকৈ অনেক বেছি দি গৈছেঃ স্নেহ, প্ৰত্যয় আৰু বিশ্বাস।

আমি চাৰক বেজবৰুৱা চ'ৰাটো পুনৰুজ্জীৱিত কৰাৰ প্ৰস্তাব দিছিলো, চাৰেও মিটিং এখন পতাৰ কথাকৈছিল যদিও সেয়া সময়ে হ'বলৈ নিদিলে। যি হওক - নিচেই ক'ম সময়ৰ কাৰণে চাৰক লগ পালেও তেখেতৰ স্নেহশীল আৰু বন্ধু ভাবাপন্ন উদাৰতাই আমাৰ মন আৰু হৃদয় চুই গৈছিল। তেখেতে মোৰ নামটো লৈ ৰগৰ কৰি কৈছিলঃ 'তোমাৰ নামটো তনুজ্যোতি কৰি ল'বা। তনুজ্যোতি অৰ্থাৎ দেহৰ অপূৰ্ব কান্তি ---।' সেইদৰে চাবুৱাৰ পৰা প্ৰকাশিত 'নতুন মানুহ' নামৰ আলোচনীখনত চাৰক লিখিবলৈ কওঁতে তেখেতে কৈছিলঃ 'আজিকালি আলোচনী বোৰত লিখিবলৈয়ে ভয়। তোমাৰ আলোচনীখন আলফাৰে নে কমিউনিষ্টৰে নে নাই একো নাজানো। হ'ব দিয়া তুমি কৈছা যেতিয়া লিখিম।' কিন্তু, চাৰে লিখনিটো সময়মতে দিব নোৱাৰাত সেয়া 'নতুন মানুহ'ত প্ৰকাশ কৰা নহ'লগৈ।

- ভট্ট চাৰ, এজন ছাত্ৰ হিচাপে আপোনাৰ সান্নিধ্য লাভ কৰাটো মোৰ বাবে বৰ্ত্তমান এক গৌৰৱময় সঞ্চয়। আপোনাৰ আকস্মিক প্ৰস্থানৰ পাছতহে আমি মৰ্মে মৰ্মে উপলব্ধি কৰিছোঁ যে কানৈ মহাবিদ্যালয়ৰ, ডিব্ৰুগড়ৰ কিমানখিনি আপুনি ভৰাই ৰাখিছিল। শূণ্যতাৰ এই যন্ত্ৰণা আমাৰ সকলোৰে বাবে বেদনাদায়ক, বৰ বেদনা দায়ক।..

OOO

প্ৰবন্ধ

# অসমত নিয়োগৰ সমস্যা আৰু সম্ভাৱনা

ড° আতিকুদ্দিন আহমেদ

সম্প্ৰতি বিভিন্ন কাৰণত ভাৰতবৰ্ষত ৰাজহুৱা খণ্ডত (Public sector) নিয়োগৰ সম্ভাৱনা নাইকিয়া হৈ আহিছে। চৰকাৰে গ্ৰহণ কৰা নতুন আৰ্থিক নীতি, বিশ্ব অৰ্থনীতিৰ নতুন স্বৰূপ, বজাৰ অৰ্থনীতিৰ প্ৰসাৰ আদিবোৰ কাৰণতে এতিয়া ব্যক্তিগত খণ্ডই অধিক গুৰুত্ব লাভ কৰিছে। ইয়াকে কৰিবলৈ যাওঁতে অৰ্থনৈতিক কাম কাজবোৰ চৰকাৰী নিয়ন্ত্ৰণমুক্ত কৰিব লগীয়া হৈছে। গতিকে স্বাভাৱিক কাৰণতে এতিয়া চৰকাৰী খণ্ডত নিয়োগৰ সম্ভাৱনা নোহোৱা হৈছে।

তদুপৰি উচ্চ প্ৰযুক্তিৰ ব্যৱহাৰে এফালে ভাৰতীয় বৃহৎ উদ্যোগবোৰক প্ৰতিযোগিতামূলক কৰি উন্নত দেশৰ উদ্যোগৰ মানদণ্ডলৈ উন্নীত কৰিছে। অন্যহাতে নিয়োগৰ স্থল কিন্তু নাইকিয়া কৰিছে। ইয়াৰ বাবে অৱশ্যে উন্নত প্ৰযুক্তি নাইবা ইয়াৰ ব্যৱহাৰক দোষ দি লাভ নাই। এতিয়াৰ পৰিবেশত পৃথিৱীৰ প্ৰায়বোৰ দেশেই উন্নত প্ৰযুক্তি ব্যৱহাৰত উঠিপৰি লাগিছে। এনে এটি পৰিস্থিতিত ভাৰতৰ দৰে 'শ্ৰম ৰাহি' (Labour surplus) দেশ এখনে কি কৰিব?

অসমৰ পটভূমিত আমি কথাখিনি পৰ্য্যালোচনা কৰাৰ প্ৰয়াস কৰিছো। অসমত বৰ্ত্তমান প্ৰায় ১৫ লাখ নিবনুৱা লোক আছে। অন্যহাতে অসমত নিবনুৱা লোকৰ মাজত চাকৰিমুখী হোৱাৰ প্ৰৱনতাহে অতি প্ৰৱল। চৰকাৰী চাকৰি সীমাবদ্ধতাৰ কথা কম বেছি পৰিমাণে সকলোৱেই জানে। বৰ্ত্তমান পৰিস্থিতিত অসমত চৰকাৰী চাকৰিৰ কোনো সম্ভাৱনা নাই। কাৰণ অসমত নতুনকৈ কোনো উদ্যোগ আদি গঢ়ি উঠা নাই। তদুপৰি চাকৰি সৃষ্টিৰ স্বাৰ্থতে অনুৎপাদনমূলক চাকৰি সৃষ্টিৰ কোনো যুক্তিও নাই। এনে কৰিলে হিতে বিপৰীতহে হব। আৰু এয়ে হৈছেও।

আটাইতকৈ ডাঙৰ অসুবিধা হৈছে এই যে অসমত বুনিয়াদী সা-সুবিধাখিনি নাই। গতিকে অৰ্থনৈতিক উন্নয়নৰ গতিও তেনেই মন্থৰ হব লগীয়া হৈছে। অন্যহাতে উন্নত বুনিয়াদী সা-সুবিধাখিনিকে ভিত্তি কৰি ভাৰতবৰ্ষৰ কেতবোৰ ৰাজ্যই দোপত দোপে উন্নতি লাভ কৰা দেখা গৈছে। সেইবোৰ ৰাজ্যত নিয়োগৰ সম্ভাৱনাবোৰো স্বয়ংক্ৰিয় ভাবেই ওলাই আহিছে। শেহতীয়াকৈ নতুন আৰ্থিক নীতিৰ অন্তৰ্গত বিদেশী বিনিয়োগ, প্ৰযুক্তি আদি ব্যৱহাৰৰ যিবোৰ সম্ভাৱনা ওলাইছে অসমে তাৰ নামমাত্ৰ সুবিধাও গ্ৰহণ কৰিব পৰা নাই। কাৰণ বিভিন্ন কাৰণত অসমলৈ বিদেশী বিনিয়োগকাৰী অহাটো সূচল হৈ উঠা নাই। অন্যফালে গুজৰাট, দিল্লী, পশ্চিমবঙ্গ, মহাৰাষ্ট্ৰ, কৰ্ণাটক, তামিলনাডু আদি ৰাজ্যই বিদেশী প্ৰযুক্তি, মূলধন আদি ব্যৱহাৰৰ পূৰ্ণ সুযোগ গ্ৰহণ কৰি নিজস্ব অৰ্থনীতিবোৰক, দ্ৰুতগতিৰে আগবঢ়াই নিয়া দেখা গৈছে।

অসম প্ৰাকৃতিক সম্পদত ভাৰতৰ বহুবোৰ ৰাজ্যৰ তুলনাত চহকী। কিন্তু উপযুক্ত নীতি আৰু পৰিকল্পনাৰ অভাৱত ৰাজ্যখনে এই সম্পদবোৰ উন্নয়নৰ হকে ব্যৱহাৰ কৰিব পৰা নাই। তাহানি বৃটিছে প্ৰতিষ্ঠা কৰা চাহ, তেল, কয়লা আদি উদ্যোগকেইটাই আজিও ৰাজ্যখনৰ গুৰু উদ্যোগৰ মৰ্য্যাদা লাভ কৰি আছে। এই উদ্যোগবোৰৰ ওপৰত ভিত্তি কৰি ভটিয়নী উদ্যোগ (downstream industries) স্থাপনৰ যি সম্ভাৱনা আছে, সেয়া কাৰ্য্যকৰী হৈ উঠিব পৰা নাই। সেয়েহে চৰকাৰী খণ্ডত নিয়োগৰ কিবা সুযোগ ওলাব বুলি ভাবি বহি থকাটোও বুদ্ধিমানৰ কাম নহয়।

সমসাময়িক পৰিস্থিতিত নিয়োগৰ বাবে মাত্ৰ এটা বিকল্পই খোলা আছে আৰু সেয়া হৈছে স্ব-নিয়োজন (self employment)। কাৰণ অসমৰ দৰে বৰ্দ্ধিত জনসংখ্যাৰ ৰাজ্য এখনত চাকৰি সৃষ্টিৰে কেতিয়াও নিবনুৱা সমস্যা সমাধান কৰিব পৰা নেযায়। দৰাচলতে কবলৈ গলে অসমত স্বনিয়োজনৰ সম্ভাৱনা প্ৰচুৰ। যি কোনো লোকে নিজস্ব শিক্ষাগত অৰ্হতা অনুসৰি স্ব-নিয়োগৰ পথ একোটা বাচি লব পাৰে। ইয়াৰ বাবে অৱশ্যে

প্ৰয়োজন হ'বঃ
(১) আগ্ৰহ, (২) বুনিয়াদী সা-সুবিধা, (৩) মূলধনৰ যোগান, (৪) প্ৰশিক্ষণ আৰু প্ৰতিযোগিতামূলক মানসিকতা।

উল্লেখযোগ্য কথা এই যে বৰ্ত্তমান পুঁজিৰ যোগান সিমান কষ্টসাধ্য নহয়। প্ৰকৃতাৰ্থত কবলৈ গলে অসমত পুঁজিৰ চাহিদাহে কম। অসমত ঋণ-জমা অনুপাত (credit - deposit ratio) মাত্ৰ ৩৫ টকা। অৰ্থাৎ বাণিজ্যিক বেংকসমূহে প্ৰতি ১০০ টকা জমাৰ বিপৰীতে ৩৫ টকাহে বিভিন্ন ব্যক্তিলৈ ঋণ হিচাপে আগবঢ়াইছে। এই ঋণ জমা অনুপাতেই ৰাজ্যখনত সীমিত হৈ থকা ক্ষুদ্ৰ উদ্যোগ ব্যৱসায় - বাণিজ্যিক কাৰ্য্যকলাপ ইত্যাদি প্ৰতিফলিত কৰে। বেংক বিলাকে বিভিন্ন ব্যক্তিক স্বনিয়োজনৰ বাবে ঋণ দিবলৈ প্ৰস্তুত আছে। এতিয়া লাগে মাত্ৰ উদ্যোক্তা।

সাম্প্ৰতিক কালত ৰাজ্যখনৰ নিবনুৱা সমস্যা সমাধান কৰিবলৈ একমাত্ৰ প্ৰয়োজন হৈছে অসমক এখন উদ্যোক্তা অৰ্থনীতি (enterpreneur economy) হিচাপে গঢ়ি তোলা। প্ৰতিজন নিবনুৱা লোকেই একোজন উদ্যোক্তা হব পাৰে। মাত্ৰ একোখন উপযুক্ত আঁচনি লাগিব। উদ্যোক্তা সকলক প্ৰশিক্ষণ ইত্যাদি দিবৰ বাবে বৰ্ত্তমান জিলা উদ্যোগ কেন্দ্ৰ, ক্ষুদ্ৰ উদ্যোগ উন্নয়নী বেংক আদি বিভিন্ন সংস্থা আছে। এনেবোৰ সংস্থাই উদ্যোগী সকলক উপযুক্ত আঁচনি নিৰ্বাচন কৰি দিলে সেইবোৰ ফলপ্ৰসূ হব। কাৰণ বৰ্ত্তমান অসমত যি সকল লোক স্ব-নিয়োজনৰ বাবে আগবাঢ়ি আহিছে তেওঁলোক বেছিভাগৰে আচনিবোৰৰ কোনো নতুনত্ব নাই। সেয়েহে বহুবোৰ উদ্যোক্তা লাভবান হব পৰা নাই। উদাহৰণ স্বৰূপে বিভিন্ন লোকক কেৱল অনুকৰণৰ ভিত্তিতে স্ব-নিয়োজনৰ পথ বাচিলোৱা দেখা গৈছে। ফলস্বৰূপে তেওঁলোকৰ নিজৰো ক্ষতি হৈছে আৰু সামগ্ৰীকভাৱে স্ব-নিয়োজনৰ বজাৰখনো বেয়া হৈ পৰিছে। স্ব-নিয়োজনৰ পথটো তেনেই সহজ নহয় ইয়াতো দূৰদৰ্শী নীতি আৰু পৰিকল্পনাৰ আৱশ্যক।

অসমলৈ খাদ্য সামগ্ৰীকে ধৰি প্ৰায়বোৰ দ্ৰব্য ৰাজ্যখনৰ বাহিৰৰ পৰা আহে। তদুপৰি ৰাজ্যখনত থকা বৃহৎ উদ্যোগ কেইটাইও নিজৰ প্ৰয়োজনীয় সামগ্ৰীবোৰ বাহিৰৰ পৰা কিনি আনে যাৰ বাবে বহু কোটি টকা বছৰি অসমৰ বাহিৰলৈ ওলাই যায়। এইবোৰ সামগ্ৰী স্থানীয় ভাৱে উৎপাদন কৰিব পৰা যায়। এনে কৰিবলৈ হলে ৰাজ্যখনত এচাম উদ্যোক্তা সৃষ্টি কৰিব লাগিব। কিন্তু পৰিতাপৰ কথা এই যে স্থানীয় লোকৰ মাজত উদ্যোগীক মানসিকতা অতি কম। এতিয়াৰ পৰিস্থিতিত অসমৰ প্ৰতিজন যুৱক যুৱতীয়েই উপযুক্ত অৰ্হতা আৰু প্ৰশিক্ষণ আয়ত্ত কৰি উদ্যোক্তা হোৱাৰ বাহিৰে নিয়োগৰ আৰু কোনো বিকল্প নাই। আমাৰ ৰাজ্যখনত ব্যৱসায় - বাণিজ্য, ক্ষুদ্ৰ উদ্যোগ আৰু বিভিন্ন সেৱামূলক কাৰ্য্যৰ প্ৰচুৰ সম্ভাৱনা আছে। সেয়েহে ভাৰতৰ বিভিন্ন ঠাইৰ পৰা আহি বিভিন্ন লোকে ৰাজ্যখনত থিতাপি লৈছেহি।

অসমত নিয়োগৰ ইমানবোৰ সম্ভাৱনা আছে যে ৰাজ্যখনৰ নিবনুৱা সমস্যা তাৎক্ষণিকভাৱে সমাধান কৰিব পৰা যায়। কিন্তু ইয়াৰ বাবে লাগিব ঃ

(১) এক বলিষ্ঠ চৰকাৰী পৃষ্ঠপোষকতা,
(২) নিবনুৱা লোকৰ উদ্যোগিক মানসিকতা,
(৩) বুনিয়াদী সা-সুবিধাৰ প্ৰসাৰ,
(৪) উপযুক্ত আৰু বাস্তৱমুখী আঁচনি আৰু
(৫) চাহিদা ভিত্তিক শিক্ষা পৰিকল্পনা গ্ৰহণ ইত্যাদি।

নিবনুৱা সমস্যাটো সমাধান কৰিবলৈ অসমত বৰ্ত্তমান আটাইতকৈ গুৰুত্বপূৰ্ণ প্ৰয়োজনটো হৈছে শিক্ষাৰ সংস্কাৰ সাধন। শিক্ষা ব্যৱস্থাটো মেট্ৰিক পৰ্য্যায়তে বৃত্তিমুখী কৰাৰ বাহিৰে স্ব-নিয়োজন আঁচনিখন জনপ্ৰিয় হৈ উঠিব নোৱাৰে। লগতে নিবনুৱা সমস্যাৰ সমাধানো সম্ভৱ নহয়। কিন্তু ইয়াৰ বিপৰীতে ৰাজ্যখনত অকাৰিকৰী শিক্ষাৰ সম্প্ৰসাৰণতহে জোৰ দি থকা হৈছে। সেয়েহে শিক্ষিত নিবনুৱালোকৰ সংখ্যা দিনক দিনে বৃদ্ধি পাই গৈছে আৰু শিক্ষা অনুপাতে নিয়োগৰ উপায় নোহোৱাৰ বাবে নিবনুৱা সমস্যাহে বাঢ়ি গৈছে। ৰাজ্যখনত চাহিদা ভিত্তিক শিক্ষা আঁচনি এখন গ্ৰহণ কৰাৰ কথা জৰুৰীভাৱে বিবেচনা কৰিব পৰা যায়। এনে কৰিলেহে ৰাজ্যখনত নিবনুৱা লোকৰ সমস্যাটো বহু পৰিমাণে লাঘব হব।

প্ৰবন্ধ

# আহোম যুগৰ লোকোক্তি

শ্ৰী বিপুল বৰুৱা
স্নাতক চুড়ান্ত বৰ্ষ (কলা)

যোজনা, খণ্ডবাক্য আদি জতুৱা ঠাঁচবোৰ এটা ভাষাৰ অমূল্য সম্পদ। ইয়াৰ অবিহনে ভাষা পুৰঠ বা শুৱলা হব নোৱাৰে। লিখিও বহু কথা বুজাব নোৱাৰা একোটা ভাৰ সামান্য যোজনা বা খণ্ডবাক্য একোটাৰে কম আয়সতে বুজাই দিব পাৰি। বহু অভিজ্ঞতাৰে কোনো অনামী পুৰুষে সৃষ্টি কৰা একোটা যোজনা বা খণ্ডবাক্য ভাষাৰ ভঁৰালত নৈব্যক্তিক সম্পত্তি।

বহুযুগৰ আগৰ পৰাই অভিজ্ঞতা সমলেৰে ভিন্ ভিন্‌লোকে এই প্ৰবাদ বাক্য, খণ্ডবাক্য, পটন্তৰ আদি ৰচনা কৰি আহিছে। অসমীয়া ভাষা এই প্ৰবাদ, খণ্ডবাক্য আদিত অতি চহকী। আহোম ৰজা সকলৰ দিনতো এনেদৰে বহুত জতুৱা ঠাঁচৰ প্ৰচলন হয়। বৰ্ত্তমানো সেইবোৰৰ মূল্য আগৰ দৰেই অটুট আছে - কমা নাই, বৰঞ্চ অধিক ব্যাপক ভাৱে প্ৰচলন আৰু জনপ্ৰিয়হে হৈছে।

স্বৰ্গদেৱ চুক্লেনমুঙে ৰাণী চাউচিং কুঁৱৰীৰ আঁচনিমতে গড় মাৰি গড়গাওঁ নগৰত ৰাজধানী পাতে। এই গড়গাঁৱৰ প্ৰভাৱ অসমীয়া প্ৰজাৰ মাজত ইমান দৌলে শিপাইছিল আৰু এই নগৰৰ ইমান চমৎকাৰ আছিল যে 'গড়গাঁৱৰ কথা শুনি তল যাব' লাগে। এই গড়গাঁৱকে কেন্দ্ৰ কৰি অসমৰ শাসন ব্যৱস্থা চলিছিল, গতিকে গড়গাঁৱক লৈ বহু প্ৰৱচন, খণ্ডবাক্য, যোজনা আদিৰ সৃষ্টি হোৱা স্বাভাৱিক। যেনে- গড়গঞা হাতী, পোকৰে নকৰে কাতি, গড়গঁঞা কঁটাৰীৰ ডাবেই কাটে, ইয়াতে মাৰিলে টিপা গড়গাওঁ পালেগৈ শিপা, বেটীয়ে ভাবিলে কটৱা, গড়গাওঁ পালেগৈ বতঁৰা।

আহোম ৰজা আৰু বিষয়াসকলে দোষীক অঙ্গছেদ কৰি উগ্ৰদণ্ড কৰিছিল। বিভিন্ন অংগছেদ আৰু অন্যান্য প্ৰকাৰে শাস্তি বিহা নমুনা সমূহ খণ্ডবাক্য ৰূপে অসমীয়া ভাষাত ব্যৱহৃত হৈ পৰিছে। যেনে - নাক কাণকটা, আঁঠুৰ ঘিলা কঢ়া, চোৰাত মেলা, ওভোটাই ছাল ছেলোৱা, টোমবান্ধি উটাই দিয়া, কটা ঘাঁত চেঙাতেল দিয়া, জেৰেঙাৰে নিয়া ইত্যাদি। সেই দৰে এফালৰ পৰা নষ্ট কৰি যোৱা বুজাবলৈ 'চাউদাং উঠা' খণ্ডবাক্য ব্যৱহাৰ কৰা হয়।

বাইলুং সকলে কুকুৰা কাটি ঠেঙেৰা মঙ্গল চায়। গতিকে ডাঙৰ শপত বুজাবলৈ 'কুকুৰা কাটি শপত খোৱা' আৰু ভবিষ্যত বুজাবলৈ 'কুকুৰাৰ ঠেং কাটি মঙ্গল চোৱা' খণ্ডবাক্য ব্যৱহাৰ হৈ আহিছে। বাইলুঙনীয়ে চোৱা মঙ্গল কেতিয়াবা ফলিয়াই, কেতিয়াবা নফলিয়ায়। গতিকে কণা মুণাকৈ হোৱা কাৰ্য্য বুজাবলৈ 'বাইলুঙনীৰ মঙ্গল' ব্যৱহাৰ কৰা হয়।

গদাপাণি কোঁৱৰ পলাই ফুৰা অৱস্থাত ৰজাৰ চাউদাঙৰ হাতৰ পৰা এদিন সংকট মুহূৰ্ত্তত ৰক্ষা কৰিছিল ৰথ, তিপাম আৰু শলগুৰিৰ তিনিঠাইৰ তিনিজনী পোহাৰীয়ে। কাৰো লগত কাৰো সম্বন্ধ নাই যদিও গদা কোঁৱৰক মাটিত শুৱাই কাপোৰেৰে ঢাকি নিৰ্জনত মানুহজন ঢুকাল বুলি ইনাই বিনাই কান্দি গছৰ পাত সৰুৱালে সচাঁ ভাবি চাওদাংহঁত আঁতৰি গ'ল। জনগীতৰ পংক্তি কিন্তু থাকি গ'ল - 'ৰহাৰ ৰহদৈ, তিপামৰ ভাদৈ, শলগুৰিৰ আঘোণী বাই। তিনিৰো ডিঙিত ধৰি তিনিও কান্দিলে সম্বন্ধত একোৱেই নাই।' গদাপাণি জয়মতীৰ লাই আৰু লেচাই নামে দুজন পুত্ৰ আছিল। লাই লেচায়ে অসমীয়া প্ৰজাৰ অন্তৰত সাঁচ বহুৱালে। কেৱল দুজন বুজাবলৈ 'লাই লেচাই' খণ্ড বাক্য ব্যৱহাৰ কৰা হয়।

আগৰ দিনত যাতায়তৰ সুবিধা নথকাৰ কাৰণে কলিয়াবৰ, ৰঙামাটি, গুৱাহাটী দূৰণীয়া বাট আছিল। ইঠাই সিঠাইৰ যোগাযোগ

বৰ কষ্টসাধ্য আছিল গতিকে প্ৰাণৰ মমতা এৰি কৰা কোনো কাৰ্য্য বুজাবলৈ 'নাই ৰঙামাটি নাই গুৱাহাটী' ব্যৱহাৰ কৰা হয়।

আহোম ৰাজত্বত মায়ামৰা মৰাণৰ বিদ্ৰোহ আৰু মানৰ আক্ৰমণ বুলিলে গাৰ নোম শিয়ঁৰি উঠা দুটা দুঃ স্বপ্ন যেন লগা কাহিনীৰ কথাকে অসমীয়াই বুজে। সেয়ে ঘোৰ অশান্তিৰ কথা বুজাবলৈ 'মান-মৰাণৰ দিন' খণ্ডবাক্য প্ৰয়োগ কৰা হয়। কেচাইখাতী গোসাঁনীয়ে নৰবলি খায়। খণ্ডত হিতাহিত জ্ঞান শূণ্য হোৱা জনক বুজাবলৈ 'কেঁচাইখাতী গোসাঁনী লম্ভা' বুলি অভিহিত কৰা হয়। অৰ্থাৎ সেই মুহূৰ্ত্তত সুবিধা পালে, কেঁচাইখাতীৰ দৰে তেজ পিব। তেনেদৰে 'দেও উঠ' 'দেউ লাগ' আদি খণ্ডবাক্য ব্যৱহাৰ হয়।

আহোম যুগত সৃষ্টি হোৱা আৰু বহু যোজনা পটন্তৰ আছে। যেনে- (১) এঙেৰাৰ চৰু, বকতাৰ গৰু; পেঙেৰাৰ পাণ, জয়খামডাঙৰ ধান; মেচাঘৰৰ কেৰেলা; বালিহাটৰ বেঙেনা (২) নগাটো চাই হোৰাটো। (৩) নামহে গেণ্ডেলা. ছকুৰি টেকেলা; (৪) টোলোঠাৰ কাণ, ইকাণ আৰু সিকাণ; (৫) ফটাহক, চিটা হক পাটৰ টঙালি, কণা হক, কুজাহক ভূঞাৰ পোৱালি আদি অনেক লোকোক্তি অসমীয়া ভাষাত প্ৰচলিত হৈ আহিছে।

আমি অসমীয়া একোতে দুখীয়া নহয় সঁচা, পিচে সকলো আছিল, সকলো আছে, নুগুণো নলওঁ গম'। চহা বাক্য বুলি বহুতে এনেবোৰ যোজনা, পটন্তৰ, খণ্ডবাক্য আদি ব্যৱহাৰ কৰিবলৈ টান পায়। গেচত ভাত ৰান্ধিবলৈ আৰম্ভ কৰি, পোৰা-পিতিকা বা খৰিকাত দিয়া মাছৰ জুতি পাহৰি যোৱা স্বাভাৱিক। তথাপিও শিক্ষা, আধুনিকতা আৰু পাশ্চাত্যৰ প্ৰভাৱে যাতে অসমীয়া লোক সাহিত্যৰ ক্ষতি সাধন কৰিব নোৱাৰে তাৰ প্ৰতি শিক্ষিত সমাজে সজাগ দৃষ্টি ৰাখিবৰ হ'ল।

(বিঃ দ্ৰঃ - ৰিপুনাথ বুঢ়াগোহাঁই আৰু যোগেন দত্তৰ কিছুমান বিশেষ টোকা, প্ৰৱন্ধটোত সহায় লোৱা হৈছে।)

"পৃথিৱীখন আমাৰ আৰু তোমালোকৰো; কিন্তু শেষ বিচাৰত ই তোমালোকৰেই। পুৱাৰ সূৰ্য্যৰ দৰে অফুৰন্ত শক্তি আৰু প্ৰাচুৰ্য্যৰ অধিকাৰী তোমালোক ডেকা-গাভৰু সকলৰ ওপৰতেই আমাৰ ভৰসা।"

মাও-চে-টুং

**প্ৰবন্ধ**

# বিজ্ঞানৰ বিভীষিকা ঃ বাৰ্মুডা ত্ৰিভুজ

শ্ৰী টিৰুপ জ্যোতি সোনোৱাল
স্নাতক দ্বিতীয় বাৰ্ষিক (ভূগোল বিভাগ)

আমি মাজে সময়ে প্ৰায়েই বিশ্বৰ কিছুমান ঠাইৰ ৰহস্যপূৰ্ণ অবিশ্বাস্য যেন লগা ঘটনা সংঘটিত হোৱা কাহিনী বা বাতৰি কাকতে পত্ৰে পঢ়িবলৈ পাওঁ। এনেকুৱা কাহিনীবোৰ ইমান বিস্ময়কৰ আৰু ৰহস্য পূৰ্ণ যে কোনো ধৰণৰ ব্যাখ্যা দিয়াতো সম্ভৱপৰ হৈ নুঠে। নতুন তথ্যপাতিৰে গবেষণা কৰি আবিস্কাৰ কৰিছে মহাকাশৰ, সাগৰ মহাসাগৰৰ নতুন ৰহস্য। কিন্তু তাৰ মাজতো বিজ্ঞান থমকি ৰব লগীয়া হৈছে। প্ৰকৃতিয়ে এনে ঠাই সৃষ্টি কৰিছে য'ত সকলো পৰীক্ষা-নিৰীক্ষা, গৱেষণা নিস্ফল বুলি প্ৰমাণিত হৈছে। তেনে এখন ঠাই হ'ল ৰহস্যময় 'বাৰ্মুডা ত্ৰিভুজ'।





বাৰ্মুডা ত্ৰিভুজটো নো কি? এই ত্ৰিভুজ নো কিয় ইমান ৰহস্যময় বা বিস্ময়কৰ? কিয়নো এই ঠাইক কেন্দ্ৰ কৰি ইমান তৰ্ক-বিতৰ্ক হয়?

উত্তৰ আটলাণ্টিক মহাসাগৰৰ মাজত অৱস্থিত, - বাৰ্মুডা ত্ৰিভুজ। বামুৰ্ডাৰ পৰা এডাল কাল্পনিক ৰেখা পৰ্টৰিকলৈ আৰু আন এডাল ৰেখা ফ্লোৰিডালৈ টানিলে যিটো ত্ৰিভুজ হ'ব সেইটোৱেই হ'ল বাৰ্মুডা ত্ৰিভুজ।

বামুৰ্ডাৰ বিশেষত্ব হ'ল ইয়াৰ ওপৰেদি উৰি যাব নোৱাৰে কোনো আকাশী বিমান। ইয়াৰ বুকুৰেদি পাৰ হ'ব নোৱাৰে নাওঁ বা জাহাজ। মুঠতে বাৰ্মুডাত উপস্থিত মানে তাৰ মৃত্যু অনিবাৰ্য্য। বাৰ্মুডা হ'ল মৃত্যুৰ প্ৰহেলিকা। ই মৃত্যুক হাত বাউলি মাতে। ই এক মৃত্যু গহ্বৰ।

আজিৰ পৰা প্ৰায় পাঁচশ বছৰৰ আগয়ে এই ৰহস্যময় বামুৰ্ডা ত্ৰিভুজৰ বিষয়ে পৃথিৱীৰ মানুহৰ আগত অৱগত কৰে আমেৰিকা আবিস্কাৰ কৰা বিখ্যাত নাৱিক কলম্বাচে। সেয়া আছিল ১৪৯২ চনৰ ১৩ ছেপ্তেম্বৰ কথা। কলম্বাচে এই ঠাই অতিক্ৰম কৰোতে তেওঁ লক্ষ্য কৰিছিল যে জাহাজৰ কম্পাছৰ কাটা নিৰ্দিষ্ট দিশতকৈ ৬ ডিগ্ৰী উত্তৰ পশ্চিম দিশলৈ হালি আছে। কলম্বাচে পোন প্ৰথম বাৰৰ বাবে এনে এক অদ্ভুত ঘটনাৰ সন্মুখীন হ'ব লগা হয়। লাহে লাহে তেওঁ দেখিলে যে এই পাৰ্থক্য ক্ৰমান্বয়ে বাঢ়ি গৈছে। কম্পাছৰ কাটাই সঠিক দিশৰ পৰা আন দিশলৈ গতি


উত্তর
আমেরিকা
বার্মুডা
ফ্লোরিডা
কিউবা
জ্যামাইকা
পোর্টোরিকো
আটলান্টিক মহাসাগর
দক্ষিণ
আমেরিকা
উ.
প.
পূ

কৰিছে। তেওঁ এই ঘটনাৰ পৰাই বুজি পাইছিল যে তেওঁ য'ত আহি উপস্থিত হৈছে তাত যান্ত্ৰিক শক্তিও বিকল। য'ত চুম্বকৰ দিশো সলনি হয়। প্ৰকৃতিৰ নিয়ম য'ত অচল সেইয়াই হ'ল ৰহস্যৰ মেৰ পাকে আৱৰা বাৰ্মুডা ত্ৰিভুজ।

বাৰ্মুডাই নিজেই বিখ্যাত হৈ পৰিল ১৭৮১ চনৰ পৰা। ১৮৪০ চনত হাভানালৈ যোৱা ৰোজালি নামৰ জাহাজ খনক যাত্ৰী আৰু নাবিকসকল নোহোৱা অৱস্থাত বিচাৰি পোৱা গৈছিল। আৰু এবাৰ এখন জাহাজৰ আটাইখিনি মানুহৰ লগতে কথা কোৱা ভাটৌ এটাও অদৃশ্য হৈ গৈছিল। এই ঘটনাটোৰ উল্লেখ কৰি আইভান ছেন্ডাৰছন নামৰ এজনে কয় যে এই ৰহস্য জনক ঘটনাবোৰত নিশ্চয় অইন কোনোবা গ্ৰহৰ বিজ্ঞানত বহু উন্নতি কৰা প্ৰাণীৰ হাত আছে। পৃথিৱীৰ পৰা তেওঁলোকে হয়তো কথা কোৱা জীৱ কিছুমান কিবা পৰীক্ষাৰ কাৰণে নি আছে। ১৯৬৩ চনৰ যুক্তৰাজ্যৰ পৰ্টৰিকোত থকা নৌবাহিনীৰ কিছুলোকে সাগৰৰ প্ৰায় ২৭,০০০ ফুট তলত এখন অদ্ভুত ধৰণৰ যান অতি বেগেৰে গৈ থকা দেখা পাইছিল। এবাৰ বাৰ্মুডা ট্ৰায়েংগলৰ বিষয়ে চলা ৰেডিঅ আলোচনা এটাৰ মাজতে হেনো হঠাতে যান্ত্ৰিক বিজুতিৰ সৃষ্টি হৈছিল আৰু অকস্মাৎ অজান কণ্ঠ এটা ভাঁহি আহিছিল। সেই মাতটোৱে স্পষ্টভাৱে কৈছিল - বাৰ্মুডা ট্ৰায়েংগল হেনো এই পৃথিৱীৰ বাহিৰৰ বিশ্বখনৰ লগত যোগাযোগ স্থাপন কৰাৰ বাবে এডোখৰ নিৰ্দিষ্ট ঠাই। মাতটোৱে আৰু কৈছিল এই অঞ্চলত অদৃশ্য হোৱা কোনো লোকেই মৰা নাই। সেই ৰহস্যময় কণ্ঠৰ গৰাকীৰ শুংসুত্ৰ কিন্তু কোনেও বিচাৰি নাপালে।

১৮৮০ চনৰ ৩১ জানুৱাৰীত বাৰ্মুডাৰ পৰা ইংলেণ্ডলৈ যাত্ৰা কৰা 'আটলান্টা' নামৰ জাহাজখন গ্ৰাস কৰিলে বাৰ্মুডাই। প্ৰায় সকলো কাৰিকৰী দিশতে উন্নত, প্ৰায় তিনিশ শতাধিক নাৱিক আৰু অফিচাৰ। লগত আছিল জাহাজ চলোৱা অভিজ্ঞতা সম্পন্ন জাহাজ পৰিচালক। এনেহেন এখন জাহাজ নিমিষতে গ্ৰাস কৰিলে বাৰ্মুডাই। তেনেহ'লে বাৰ্মুডাৰ মানুহৰহে বেছি প্ৰয়োজন নেকি?

১৯৫৩ চনৰ ২ ফেব্ৰুৱাৰীত 'এম এছ মেৰাইন ছালফা' নামৰ এখন জাহাজ বাৰ্মুডা ত্ৰিভুজৰ মাজত নোহোৱা হ'ল। ১৯২৫ চনত কণ্টপক্সি নামৰ জাহাজ গিলি থয় বাৰ্মুডাই আৰু ইয়াৰ কেইবছৰ মান পাছত ষ্টেভেনজাৰ নামৰ জাহাজ এখন গ্ৰাস কৰে বাৰ্মুডাই।

বাৰ্মুডাই যে অকল জাহাজেই গিলিছিল এনে নহয়- ইয়াৰোপৰি ওপৰেদি যোৱা বিমানকো ই ক্ৰমান্বয়ে গ্ৰাস কৰিব ধৰিছিল। ১৯৪৮ চনৰ জানুৱাৰী মাহৰ ৩০ তাৰিখে বাৰ্মুডাৰ ওপৰেদি যোৱা বৃটিছ ছাউথ আমেৰিকান এয়াৰ ওৱেজ Star tiger - A ক অতি নিঃকৰুণ ভাৱে গ্ৰাস কৰিলে বাৰ্মুডাই। ১৯৪৮ চনৰ ডিচেম্বৰ মাহত DC - 31 নোহোৱা হ'ল ইয়াৰ মাজতে। ইয়াৰ এবছৰ পাছত অৰ্থাৎ ১৯৪৯ চনৰ জানুৱাৰী মাহত 'ষ্টাৰ এৰিয়েল' হেৰাই গল বাৰ্মুডাৰ বুকুত। ১৯৫০ চনত 'গ্লব মাষ্টাৰ' নামৰ বিমানখন সাৰিব নোৱাৰিলে বাৰ্মুডাৰ কৰাল গ্ৰাসৰ পৰা।

এই ধৰণৰ নানান অদ্ভুত, আচৰিত ঘটনাৰ কেন্দ্ৰস্থল হ'ল বাৰ্মুডা ত্ৰিভুজ। বহুতে কব খোজে এই সকলোবোৰৰ গুৰিতে আছে মানুহৰ ভুল ধাৰণা আৰু ভুল - বিশ্বাস। কিছুমান পণ্ডিতে কয় যে ফ্লৰিডাৰ ওচৰৰ 'কুইক ছেণ্ড'ৰ বিৰাট অঞ্চলটোৰ বাবেই সেই দুৰ্ঘটনা হয়। কোনোৱে কয় যে সেইখিনিত মাটিৰ ভিতৰত চুম্বক শক্তি থকা ধাতুৰ দ'ম আছে। কোনোৱে আকৌ কয়- সেইখিনিত সাগৰৰ মাজত চুণ-শিলৰ নিচিনা বস্তুৰ বিৰাট গহ্বৰ কিছুমান আছে; সেইবোৰৰ কাৰণেই বহুত দুৰ্ঘটনা ঘটে। কিন্তু এই কথা সত্য যদিও কেইখনমান জাহাজৰ কোনো ক্ষতি নোহোৱাকৈ তাৰ মানুহবোৰ নোহোৱা হোৱা ঘটনাটোৱে অন্য দিশহে আছে বুলি প্ৰমাণ কৰে। এই বাৰ্মুডা ত্ৰিভুজত হয়তো সৌৰজগতৰ বিভিন্ন গ্ৰহৰ মানুহতকৈ উন্নত প্ৰাণীয়ে বসবাস কৰিছে, যি পৃথিৱীৰ মানুহৰ ওপৰত পৰীক্ষা কৰিবৰ বাবে মানুহ সংগ্ৰহ কৰিছে মুঠতে এটা কথা ঠিক-বিজ্ঞানে এতিয়াও সভ্যতাৰ চুড়ান্ত শিখৰত আৰোহণ কৰিব পৰা নাই। ইয়াৰ ওপৰত এতিয়াও নানান পৰীক্ষা-নিৰীক্ষা চলিয়েই আছে। সেয়ে আমি বাট চাব লাগিব বিজ্ঞানৰ তথ্যলৈ। নহ'লে আমাৰ মাজত সদা ৰহস্যময়ী হৈ থাকিব বাৰ্মুডা ত্ৰিভুজ।

প্ৰবন্ধ

# চৰিত্ৰবোধৰ আদি পাঠ ঃ শিষ্টাচাৰ

শ্ৰীবিষ্ণু প্ৰসাদ গগৈ
স্নাতক ২য় বাৰ্ষিক (বিজ্ঞান)

প্ৰত্যেক মানুহৰে একোটা নিৰ্দিষ্ট চৰিত্ৰ থাকে আৰু এই চৰিত্ৰটোৰ বহুখিনি প্ৰকাশ পায় তাৰ শিষ্টাচাৰ বা ব্যৱহাৰত। এজন শিষ্টমানুহে যি ধৰণে আচৰণ কৰে সেয়াই হৈছে শিষ্টাচাৰ।

কাৰ্ডিনেল নিউমেন (১৮০১-৯০) এজন বিখ্যাত ধৰ্মযাজক, দাৰ্শনিক আৰু কবি আছিল। তেওঁ লেখা 'The idea of a University' নামৰ কিতাপখনত তেওঁ ভদ্ৰ লোকৰ সংজ্ঞা নিৰূপণ কৰি এইদৰে কৈছিল যে তেনে এজন মানুহকে ভদ্ৰলোক বুলি কব পাৰি যি আনক কোনো ধৰণৰ দুখ-কষ্ট দিব নোৱাৰে(It is the almost a definition of a gentleman to say that he is one who never inflicts pairs)।

শিষ্টাচাৰৰ সমস্ত সাৰ কথাখিনি কাৰ্ডিনেল নিউমেনৰ এই একেটা মাত্ৰ বাক্যতেই সোমাই আছে। সমাজ পাতি বাস কৰা মানুহৰ প্ৰথম কৰ্তব্য হ'ল সম্ভৱ হ'লে ইজনে সিজনক সুখ আৰু আনন্দ দিয়া। সংসাৰত বেছিভাগ মানুহৰে জীৱন নানা সমস্যা আৰু দুখ-যাতনাৰে পৰিপূৰ্ণ। আনৰ সমস্যা সমাধান কৰা বা তেওঁলোকক দুখ-যাতনাৰ পৰা উদ্ধাৰ কৰা আমাৰ কাৰো পক্ষে সম্ভৱ নহ'ব পাৰে, কিন্তু এষাৰ মধুৰ আৰু কোমল কথা যদি সকলোৰে মুখত সততে লাগি থাকে তেন্তে কেৱল সিয়েই জীৱনৰ যন্ত্ৰণা দায়ক ক্ষতস্থানবোৰত মলমৰ কাম কৰিব পাৰে। আমি প্ৰত্যেকেই ইজনে সিজনক এই অমূল্য উপহাৰ দিব পাৰো। আনক হাঁহিমুখেৰে এষাৰ মিঠামাত দিবলৈ নিজৰ ফালৰ পৰা একো ক্ষতি স্বীকাৰ কৰিব নালাগে। মানুহে শিষ্টাচাৰী হৈ সমাজত সুখ আৰু শান্তি বিয়পাবলৈ হ'লে অৱশ্যেই তেওঁ আত্মসংযমী হ'ব লাগিব।

শিষ্টাচাৰ হৈছে মানৱজীৱনৰ এটি সৰল-সংস্কৃতিৰ মূল ভেটি স্বৰূপ। আৰু এই শিষ্টাচাৰেই হৈছে এখন সুন্দৰ, সবল, শান্তিদায়ক সমাজ গঠনৰ চাবি-কাঠি। শিষ্টাচাৰে এখন ঘৰৰ তথা এখন সমাজৰ মাজত মৰম-স্নেহ, শান্তি আৰু ঐক্য অটুট ৰাখে।

কিন্তু আমাৰ অসমৰ দৰে অনুন্নত দেশবোৰে পশ্চিমীয়া সমাজৰ ৰীতি-নীতি অন্ধভাৱে অনুকৰণ কৰিবলৈ লোৱাৰ ফলত আমাৰ সমাজৰ পৰা শিষ্টাচাৰৰ এনে মহৎ আদৰ্শ লোপ পাবলৈ ধৰিছে। হেটেলাইট টি.ভিয়ে পৃথিৱীৰ চৌদিশে দ্ৰুতগতিৰে বিয়পাই দিয়া পশ্চিমীয়া অন্ধ ৰীতি-নীতি আৰু আদৱ-কায়দাই অসমৰ নিচিনা দেশবোৰৰ মানুহবোৰৰ চকুত জলক-তবক লগাইছে। আমেৰিকান সকলৰ অপসংস্কৃতিৰ অনুকৰণ কৰি আজিকালি কোনো অসমীয়া ল'ৰাইও নিজৰ পিতৃৰ সমবয়সীয়া মানুহক নামকাঢ়ি মাতিবলৈ আৰম্ভ কৰিছে আৰু অশালীন ব্যৱহাৰ কৰিছে। এইবোৰ কোনো ভালৰ লক্ষণ নহয়। বৰ্তমান সৰ্বগ্ৰাসী পশ্চিমীয়া প্ৰভাৱে আজি ভাৰতীয় তথা অসমীয়া পৰিয়ালত থকা পিতৃ-মাতৃৰ মৰ্য্যাদাৰ আসনখন থৰক বৰক কৰি তুলিছে। আমি সকলোৰে জানো আজিৰ সমাজত শিক্ষিত মানুহৰ সংখ্যা আগতকৈ বহুগুণে বাঢ়িছে; কিন্তু এই শিক্ষিত লোকসকলে (সকলোৱেই নহলেও এক বুজন অংশই) এনে এটা পৰিবেশৰ সৃষ্টি কৰিছে য'ত পিতৃ-মাতৃ, শিক্ষক, বয়স্কলোক আৰু মহিলাসকলক সন্মান দেখুওৱাটো নিয়ম নহৈ বিৰল ব্যতিক্ৰমত পৰিণত হৈছে, নাৰীৰ প্ৰতি অশালীন আচৰণ আৰু নাৰী ধৰ্ষণ নিত্য-নৈমিত্তিক ঘটনাত পৰিণত হৈছে। আগতে সন্তানে পিতৃ-মাতৃক আৰু ছাত্ৰই শিক্ষকক ভয় কৰিছিল, এতিয়া ঘটিব ধৰিছে তাৰ ওলোটাতোহে। শিষ্টাচাৰৰ অভাৱেই ইয়াৰ মূল কাৰণ বুলিব পাৰি।

অতীতত সমাজত শিষ্টাচাৰী মানুহৰ সংখ্যা বেছি আছিল; কাৰণ ঘৰত পিতৃ-মাতৃৰ শাসন আৰু পঢ়াশালিত শিক্ষকৰ শাসনে ল'ৰা-ছোৱালীক ভদ্ৰ আৰু নম্ৰ হ'বলৈ বাধ্য কৰাইছিল। কিন্তু এতিয়া সেই ভদ্ৰ আৰু নম্ৰতা ক্ৰমান্বয়ে কমি আহিছে। যুৱচামে অন্ধভাৱে অনুকৰণ কৰা পশ্চিমীয়া অপসংস্কৃতিৰ আধুনিকতাই ইয়াৰ এক অন্যতম প্ৰধান কাৰণ হিচাপে উল্লেখ কৰিব পাৰি। সমাজত সদাচাৰী আৰু শিষ্টাচাৰী মানুহৰ যুগ ঘুৰাই আনিবলৈ হ'লে স্কুল-কলেজ সমূহত কঠোৰ অনুশাসন প্ৰৱৰ্তন কৰাটো অতি

দৰকাৰী। লগতে পিতৃ-মাতৃ সকলেও নিজ সন্তানক নিখুঁট অভিভাৱকত্ব প্ৰদানৰ প্ৰতি গুৰুত্ব দিয়া উচিত।


Human life is a condition in which there is little to be enjoyed and much to be endured - অৰ্থাৎ জীৱনত কৰিবলগীয়া কথা খুব কমেইহে থাকে; বেছিভাগ কথাকেই আমি কেৱল সহ্য কৰিবলগীয়া হয়। এই সহ্য কৰা কামত যি কেইটা বস্তুৱে আমাক অতি সহায় কৰে সেইবোৰৰ ভিতৰত এটা হ'ল শিষ্টাচাৰ। অসংখ্য ঘাত-প্ৰতিঘাতে আমাৰ জীৱনত যিবোৰ যন্ত্ৰণাময় ঘাঁৰ সৃষ্টি কৰে সেই ঘাঁত শিষ্টাচাৰে উপযুক্ত ঔষধৰ কাম কৰে।

বৰ্ত্তমান দেশত যি পৰিস্থিতি সৃষ্টি হৈছে তাৰো এক অন্যতম কাৰণ হৈছে মানুহৰ মাজত দেখা দিয়া শিষ্টাচাৰৰ অভাৱ। এনে পৰিস্থিতিত শিষ্টাচাৰৰ প্ৰয়োজন মনকৰিবলগীয়া। আমি যদি সকলোৱে শিষ্টাচাৰৰ অনুশীলন কৰিবলৈ শিকো তেন্তে আমি পৰস্পৰে - পৰস্পৰৰ প্ৰতি সহানুভূতিশীল হবলৈও শিকিম আৰু ইয়াৰ দ্বাৰাই সৃষ্টি হ'ব আমাৰ ঐক্য, শান্তি আৰু মৰমৰ এক অটুট বন্ধন। আৰু তেতিয়াই আমি উপলব্ধি কৰিব পাৰিম ঐক্য আৰু শান্তিৰ জ্যোতি কিমান মধুৰ আৰু সুদূৰ প্ৰসাৰী।।

(বিঃ দ্ৰঃ- মূল প্ৰবন্ধটো অতিশয় দীঘল হোৱাৰ বাবে বিষয় বস্তুৰ গুৰুত্বলৈ লক্ষ্য ৰাখি সাৰাংশখিনি চুটিকৈ পাঠকৰ আগত দাঙি ধৰা হল - সম্পাদিকা।)

ত্যাগ কৰি ত্যাগৰ কাৰণে মনত দুখ পাব লাগিলে ত্যাগৰ মহান আদৰ্শটোৱেই নষ্ট হয়। যি বস্তু অনিষ্টকৰ বুলি ভৱা যায়, তাক এৰি দিয়া যায়, সেই কাৰণে সেই বস্তু এৰি দিয়াত আনন্দ অহা উচিত।

- মহাত্মা গান্ধী



# বিক্ষিপ্ত অনুভৱ

অনুৰাগ

'লিখো কিবা এটা', এই ভাৱত লিখিবলৈ বহিলে দিগদাৰী হয়। কাৰণ তেনে পৰিস্থিতিত মোৰ জপৰা চুলিকোচাৰ তলত স্থিত মগজুখিনিয়ে উখল-মাখল লগায়-ঠিক যেন অসমৰ ৰঙালি বিহুৰ আয়োজনহে চলিব লাগিছে। কি বিষয়ে লিখিম, কাৰ বিষয়ে লিখিম --- একেবাৰে অসীমলৈ বিস্তৃত ৰেলৰ চিৰিদুটাৰ দৰে লেথাৰি নিছিগা এলানি অবান্তৰ প্ৰশ্ন। বস্তুতঃ পৰিণাম সদায় একেই-; মোৰ লিখো লিখো 'ভাৱ'টো প্ৰশ্নৰ ভাৱৰাজ্যত হাবু ডুবু খাই অৱশেষত মাঘ বিহুৰ মেজিৰ জুইৰ পৰা তাপ সহিব নোৱাৰি পলাই ফাট মৰা ফিৰিঙতিৰ দৰে কোনোবা মুলুকলৈ যাত্ৰা কৰে। আৰু 'ভাৱ'টোৰ সাক্ষী হৈ ৰয় মোৰ বিকৃত মুখমণ্ডল আৰু কেইবাঠেকেছো খাই কৰ্ফাল খাই টেবুলত পৰি থকা মোৰ ডায়েৰীখন আৰু কলমডাল। কোনোবাকালত মায়ে মোৰ মনত জন্ম দিয়া সৰস্বতী দেৱীগৰাকীৰ ভয়তেই হওক বা সৰস্বতী পূজাত বলে নোৱাৰা হ'লেও ধুনপেছ মাৰিবলৈ পিন্ধা মস্ত দীঘল শাৰীবোৰলৈ মনত পৰিয়েই হওক - ডায়েৰীখন আৰু কলমডাল অগত্যা সেৱা সৎকাৰ কৰি নিৰাপদ স্থানত থৈ দিও - যাতে পিছৰবাৰ বস্তু বিচাৰি ফুৰোতেই মোৰ লিখাৰ ইচ্ছাখিনি পলাই ফাট নামাৰে। ঠিক তেনে কোনো অমৃত মুহূৰ্ত্তত (মোৰ বাবে অমৃত আৰু পাঠকৰ বাবে গৰল!) মোৰ কলমে ধৰি ৰখা দুই এটি লাগ-বান্ধ নোহোৱা অনুভৱে মনত ভূমুকিয়াইছে। তেনে কিছু দুই এটা অনুভৱৰ টোপোলা পাঠকৰ বিচাৰ-বিবেচনাৰ বাবে অৰ্পণ কৰিলো -।

'যদা যদাহি ধৰ্ম্মস্য (?)...'

ৰথৰ চকৰি ঘূৰে। কেতিয়াবা বতাহৰ দিশত; কেতিয়াবা বিপৰীত ফালে - আশা-আকাঙ্ক্ষা লোভ-মোহ তেতিয়া থুপ খাই কোনোবা পথাৰৰ দাঁতিৰ লঠঙা গছত জিৰায়। শুকান পথাৰখনে তেতিয়া মাথো বুকুৰ ওপৰত এটা গধুৰ বোজা লৈ তন্ময় হৈ ৰয়; 'জানোছা মানুহৰ খোজ এতিয়াই পৰে, মোৰ বুকুত!'... কাঁচিৰ খচ্ খচ্, গাভৰুৰ প্ৰাণোচ্ছল হাঁহি ... আৰু বহু কিবাকিবি। ৰবাবটেঙাৰ বাকলি আৰু দুৰ্ভগীয়া এৰি থৈ যোৱা ধানৰ মুঠিবোৰে ওৰেৰাতি হাড় কঁপোৱা জাৰত থক্থক্কৈ কঁপে। নিহালিৰ উম লৈ সকলো জিৰায় দূৰণিৰ বিস্তৃত পথাৰখনে ঠিক তেতিয়াই নিৰ্জনতাৰ সুযোগ লৈ আকাশৰ সতে কথা হয়। সেই যে তৰাবোৰ ... আকাশজুৰি থকা অকণ অকণ তৰাবোৰ সিহঁতৰ প্ৰত্যেককে লগত একো একোজনী জোনাকীৰ বিয়া হয়। ফেঁচায়ে বিয়ানাম গায়। ভোটা তৰাটো সাক্ষী হৈ ৰয় পথাৰ আৰু আকাশৰ গভীৰ প্ৰেমৰ - নিয়ৰৰ টোপালবোৰ এটা এটাকৈ সৰে। সিহঁতবোৰ মুকুতাৰ দৰে জ্বলে।

ৰাস্তাৰ দাঁতিৰ নৰ্দমাত কেঁচুৱাই তেতিয়াও কান্দে - আকাশত নৰমঙহৰ গোন্ধত মতলীয়া শগুণ তেতিয়াও উৰে। তথাকথিত নিঃস্বাৰ্থতাৰ আঁৰতে স্বাৰ্থৰ তাগিদাত এতিয়াও স্বাধীনতাৰ অপৰিকল্পিত দিবা স্বপ্নৰত শতজনে নজনাকৈয়ে তৰোৱাল দাঙে ... তেহেলৈ কুৰি শতিকাৰ বিদায়ক্ষণত আমি মানৱজাতি যিমান সভ্যই নহও কিয়? অথবা বৰ্বৰ? 'আমাৰ উন্নতিৰ জখলাডাল সঁচাই ঈৰ্ষা কৰিবৰ জোখাৰেই ওখ!'

বৰ বৰ মানুহৰ বৰ বৰ ভাষণ ! কিমান শুনিবা তেখেতসকলৰ ৰামৰাজ্য গঠনৰ পৰিকল্পনা। আচৰিত হ'বৰ বাবেই নেকি-আমি বোলে ধৰ্মনিৰপেক্ষ? গাইগুটীয়াকৈ আমি সকলোবোৰেই ধৰ্মনিৰপেক্ষ - আমাৰ বহল হৃদয় - । কিন্তু যেতিয়াই ধৰ্মীয় সমাজখনত সমজুৱাভাৱে আমাৰ নিৰাপত্তাৰ আশ্বাস পাওঁ তেতিয়াই আমি নিজৰ নিজৰ (?) ভগৱানক পূজা কৰাত ব্যস্ত ! সঁচাই; জীৱশ্ৰেষ্ঠ (?) মানৱৰ সবাতোকৈ মহত্বপূৰ্ণ আৱিস্কাৰ হৈছে 'ধৰ্ম'। কম পাক্‌ঘূৰণি খাই থাকিবলগীয়া বিষয় নে? ইয়াৰ পিছতে আজি বহুযুগ মানৱজাতি পকৱাই পোৱাদি ঘূৰি ফুৰিছে-সমাধানবোৰো চমকপ্ৰদ পাইছে - কেতিয়াবা যদি ক্ৰুছেদ হৈছে; কেতিয়াবা মন্দিৰ মছজিদৰ ধ্বংসলীলা। কেতিয়াবা আকৌ influential একোজনে সমস্যা সমাধান কৰাৰ উদ্দেশ্যে একোটাহঁত নতুন ধৰ্মৰে প্ৰৱৰ্ত্তন কৰিছে। কিন্তু তাৰ ফলত ধৰ্ম সম্পৰ্কে হোৱা যুঁজ বাগৰখনত আৰু এটা নতুন দল চামিল হৈছে।

এতিয়া এই বিশ্বাসবোৰ বিসৰ্জন দিবৰ সময় আহিছে - ন'হলে ধ্বংস অনিবাৰ্য্য ! কিন্তু কি এক উপহাস কৰিছো মই নিজ কলমেৰেই নিজৰ বাস্তৱ সত্বাটোক। হঠাৎ মন্তব্য প্ৰদানত ভয় থাকে - কাৰণ মোৰ মগজু গঠনত আজিলৈকে পৰা পৰিবেশৰ প্ৰভাৱ। যি মানৱীয় মূল্যবোধেৰে আমাক গঢ়া হ'ল তাৰ বিৰোধিতাত আমাৰ পদে পদে সংশয়। জানোছা ভৱিষ্যত অন্ধকাৰ। ভগৱানে নকৰক ! এয়া। আকৌ নাস্তিকৰ দৰে ব্যৱহাৰ কৰিবলৈ লোৱাজনৰ মুখতে হৰিনাম !এয়াইটো আমাৰ আটাইতকৈ ডাঙৰ সমস্যা। এয়া সেই ইংৰাজী সাধুটোৰ শেষৰ বাক্যশাৰী WHO WILL BELL THE CAT - ৰকমৰেই কথা। আমি বিচাৰিম কোনোবাই আগতে কৰক আৰু এই আশাৰে বহি থাকি আমি আকৌ প্ৰয়োজন হ'লে হাতত তুলি ল'ম ধৰ্মীয় ঝাণ্ডা! সেয়েহে আমি যি হ'লো নতুন প্ৰজন্মটোক বাস্তৱবাদী হ'বলৈ শিকোৱাটোহে ডাঙৰ কথা। মানসিক শান্তিৰ প্ৰশ্নটো যিমানলৈকে আছে - তাতো মগজু গঠনৰ প্ৰক্ৰিয়াটোৰ ভূমিকা আছে। এইখিনিতে এটা কথা মনত পৰিছে। অতি আদৰেৰে তোলা সন্তানটোৰ দুৰ্মতিবোৰ দেখি এহাল দম্পতীয়ে তাক অনবৰতে ককৰ্থনাৰে আক্ৰমণ কৰাৰ মুডত থাকে। এই মুডটোৰ কাৰণেই ল'ৰাটোক মাতিবলৈ ল'লে গৰু বুলি। এতিয়া ঘটনাই এনে ৰূপ ল'লে যে ল'ৰাটোক গৰু বুলি সম্বোধন কৰিলে যিমান সোনকালে সহাঁৰি পোৱা যায় তাৰ আচল নাম ধৰি মাতিলে সতকাই সঁহাৰি পোৱাটো টান। বোধহয় ল'ৰাটোৱে পৰিৱেশৰ তাগিদাতে আচল নামটো পাহৰিছেই। একেই কথা। সৰুৰেপৰা যেতিয়া ডাঙৰ সমস্যা চকুত পৰিলেই ভগৱান/ আল্লা/ গডৰ কাষ চাপি দেখুওৱা হ'ব - তেতিয়া স্বাভাৱিকতে ল'ৰাটোৱেও ভৱিষ্যতলৈ একে পন্থাই গ্ৰহণ কৰিব। এনেও এয়া আমাৰ সহজাত প্ৰবৃত্তি যে আমাৰ নিজে কৰিবলগীয়া কাম আনৰ দ্বাৰা কৰোৱাই ভাল পাওঁ। এই ক্ষেত্ৰত ভগৱানো যে আমাৰেই তেনে কোনো সহায়কাৰী, মাথো অলপ ওপৰৰ ৰেঙ্কৰ। আমাৰ আকৌ Rankৰ হিচাপ বৰ বেছি নহয়। ইয়াতেই এটা যুক্তি আছে মানসিক শান্তিৰ। - ধৰ্মৰ সৃষ্টি -যলৈকে মানসিক শান্তিৰ কথা আছে ঠিকেই আছে। কিন্তু কেৱল মানসিক শান্তিৰ খাতিৰতে জানো ভগৱানক খোসামুদি কৰি থকা হৈছে? হয়! মানুহৰ একান্ত ব্যক্তিগত জীৱনৰ সমস্যাবোৰ কোনো এক নিৰাকাৰ সত্বা (ভগৱান)ৰ আগত ব্যক্ত কৰিলে মন আৰু আত্মাই শান্তি লাভ কৰে। কিন্তু ইয়াতেই জানো আমাৰ ধৰ্ম বোলা বস্তুটোৰ গুৰু দায়িত্বটো শেষ হৈছে? তদুপৰি যে আমাৰ ধৰ্মভেদে এখন খানা-পিনাৰ লিষ্ট; ধৰ্মভেদে উপাসনাৰ বেলেগ ঠাই আৰু নিয়ম কানুন ! এইবোৰেইতো যত অশান্তিৰ মূল। লগতে অৱশ্যে আমাৰ বিকৃত মগজুটোও আছে। সঁচাই! কোনো অচিন কালত সৃষ্টি হোৱা এই ধৰ্ম বোলা বস্তুটোৱে আমাক চাবি দিয়া পুতলাটোৰদৰেই ঘূৰাই লৈ ফুৰিছে। যাৰবাবে আমি আমাৰ অস্তিত্বটোকো নেওচা দিও, বহুপৰত। মই এয়া নকওঁ যে যাৰ যি মন যায় তাকে কৰাৰ স্বাধীনতা থাকিব লাগে কিন্তু কিছুমান ক্ষেত্ৰত মনটোক স্বাধীনতা দিয়া উচিত।

লাভ নাই! এনে 'heavy dialogue'ৰ কোনো মূল্য নাই - এইসময়ত যেতিয়া কাৰগিলৰ যুদ্ধক নব্বৈ শতাংশই (বাহ্যিকভাৱে নহলেও অন্তৰেৰে-!) ৰাজনৈতিক বুলি নাভাবি ধৰ্মীয় বুলি বিবেচনা কৰিছে। কিন্তু ইচ্ছা কৰিলে মানৱজাতিয়ে অদূৰ ভৱিষ্যতে এখন 'ধৰ্ম' নামৰ Culprit টো নথকা সমাজ গঠন কৰিব পাৰে - লাহে লাহে।

"লাজ !"

বিক্ৰমখন ঠিক চৌকিডিঙ্গি চাৰিআলিটোত বাওঁফাললৈ ঘূৰাবলৈ লৈছে। ড্ৰাইভাৰৰ পাছৰ চিটটোত বহাৰ বাবে এৰি থৈ অহা বস্তুবোৰ মোৰ চকুত ভালকৈ ধৰা দিছিল। এখন ৰিক্সাত এগৰাকী মহিলা আৰু এটি ইউনিফৰ্ম পিন্ধি থকা অকণি ল'ৰা গৱৰ্ণমেন্ট বয়জ স্কুলৰ ফালে ঘূৰিছে। ৰ'বলৈ চিগ্‌নেল দিয়াৰ বাবে আমাৰ বিক্ৰমখন আৰু ৰিক্সাখন ৰ'ল।শান্তভাৱে আহি থকা ল'ৰাটো হঠাৎ সপ্তম হৈ উঠিল। ঠিকেই; অতপৰে যন্ত্ৰবৎ ভাবি চলি অহা জগৎখনে তাক চাবলৈ আহৰিয়েইটো পোৱা নাছিল। সি খপ্‌জপ্‌কৈ তাৰ লংপেন্টটোৰ চেইনডাল নথকা ঠাইখিনি চাৰ্টটোৰে পাৰেমানে ঢাকিবলৈ চালে। পেন্টটোও যেন

নাচোৰবান্দা - আৰু অলপ বহলকৈহে যেন মেল খালে। মোৰ লগত আৰু কেইজনে এই দৃশ্য দেখিলেনে নাই মই নাজানো। মাথো কেইমুহূৰ্ত্তমান তাৰপাছত আকৌ কলেজ অভিমূখে আমাৰ বিক্ৰমখনে গতি ল'লে। দুটা সম্পূৰ্ণ বিপৰীত দিশত সেই ল'ৰাটো আৰু মই আগবাঢ়ি গ'লো। ল'ৰাটোৰ মুখখন পাহৰিলো। কিন্তু কুৰি শতিকাৰ এই যান্ত্ৰিক জগতখনত অলপমান জিৰণিৰ আঁৰত হ'লেও আমি যে অলপ 'লাজ' সাঁচি ৰাখিছো সি মোক সকিয়াই দিলে। সি ছাঁগৈ আজি বহুবাৰ ৰঙা পৰিছে! আৰু মই আজি অন্য দিনাতকৈ অধিক সতৰ্কতাৰে মোৰ দোপাট্টাখন ঠিক কৰি থাকিলো! এয়াই নেকি 'লাজ'? সকলোৰেই আছে। কিন্তু অৱস্থিতিটোৰ পৰিচয় দিবলৈয়ে সংকোচ! এয়া সভ্যতা - নে বৰ্ব্বৰতাৰ পৰা হাত সৰাৰ উপায়?

তাং- ১০/০২/৯৯

"আমি সঁচাই জীয়াই আছো?"

ঠিক থানা চাৰিআলিত কেকুঁৰিটো ঘূৰিয়েই বিক্ৰমখন ৰখালে কেনেকৈ হ'ল - ভালকৈ নেদেখিলো - মই যেতিয়া দেখিলো তেতিয়া তাৰ মুৰটোৰ কোনোবা অংশ (চুলিৰ তলৰ ঠিক কোনখিনি মই নাজানো!) ফাটি তাৰ দুয়োখন গালেদি তেজ বাগৰি গৈছে। বহু অৱস্থাত বহু ঠাইত তেজ দেখিছো কিন্তু তেনেকৈ চাৰিওফালৰ মানুহে মুখ মেলি নিৰ্বিকাৰভাৱে চাই থকা অৱস্থাত অকণমান ল'ৰা এটাক তাতকৈ ভালেমান ডাঙৰ ল'ৰা এটাই ফুটপাথত থপৰিয়াই উলিওৱা তেজ মই আগতে দেখা নাছিলো। ল'ৰাটো মোৰ চিনাকি নহয় আৰু বোধহয় তাত থকা আন মানুহবোৰৰ মাজৰো কাৰো চিনাকি নহয়! কাৰণ তাৰ বাহ্যিকতাখিনিয়ে সি যে কোনো ভদ্ৰঘৰৰ (?) সন্তান সেয়া দাঙি নধৰে। হয় সি কোনো ডাষ্টবিনৰ পৰা কাৰোবাৰ দয়াত মৃত্যুমুখৰপৰা কোনোৰকম হাত সাৰি অহা ল'ৰা - নহ'লেবা প্ৰব্ৰজনকাৰী - অন্যথা অলিয়ে গলিয়ে পৰি থকা অসংখ্য - অজস্ৰ মানুহবোৰৰ ফেক্টৰিৰ এটা 'PRODUCT'। এতিয়া প্ৰশ্নটো সি কোন বা তাৰ অতীত কি সেয়া নহয়! কিন্তু এয়া নিষ্ঠুৰ সত্য যে তাৰ গালেদি বাগৰি যোৱা সেয়া তেজেই আছিল আৰু ৰাস্তাৰ কাষৰ বাছলৈ অপেক্ষা কৰাবোৰ - সকলোবোৰ মানুহেই আছিল! তাৰ মুৰটো যেতিয়া ফাটিছে, তেতিয়াই বোধহয় আমাৰ দেশৰ কোনো এটা গলিত এহাল দম্পতিয়ে প্ৰথমটো সন্তান প্ৰসৱৰ তৃপ্তি উপভোগ কৰিছে; যি স্থলত দুয়োজনেই জানে যে প্ৰসূতিয়ে খাবলৈ খুদকণ এটাও নাই। আৰু; বোধহয় ১৩/১৪ বছৰৰ পাছত এই মাত্ৰ জন্ম হোৱা সন্তানটিকো কোনোবাই ফুটপাথত থপৰিয়াই তেজ বাহিৰ কৰিব।

আৰু আমি? আমি নীৰৱ দৰ্শক। কাৰণ আমাৰ ব্যক্তিগত স্বাৰ্থত এই ঘটনাই কোনো আঘাত নাসানে! আৰু দেশ আৰু সমাজৰ স্বাৰ্থত আঘাত সানিলেই জানিবা - কোনেনো জানি শুনি পুলিচৰ মামলাত (?) সোমাব - নাইবা জেপৰ পইছাখিনি খৰচ কৰিব।

মই সেই মুহূৰ্ত্তত কলেজ অভিমুখে যাত্ৰা কৰি আছো - লক্ষ্য কলেজৰ সৰুসুৰা কাম দুটামান কৰি BANK DRAFT এখন কৰিম 'মেডিকেল এন্ট্ৰেন্সৰ' কাৰণে। অ' ; মোৰ বাবে মোৰ careerয়েই ডাঙৰ। কোনোৱে ক'ব পাৰে যিগৰাকীৰ লক্ষ্য ডাক্তৰ হৈ সেৱা কৰা তেওঁৰেই আকৌ এজন আঘাত প্ৰাপ্ত ল'ৰাক তেনে পৰিস্থিতিত এৰি থৈ গৈছে! নাযামেই বা কিয়? সেইদিনা কৰা মানৱ সেৱাৰ বাবে DME য়ে মোক extra marks নিদিয়ে যি মোক Madical চিট্ পোৱাত সহায় কৰিব। বৰঞ্চ কাম সোনকালে শেষ কৰি ঘৰলৈ এই প্ৰচণ্ড ৰ'দৰ পৰা ঘূৰি গৈ ফ্ৰিজৰ পৰা যিমান সোনকালে এগিলাচ চেঁচা চৰবত খাই পঢ়াত বহিব পাৰো মোৰবাবে সিমানেই মংগল। তেনেস্থলত মই অনাহকতে সময় খৰচ কৰিমেইবা কিহৰ গৰজত? তাত উপস্থিত প্ৰত্যেকৰে বোধহয় মোৰ দৰেই অৱস্থা। এই competitionৰ যুগত career ৰ চিন্তাত আমাৰ চামৰ মগজু ঘোলা হৈ আছে। যিজন বীৰে তাক মাৰিছিল তাৰো ছাঁগৈ তেনে competition য়েই কাৰণ (After all - "The fittest of all survives.")। অ', কৰাৰ ভিতৰত মই ইমানেই কৰিলো যে সেই বীৰজন যেতিয়া আমাৰ বিক্ৰমখনত উঠিলেহি তেওঁক নেদেখাৰ ভাও জুৰি লগৰজনীৰে সৈতে ঘটনাটোৰ বিষয়ে কথা পাতি ভালকৈ এজাউৰি গালি পাৰিলো। কলেজৰ মুখত নামি দেখো - বীৰ পুৰুষজন আমাতকৈ আগতে ক'ত নামিল -গমেই নাপালো।

ঘূৰি আঁহোতে এনেয়ে এবাৰ থানা চাৰিআলিৰ সেই ঠাইডোখৰ চালো। নাই! তেজৰ তিলমানো দাগ নাই। কিমান মানুহৰ জোতাৰ তলত চাগৈ সেই তেজৰ চেকুঁৰা লাগি গ'ল - আৰু কোনটো গলিত মূৰত বেণ্ডেজ (?) কৰা কোনটো ল'ৰাই বা সেই জোতাকেই চাফা কৰিছে - নহ'লেবা গেলা-পচা বস্তু পৰি থকা কোনটো ডাষ্টবিনত বাকোনোবাই তেজৰ চেকুৰা লগা জোতাযোৰ দলিয়াই পেলাইছে! উস! বৰ অসহ্য ইয়াত জীয়াই থকা। তাতোকৈ অসহ্য ইয়াত মানুহ (?) হিচাপে জীয়াই থকা! বোধহয় আমাৰ অনুভৱবোৰৰ মৃত্যুৰ দিন চমু চাপি আহিছে!

তাং - ১২/০৬/৯৯

# গল্পের সম্ভার

# প্ৰেম, সংশয় আৰু সিহঁতবোৰ

শ্ৰীপল্লবিতা দাস
স্নাতক তৃতীয় বৰ্ষ, বুৰঞ্জী বিভাগ

মৌ এ প্ৰায়ে ভাবে জীৱনটো নতুনকৈ আৰম্ভ কৰা যাওক। অকণমানি এটা সপোন, এমুঠি মান আশাৰে নতুনকৈ জীপাল কৰা হওক, জীৱনটো কৰা হওক পুনৰ সেউজীয়া। কিন্তু কেনেকৈ? এৰি অহা দিনবোৰ, সপোনবোৰ, স্মৃতিবোৰ- সকলোবোৰতো তাইৰ অন্তৰত থূপ খাই আছে আৰু সেইবোৰক বাদ দি তাই নিজকে পুনৰ নতুনকৈ গঢ় দিব কেনেকৈ?

এটা নিৰ্দিষ্ট বয়সত মানুহৰ শৰীৰ আৰু মস্তিস্কৰ বিকাশ বন্ধ হৈ যায়। শৈশৱ, কৈশোৰ, যৌৱন, অতিক্ৰম কৰি বৃদ্ধ অৱস্থাত উপনীত হোৱাৰ পাছত মানুহ পুনৰ ঘূৰি যায় শৈশৱৰ সোণোৱালী দিনবোৰলৈ; সেই স্মৃতি বিজড়িত দিনবোৰ হৈ পৰে 'একমাত্ৰ বিশ্বাসী সংগী' মানুহৰ জ্ঞানৰ সীমাবদ্ধতা আৰু শৰীৰৰ বিকাশৰ গতি ৰূদ্ধ হৈ যোৱাৰ পাছতো মানুহৰ মন, হৃদয় আৰু অনুভৱ এইবোৰ পৰিবৰ্ত্তন হৈ থাকে। যি হেতুকে পৰিবৰ্ত্তনশীল পৃথিৱী, ঋতু আৰু দিনৰ লগতে মানুহৰ মনটোও পৰিৰ্বৰ্তনশীল। কোনো মানুহে চিৰদিন এটা আশা এটা সপোন বুকুত উম দি জীয়াই ৰাখিব নোৱাৰে, সচাঁ অৰ্থত নাৰাখে। য'ত নেকি সেই আশা পূৰ্ণ হোৱাৰ কোনো থলেই নাথাকে। কিছু ক্ষেত্ৰত কব পাৰি মানুহৰ জীৱনটো অপূৰ্ণ কিছুমান আশা আৰু অবাস্তৱ কিছু সপোনৰ সমাহাৰ।

কিন্তু মৌ এ কিয় পৰা নাই সেই অদ্ভুত আকাঙ্ক্ষাবোৰক প্ৰতিহত কৰিবলৈ? ইমানেই তীব্ৰ নে তাইৰপ্ৰেম ? আচলতে তাই বাৰু সত্যক স্বীকাৰ কৰিবলৈ ভয় কৰিছে নেকি? শৰতৰ বাৰম্বাৰ অস্বীকাৰ কৰাৰ পাছতো তাই কিয় আশা কৰি আছে এদিন শৰতৰ হৃদয়ত উথলি উঠিব মৌৰ প্ৰতি দুৰ্বাৰ ভালপোৱা। কি যে অদ্ভুত কল্পনা! মাথোন ঈশ্বৰৰ ওপৰত থকা গভীৰ আস্থা আৰু বিশ্বাসেৰে জানো পাব পাৰি আকাঙ্খিতজনৰ মন, হৃদয় আৰু শৰীৰ...

স্মৃতি মোৰ দুঃখৰ আধাৰঃ-

'স্মৃতি তই কিয় অকলে নাহ'?
ৰঙা দুঃখ আৰু নীলা বেদনাৰ
সতে নাহিবি মোৰ কাষলে'...

মেজৰ ক্লাছটোৰ শেষত মৌ একপ্ৰকাৰ উচাৎ মাৰিয়েই খৰখেদাকৈ ক্লাছৰুমৰ পৰা ওলাই আহিছিল, উদ্দেশ্য সাত নম্বৰ ৰুমৰ কাষৰ চিৰিকেইটা.. তাত হয়তু ইমানপৰে শৰৎ আহি বহি আছেহি.. কিন্তু তাইক যোৱাত বাধা দিলে ঋতুৰ চিঞৰটোৱে; ঐ ছোৱালী ১২.৪০ৰ ক্লাছ মিছ নকৰিবি আৰু শুন... সি আগবাঢ়ি অহা দেখি মৌ থমকি ৰবলৈ বাধ্য হৈছিল। ক'তনো তাই ক্লাছ কৰিছিল ! অনবৰতে তাইৰ কেয়াৰ লোৱা, অকৃত্ৰিম বন্ধুত্বৰ দাবী কৰিব পৰা ঋতুৱে প্ৰয়োজনীয় নট্‌ছ, প্ৰশ্নকাকত সকলো দি গৈছিলহি.. আৰু তাই? ব্যস্ত হৈ পৰিছিল শৰতৰ সৈতে.. কি যে দিন আছিল সেইবোৰ । মানুহৰ বাহ্যিকতাত তাই খুবেই বিশ্বাস কৰিছিল। সৰলতা, চঞ্চলতা আৰু আন্তৰিকতাৰে তাইক শৰতৰ বাহ্যিক আচৰণে বাৰুকৈয়ে মোহাছন্ন কৰি ৰাখিছিল.. "মৌ, পমীক মই খু-উ-ব ভাল পাইছিলো জানা! কিন্তু মই তাইৰ আগত মোৰ হৃদয়ৰ অনুভৱ প্ৰকাশ কৰাৰ আগতেই তাই আনৰ হৈ গ'ল.. বৰ ভুল হৈ গ'ল.. প্ৰথম প্ৰেম মোৰ অপ্ৰকাশিত হৈয়ে ৰ'ল"। চকুৰ কোণ দুটা সেমেকি উঠিছিল শৰৎৰ আৰু মৌ.. সান্তনা দিয়াৰ কোনো ভাষা নাছিল তাইৰ ওচৰত.. তাই মাথো ভাবি ৰৈছিল শৰত এতিয়া তাইৰ, মাথো তাইৰ... লাহে লাহে তাই শৰতৰ প্ৰতি ক্ৰমাৎ দুৰ্বলৰ পৰা অধিক দুৰ্বলতৰ হব ধৰিলে.. শৰতে যে তাইক পোনপটীয়াকৈ কিবা এষাৰ কৈছিল নতুবা কিবা তীব্ৰ আশা দিছিল এনে নহয় কিন্তু তাই নিজে নিজে ভাবিবলৈ ধৰিছিল পমীক হেৰুৱায় শৰৎ এতিয়া দুঃখত ভাগি পৰিছে আৰু হয়তো সিও তাইৰ প্ৰেমত

পৰিছে.. এই ভবাতেই যে কি মাৰাত্মক ভুল হৈ গ'ল। ঋতুৰ সৈতে এনেধৰণৰ কথা তাই কেতিয়াও পাতিব নোৱাৰিছিল। সি ব্যস্ত মাথোন তাৰ কেৰিয়াৰ, বৰ্তমান আৰু ভৱিষ্যতক লৈ.. তাৰ মতে প্ৰেম, ভালপোৱা, ভাললগা এই সকলোবোৰ অনুভূতি সাময়িক.. সময়ৰ নিষ্ঠুৰ আঘাতত এদিন সকলোবোৰ অনুভূতি নোহোৱা হৈ যায়। চাই থাকিবা শৰৎ গুছি গ'লে তুমিও পাহৰি যাবা.. শূণ্য হৈ পৰিব তোমাৰ অনুভৱ.. তাই মুখত সমস্ত খং, অভিমান থূপ খোৱাই তালৈ অশ্ৰুসিক্ত নয়নেৰে অকঁৰা লাগি চাই ৰৈছিল আৰু ঋতু; সি যেন এটা তেজ মঙহৰ ল'ৰা নহয় এচটা শিলহে। এনেকুৱাই লাগিছিল সেই সময়ৰ ঋতুক।

আৰু তাই সেয়ে হৃদয় উজাৰি লিখিছিল মনৰ কথাবোৰ ঠিক সেই সময়তে নতুনকৈ বন্ধুত্ব গঢ়ি উঠা অনিমেষলৈ। যি প্ৰিয় শৰতৰ স্মৃতিবোৰ দেখোন তাইৰ বাবে একো একোটা বিষাদ ভৰা হুমুনিয়াহৰহে উৎস হৈ পৰিল.. আৰু তাৰ পৰিবৰ্ত্তে অতি সাধাৰণ বুলি ভবা অনিমেষৰ স্মৃতি আৰু বৰ্তমানেও জানো তাইৰ সমগ্ৰ সত্ত্বা আৱৰি থকা পুৰুষজন অনিমেষ নহয়! অথচ তাই এই সহজ কথাষাৰকে স্বীকাৰ কৰি মানি ল'ব খোজা নাই.. যদিওবা শৰতে তাইক বাৰে বাৰে কন্দুৱায় অথচ তাই স্থিতপ্ৰজ্ঞ।ক' ত জানো পাইছিল তাই 'নিজৰ প্ৰাৰ্থনা পূৰ হওক বা নহওক, যি প্ৰেম চিৰকাল একেই থাকে সিয়েই প্ৰকৃত প্ৰেম'। তাই সকলোকে দেখুৱাই দিব খোজে শৰতক তাই প্ৰকৃত ভাল পায়... কিন্তু অনিমেষ??

বাস্তৱ, সময় আৰু সপোনঃ-

আজিকালি মৌ কিবা এক যন্ত্ৰৰ দৰে হৈ পৰিছে।। জীয়াই থাকিব লাগে বাবেই যেন জীৱনৰ বোজাটো তাই সহ্য কৰি গৈ আছে। আত্মহত্যা কৰাৰ কথা তাই কোনোদিনেই ভবা নাই; অথচ প্ৰতিনিশা শোৱাৰ সময়ত একান্ত নিষ্ঠাসহ ভক্তিভাৱেৰে তাই ঈশ্বৰক প্ৰাৰ্থনা কৰে যেন আজিৰ নিশাটোৱেই তাইৰ বাবে শেষ নিশা হওঁক। ক'তা পাছদিনাখন দেখোন তাই পুনৰ আৱিস্কাৰ কৰে তাই এতিয়াও জীৱিত আৰু পুনৰ সেই একে ব্যস্ততা অথচ নিঃসংগতা..

শৰৎ এতিয়া মৰহা অতীত.. তাই নিজে ভাবিও আচৰিত হয় শৰৎ আৰু পখীৰ বিয়াৰ কথা শুনাৰ লগে লগে শৰতৰ প্ৰতি তাইৰ সকলো ভালপোৱা কিদৰে নোহোৱা হৈ গ'ল। তাই কিয় এতিয়া শৰতৰ কথা ভাবি বিচলিত হৈ নপৰে; কিয় তাই আগৰ দৰে আৱেগিক হৈ কবিতা নিলিখে.. কিয়, কিয়?? কিন্তু অনিমেষ? তাই বুজি নাপায় কথাবোৰ.. অস্থিৰ হৈ পৰে অনিমেষৰ কথা ভাবি.. বন্ধুত্বৰ পৰা প্ৰেম। তাই স্বীকাৰ কৰিব নুখুজে কথাটো। অথচ তীব্ৰ যুক্তি প্ৰদৰ্শন কৰি অস্বীকাৰ কৰিবলৈও সাহস নাই।

কলেজৰ শেষ ক্লাছটো কৰি ঘৰ পায়হি মানে তাইৰ চাৰি মান বাজেই। ষ্টুডেন্ট বেছি নাথাকিলেও তাই ক্লাছটো লবলৈ ৰৈ থাকে। ঘৰলৈ সোনকালে আহিবলৈ তাই বৰ অশান্তি পায়। দেউতাকৰ চিন্তিত মুখ, মাকৰ অযথা বুজনি, বায়েকৰ সৈতে তাইৰ মত বিৰোধ তাইৰ ভীষণ অস্বস্তি লাগি যায় এই সকলোবোৰ.. সেই দিনাখনো তাই অলপ আগতে ঘৰ সোমাইছিলহি। মাকে চাহ-খাবলৈ মতাত তাই ৰুমৰ পৰা ওলাওতে কলিং বেলটো বাজি উঠাত দুৱাৰ খুলিবলৈ গ'ল.. সন্ধিয়া বাৰাণ্ডাৰ ষাঠি পাৱাৰ বাল্বৰ পোহৰত এখন অনাকাঙ্ক্ষিত মুখ। মৌ এক মুহূৰ্ত্তৰ বাবে অপ্ৰস্তুত হৈ পৰিল। কিছুমান ঘটনাৰ বাবে মানুহ কেতিয়াবা সচাঁয়ে অপ্ৰস্তুত হৈ পৰে.. "ঐ ভিতৰলৈ নামাত"? হু, অ' বুলি কৈ মৌ এ প্ৰায় হাতত ধৰিয়েই অনিমেষক ভিতৰলৈ মাতিলে ...

*অকস্মাতে মানুহে প্ৰেমত পৰে*  
*যি কোনো সময়ত,*  
*অথবা বাটেদি গৈ থাকোঁতে।।*  
*কিন্তু মানুহে স্বীকাৰ নকৰে*  
*আমি যে একেটা বাটেৰে*  
*গৈ আছো।। ( জীৱন নৰহ )*

মৌৰ আবদাৰত অনিমেষে বাধ্য হৈ জীৱন নৰহৰ কবিতা কেইফাঁকি যিমান পাৰি দৰদ ঢালি গালে.. মৌ ক্ষন্তেকৰ বাবে বোবা হৈ গ'ল- তাইৰ দুচকুত সমস্ত পৃথিৱীৰ ৰং, অথচ বিস্ময়! একেটা কবিতাৰ কথাকে তাইও ভাবি আছিল। ৰাতি ইতিমধ্যে বহু হৈ আহিছিল। আকাশৰ জোনটো তেতিয়াও মৌহঁতৰ ঘৰৰ চোতালত বকুল জোপাৰ আঁৰত.. দুয়ো কিছুপৰ নিশ্চুপ হৈ ৰ'ল.. "মৌ, শৰতৰ কিবা খবৰ পাইছ?" অনিমেষৰ প্ৰশ্নটোৱে মৌক জোকাৰি গ'ল.. কিয় লাগে তোক? নাই মই জানিব খুজিছিলো তোৰ আশাবোৰ, সপোনবোৰ একেই হৈ আছে নেকি? একেই হৈ থাকিলেই বা কি হ'ল নাইবা যদি মই কওঁ মই সলনি হ'ব ধৰিছো, তলৈ নামিব ধৰিছো তেতিয়া? অনিমেষে মৌৰ পৰা এনে উত্তৰ আশা

কৰা নাছিল হয়তো। সি যথেষ্ঠ আহত হ'ল.. কিবা ভাবি আকাশৰ ফালে উদাস দৃষ্টিৰে চাব ধৰিলে... মৌ এ কথাটো উপলব্ধি কৰি কিবা এটা কব লওঁতেই বাৰাণ্ডালৈ মাক ওলাই আহিল। দুয়োকে ৰাতি হোৱাত শুবলৈ কোৱাত মৌ মাকৰ সৈতে নিজৰ ৰুমলৈ গুচি গৈছিল... অনিমেষ ৰুমলৈ আহি কেতিয়া শুলে কোনেও গমকে নাপালে..

লক্ষ্য বাছষ্টেণ্ড... ৰিক্সাত মৌ আৰু অনিমেষ, দুয়ো নীৰৱ.. কি ভাৱত দুয়ো বিভোৰ কোনেও নাজানে.. নীৰৱতা ভংগ কৰি অনিমেষে কৈ উঠিল, মৌ বেয়া নাপাৱ যদি কথা এটা কওঁ? মৌ এ সম্মতি সূচক দৃষ্টিৰে তালৈ চোৱাত সি কব ধৰিলে... মৌ মই আচলতে কব খুজিছিলো এৰি অহা দিনবোৰত পোৱা নোপোৱাৰ হিচাব কৰি কি লাভ। যাৰ স্মৃতি মাথোন যন্ত্ৰণাৰ উৎস, তেনে উৎসক নিৰ্মূল কৰাটো জানো পাপ! তাৰ পৰিৱৰ্ত্তে মানুহে বৰ্তমান আৰু বাস্তৱ আৰু সময়ৰ প্ৰয়োজনীয়তাক গুৰুত্ব দিলে একো ক্ষতি নহয় নেকি? তই কি কব খুজিছ মই বুজা নাই? মৌৰ কথাত অনিমেষ কিছুপৰ নীৰৱ... মানে মোৰ কথা হ'ল য'ত আশা কৰি লাভ নাই তাৰ বাবে ৰৈ থকাটো জানো নিৰৰ্থক নহয়। কথাষাৰ কৈয়ে অনিমেষৰ ভাৱ হ'ল ছেঃ তাৰ দুৰ্বলতাবোৰ প্ৰকাশ হৈ গ'ল নেকি? ভিতৰি ভিতৰি সি মৌৰ পৰা এক তীব্ৰ মানসিক আঘাত পাবৰ বাবে সাজু হৈ ৰ'ল। কিন্তু তাক আচৰিত কৰি তাই মাথো ক'লে মই বৰ তললৈ নামি গ'লো অ'.. ওলাই আহিব ধৰা কান্দোনটোক তাই কোনোৰকম হেঁচি ৰাখিলে.. ভিতৰি ভিতৰি গোটেই মানুহজনী অস্থিৰ হৈ পৰিছে... তাই খুউব ভালকৈয়ে বুজি উঠিছে এইয়া তাইৰ মাৰাত্মক ভুল। বন্ধু হিচাপে যিটো ল'ৰাই তাইৰ মনৰ খবৰ লয় সেই ল'ৰাটোৰ প্ৰতি তাইৰ হৃদয়ত জাগি উঠিছে অনুকম্পা .. ছিঃ তাই কাৰো ভাল বন্ধু (?) হব নোৱাৰিলে .. তাই অনিমেষৰ মুখলৈ, চকুলৈ চাব পৰা শেষ সাহসকণো যেন হেৰুৱাই পেলালে। যদিও বা প্ৰথম প্ৰেমৰ উন্মাদনা এই ভালপোৱাত নাই; কিন্তু তাই খুউব দকৈ অনুভৱ কৰিছে এইকথা,- যে অনিমেষক তাইৰ খুউব প্ৰয়োজন .. প্ৰকাণ্ড ৰ'দত পিয়াহ গুচোৱা একাঁজলি পানী আৰু শৰীৰ শাঁত পেলোৱা এজোপা বৃক্ষৰ ছাঁৰ দৰে হৈ পৰিছে অনিমেষ... কি কৰিব তাই?? ইতিমধ্যে খাই শেষ হোৱা ক'ল্ড ড্ৰিংকৰ কেনটো তাই জোৰেৰে ৰাষ্টালৈ পেলাই দিলে ... তাৰ লগতে যেন তাই উফৰাই পেলাইছে তাইৰ এই স্বাৰ্থপৰ অনুভৱ... অনিমেষ বাছত বহাৰ পাছত মৌ নামি আহিল... ঐ শুনছোন sorry.. মই তোক বৰ দুঃখ দিলো নেকি? মৌৰ হাঁহি উঠি গ'ল অনিমেষৰ প্ৰশ্নত... তাই একো নক'লে... ইতিমধ্যে বাছ যাবৰ হৈছে.. তোক কথা এটা কবলৈ থাকি গ'ল; অনি গৈয়ে ফোন কৰিবিচোন দেই.. বাই ... হাত জোকাৰি জোকাৰি দুয়ো দুয়োকে বিদায় দিলে ..।

তৰুলতা আৰু ইতস্ততঃ প্ৰেমঃ

ঋতু আহিছিল হাতত মিঠাইৰ টোপোলা আৰু এখন মেগাজিন লৈ আহিয়েই উৎপাত - "ঐ চাচোন চা তোৰ গল্পটো.. কলেজ মেগাজিনৰ শ্ৰেষ্ঠ নিৰ্বাচিত হৈছে।" মৌ এ মেগাজিনখন হাতত লৈয়ে পাত লুটিয়াই নিজৰ গল্পটো বিচাৰি পঢ়িছিল, চাইছিল তাইৰ নিজৰ সৃষ্টি তৰুলতাক, তৰুলতাৰ মন আৰু তাইৰ ইতস্ততঃ প্ৰেম.. "সচাঁয়ে তৰুলতাজনী বৰ আচৰিত। তোৰ তৰুলতাক মোৰ খুউব পচণ্ড হৈছে", চাহ খাই থকাৰ পৰা ঋতুয়ে কৈছিল। কিতাপৰ তৰুলতাক ভালপালে কি হব, তেজ মঙহৰ মানুহ এজনী আজিলৈকে বিচাৰি নাপালি আৰু তই! আগৰ ঋতুৰে হৈ আছ এতিয়াও। মৌ যেন কিছু আচৰিত ! নহয় অ' এজনী ভাল লাগিছিল, মই খুলি কব নোৱাৰিলো, তাতে তাইৰ আক' অন্য এজনৰ প্ৰতিহে ভীষণ দুৰ্বলতা। মইনো কেনেকৈ কওঁ? ঋতু যেন অলপ হতাশ হ'ল.. মৌ উঠি পৰি লাগিল, ক'চোন মোক ক' তাইৰ নাম কিজানিবা মই কিবা কৰিব পাৰোৱেই। হুহ তই বাদ দে, শিৱক পূজা দিহে আছ; শৰৎ চোন নাপাত্তাই হ'ল আৰু এতিয়া অনিমেষ! কি হ'ল তহঁতৰ কথাটো? ঋতুৰ প্ৰশ্নত তাই মুখ ঘূৰালে, সি বুজিলে লাভ নাই... খুড়ী খুড়ী কৈ সি মাক বিচাৰি ভিতৰলৈ গুছি গ'ল.. এনেকুৱাই সি কোনো ক্ষেত্ৰতে ছিৰিয়াচ নহয়। তাই যেন তাক বুজি বুজিও একোকে বুজি নাপায়। ঋতু মাকৰ সৈতে কথা পাতিবলৈ লাগি যোৱাত তাই পুনৰ উলিয়াই ললে তৰুলতা আৰু ইতস্ততঃ প্ৰেমক .. তাই খুউব মন দি পঢ়িব ধৰিছে তাই নিজে লিখা গল্পটোকে .. তৰুলতা যেন এক সাঁথৰ। প্ৰেম আৰু বন্ধুত্বৰ সন্ধান কৰি ফুৰা চঞ্চল - চপল তৰুলতাজনী যেন তাই নিজৰে চৰিত্ৰৰ একাংশ.. সুমনৰ সৈতে থকা গভীৰ বন্ধুত্ব (!) যাক তাই নিজেও বুজি নাপালে... কিয় এনে হ'ল? সুমন আৰু তাই সকলো ক্ষেত্ৰতেতো মুকলিকৈ কথা পাতিছিল, ফুৰিছিল, উদ্দেশ্যবিহীন ভাৱে ৰিক্সাত ফুৰিছিল.. তেন্তে জীৱনৰ শেষ সিদ্ধান্তটো লবৰ পৰত দুয়োৰে কেনেকৈ ভুল হবলৈ পালে? আচলতে সিহঁতে ইটোৱে সিটোক বুজিয়ে নাপালে নেকি? কিবা এক বোবা বেদনা, অবোধ্য প্ৰাচীৰ দুয়োৰে মাজত। বন্ধুত্ব আৰু প্ৰেম এই দুই অনুভৱ ওতঃপোতভাৱে জড়িত বুলি এজনেও স্বীকাৰ

কৰিব নোৱাৰে যাৰ বাবে সিহঁতৰ মাজত থকা অবুজ আকৰ্ষণৰ কাৰণ আৰু উৎস বিচাৰি দুয়ো হাবাথুৰি খাইছে। জীৱনৰ এই কেকুঁৰিত ঠিয় হৈ তৰুলতাই পিছলৈ চাই পঠিয়াইছে য'ত কেৱল ভুল ভুল আৰু ভুল। নীতিশৰ সৈতে বিয়াত বহাৰ পিছৰে পৰা সুমন তাই জীৱনৰ একেবাৰে নোহোৱা হৈ গ'ল.. কিয় গুছি গ'ল সি অসম এৰি?? এই প্ৰশ্নই তৰুলতাক বাৰে বাৰে আগভেটি ধৰে... নীতিশৰ মৰম ভালপোৱাৰ মাজতো যেন তাই কিবা এটা পোৱা নাই.. কিবা যেন পাবলৈ থাকি গ'ল, ক'বলৈ থাকি গ'ল, যেন জীৱনটো অসম্পূৰ্ণ, আধৰুৱা হৈ ৰ'ল.. তাই বাৰু সুমনৰ প্ৰেমত পৰিছিল নেকি? আৰু সুমন! কিবা যেন বিৰাট শূণ্যতা তাইৰ জীৱনটো... তৰুলতা, তৰুলতা, মৌ এ অস্ফুট স্বৰেৰে কৈ উঠিল.. ঐ কি হ'ল মোৰ তৰুলতাক বিচাৰি পাইছ নেকি? ঋতুৰ প্ৰশ্নত তাই থতমত খালে... ব'ল ভাত বাঢ়ৌগৈ বুলি তাইক সি চকীৰ পৰা এক প্ৰকাৰ উঠাই দিলে...

ঋতু গুছি যোৱাৰ পাছত ঘৰখন প্ৰায় নিমাত হৈ পৰিল। মাক দেউতাক হঁতেও ঋতুক মৰম কৰে নিজৰ ল'ৰাৰ দৰে। অথচ অনিমেষৰ প্ৰতি মাৰ যেন অলপমান সন্দেহ । ভাবুক প্ৰকৃতিৰ মানুহক মায়ে এনেও বেয়া পায়। যাবৰ সময়ত ঋতুৱে তাইক কৈ গৈছিল মনে মনে কোনেও নুশুনাকৈ, ঐ তই অনিমেষৰ প্ৰেমত পৰিছ, এই কথাক স্বীকাৰ কৰ, বাকীবোৰ সব বাদ দে.. মানে তাই অবাক দৃষ্টিৰে ঋতুলৈ চাইছিল। মানে মই তোৰ সেই ভণ্ড প্ৰেমিক সুলভ মানসিকতাৰ শৰৎ মহাশয়ৰ কথা কৈছো, বুজিলি এতিয়া। মৌ বাৰাণ্ডাতে ৰৈ গ'ল .. ঋতুক বাছষ্টেণ্ডত থবলৈ দেউতাক ওলাই গৈছিল গাড়ীখন লৈ...

উপসংহাৰ

"তাই কাৰো কথা নুশুনে। ধুমুহাৰ দৰে
প্ৰেম এক প্ৰাচীন নদীৰ নাম; মোৰ বুকুৰে বাগৰে।"
(অতনু ভট্টাচাৰ্য )

মৌ এ স্বীকাৰ কৰিব ধৰিছে প্ৰেম চিৰ প্ৰৱাহমান; অৱধাৰিত; ইয়াক আহ্বান কৰিব নোৱাৰি, বাধা প্ৰদান কৰিবও নোৱাৰি।। এক প্ৰকাৰে মনটোক বুজাই মেলি, এক স্থিৰ সিদ্ধান্ত লৈ তাই কলেজলৈ বুলি ওলাল। ক্লাছ এটা কৰি অফ পিৰিয়ডত তাই P.C.O এটালৈ আহিল অকলে অকলে। তাই বুজি উঠিছে শৰতৰ প্ৰতি থকা প্ৰচণ্ড মোহ এতিয়া নোহোৱা হৈছে... ক্ৰমে ক্ৰমে তাৰ প্ৰতি তাইৰ অনুভৱ শূণ্য হৈ পৰিছে। তেন্তে ইমানদিনে তাই একমাত্ৰ আত্মমৰ্য্যাদা আৰু জিদৰ বাবেই শৰতৰ বাবে অপেক্ষা কৰি ৰৈছিল নেকি? এজন বিবাহিত পুৰুষলৈ? তাইৰ নিজৰ ওপৰতে প্ৰচণ্ড খঙ উঠি আহিল। P.C.O ত সোমাই তাই অনিমেষৰ নাম্বাৰটো ডায়েল কৰিলে। ৰিং কৰি আছে, লগে লগে তাইৰ হৃদস্পন্দনটো বাঢ়ি আহিছে, কাণ-মুৰ গৰম গৰম লাগিছে কব পাৰিব জানো কথাষাৰ তাক। Hellow ... তাইৰ হৃদয়ত বীণাৰ দৰে ঝংকাৰ তোলা অনিমেষৰ মাত ভাঁহি আহিল.. তাইৰ দুচকুত ভাঁহি উঠিল ৰি-ৰি কৈ এখন কৰুণ - শাত - সমাহিত মুখ.. মই মৌ এ.. অ' ক' চোন অনিমেষৰ মাতত উৎফুল্লতা.. তোৰ লগত অলপ জৰুৰী কথা আছে আহিব পাৰিবি তই? ঠিক আছে নৈশ বাছত মই গৈ আছো। মৌ এ হব বাৰু বুলি কৈ লাইনটো কাটি দিলে।

ৰাতিটো তাইৰ বাবে বৰ দীঘল হৈ পৰিছে। অলপমান চিলমিলকৈ টোপনি আহিছিল তাইৰ আৰু সেইকণ টোপনিতে .. তাই তৰাৰ দেশত, লগত অনিমেষ এটা সুন্দৰ অট্টালিকা.. ডাৱৰবোৰ তাই হাতেৰে চুইছে, হাঁহিছে, এবাৰ দুবাৰ অনিমেষৰ কান্ধতে মূৰটো থৈ তাই শুইছে, কান্দিছে.. কিন্তু পুৱাঁতি নিশাৰ কুকুৰাৰ ডাকত তাই সাৰ পাই উঠিল। বেয়া লাগি গ'ল মনটো.. পুনৰ নুশুলে তাই, জানোচা সপোনটো হেৰাই যায়, অথবা পাহৰি যায়। অনিমেষ পাবহি ৫.৩০ মান বজাতে.. তাই বিচনাৰ পৰা নামি আহি খিৰিকীখন খুলি দিলে.. কাহিলিপুৱাতে অলপমান চেঁচা বতাহ ৰুমলৈ সোমাই আহিল.. শেৱালি ফুলৰ সুৱাস আহি তাইৰ নাকত লাগিলহি.. তাই ঠিক কৰিলে অনিমেষক তাই প্ৰথমে সপোনটোৰ কথাকে ক'ব.. নতুন সপোন.. সি হয়তো ভাল পাব... ।

✦

নিদ্ৰাহত অৱস্থাত সপোনত দেখিছিলোঁ জীৱন মানে সৌন্দৰ্য্য
সাৰ পাই উঠি আৱিষ্কাৰ কৰিলোঁ জীৱন মানে কৰ্ত্তব্য।
[illegible]

# ভালপোৱা

শ্ৰীঅভিজিৎ শৰ্মা
স্নাতক প্ৰথম বৰ্ষ (কলা) মূল ঃ গীদ্যা মুপাছাঁ

চিকাৰৰ বতৰৰ আগত বেৰাৰ 'মাৰকুইচৰ' (ফ্ৰাঞ্চৰ ফৰাচী বিপ্লৱৰ আগলৈকে থকা পাঁচ বিধ অভিজাত সম্প্ৰদায়ৰ মাজৰ এটা সম্প্ৰদায়) ঘৰত ৰাতিৰ ভোজ শেষ হওঁ হওঁ হৈছে, এঘাৰ জন চিকাৰী ফুলেৰে সজোৱা,জক মকাই থকা মেজ খনৰ কেওপিনে বহি আছে।

ভালপোৱাৰ কথা ওলাল। আলোচনা পকি উঠিল; সেই চিৰন্তন প্ৰশ্ন সঁচাকৈয়ে প্ৰেম কেৱল এবাৰহে হয়, নে একাধিক বাৰ? বহুতো উদাহৰণ দিয়া হ'ল। পুৰুষ সকলৰ মতে, এই অনুভূতিৰ বেমাৰে কেইবাবাৰো একেজনকে ধৰিব পাৰে আৰু সন্মুখত বাধা আহিলে প্ৰাণো মাৰিব পাৰে। যদিও এই অভিমত লৈ তৰ্ক হোৱা নাছিল, মহিলা সকলে কৈছিল যে প্ৰকৃত প্ৰেম মহান, মানুহৰ জীৱনলৈ কেতিয়াও দুবাৰ নাহে। সেই প্ৰেম শিলৰ দৰে; এবাৰ যাৰ হৃদয় ভেদ কৰে সেই হৃদয় চিৰ দিনৰ বাবে দেই পুৰি চাৰখাৰ হৈ যায়। কোনো সপোন, অনুভূতিয়ে সেই হৃদয়ত পুনৰ শিপাব নোৱাৰে। মহিলা সকলে কিন্তু অভিজ্ঞতাৰ ফালৰ পৰা অভিমত প্ৰকাশ কৰা নাছিল। কৰিছিল কাব্য, নাটকৰ আলম লৈহে।

মাৰকুইচ বহুবাৰ প্ৰেমত পৰিছিল। যুক্তিৰে তেওঁ এই অভিমত খণ্ডন কৰাৰ চেষ্টা কৰিছিল। তেওঁ কৈছিল, "মই কওঁ যে মন প্ৰাণ উবুৰিয়াই দি বহুবাৰ প্ৰেমত পৰিব পাৰি। এই অভিমতৰ বিৰুদ্ধে আপোনালোকে হয়তো প্ৰেমত পৰি আপোন ঘাটি হোৱা সকলৰ উদাহৰণ দিব; তেনে ক্ষেত্ৰত দ্বিতীয় প্ৰেমৰ সম্ভাৱনা ক'ত? মই কওঁ যে অকঁৰাৰ দৰে আপোনঘাটি নোহোৱা হ'লে তেওঁলোকৰ ক্ষত শুকালহেতেন; আকৌ বাৰে বাৰে তেওঁলোক প্ৰেমত পৰিলহেতেন। কিন্তু আত্মহত্যাই সেই বাট বন্ধ কৰি দিলে। প্ৰেমিক আৰু মদপী সমান। এবাৰ সুৰাৰ সোৱাদ যি পাইছে সি সুৰাপান কৰিবই; যি এবাৰ ভাল পাইছে সি আকৌ ভাল পাবই। মানুহৰ মন আৰু স্বভাৱৰ ওপৰতে সকলো নিৰ্ভৰ কৰে"।

ডাক্তৰক মধ্যস্থ কৰি সকলোৱে তেওঁৰ অভিমত বিচাৰিলে। ডাক্তৰ আছিল বয়সীয়াল অভিজ্ঞ লোক। তেখেতে কলে, "এই সম্বন্ধে ধৰা বন্ধা কোনো মত মই দিব নোৱাৰো"। মাৰকুইচে কবৰ দৰে সকলো কথা মন আৰু স্বভাৱৰ ওপৰত নিৰ্ভৰ কৰে। কিন্তু মোৰ নিজৰ অভিজ্ঞতাৰ পৰা ক'ব পাৰো যে এনে প্ৰেম মই দেখিছো যে যি পছপন্ন বছৰ ধৰি, এদিনো জিৰণি নোলোৱাকৈ এজনৰ হৃদয়ত বিৰাজ কৰিছিল। জীৱনৰ অন্তিম দিনৰ দিনাহে এই প্ৰেমৰ শেষ হৈছিল"।

মাৰ্কুইছে হাত চাপৰি মাৰি উঠিল। মহিলা এগৰাকীয়ে কলে, "আহা! কি বিচিত্ৰ! ই যেন এক সপোন, পচপন্ন বছৰ ধৰি এদিনো জিৰণি নোলোৱাকৈ এজনৰ হৃদয়ত বিৰাজ কৰিছিল তাতকৈ সুখৰ কথা আৰু কি হব পাৰে!"

ডাক্তৰে হাঁহিলে আৰু কলে, "মহাশয়া আপুনি ভুল বুজিছে, এই ভালপোৱাৰ পাত্ৰজন এজন পুৰুষহে। আপুনি তেওঁক চিনি পায়। তেওঁ এই গাঁৱৰে দৰবৰ দোকানী 'মঁচিয় শ্বকে' আৰু তিৰোতা গৰাকী হল বেতৰ চকী মেৰামতি কৰিবলৈ এই ঘৰলৈ প্ৰতিবছৰে আহি থকা বৃদ্ধা গৰাকী। কিন্তু ঘটনাতো আপোনালোকক মই বুজাঁও কেনেকৈ?"

মহিলাসকলৰ মন মৰি গল। এটা বিতৃষ্ণাৰ ভাবে তেওঁলোকৰ মনৰ ভাব প্ৰকাশ কৰিলে; ভাবটো এনে- ছিঃ সেই শ্ৰেণীৰ মানুহৰ লগত ভালপোৱাৰ কি সম্বন্ধ থাকিব পাৰে! যেন ভালপোৱা ধুনীয়া, বিশিষ্ট উচ্চস্তৰৰ, উচ্চসমাজৰ মানুহৰ মাথোন

একচেতিয়া বাপতি সাহোনহে!

ডাক্তৰে কবলৈ ধৰিলে, তিনি মাহৰ আগতে তাইৰ শোৱাপাটিৰ কাষলৈ মোক মতাই পঠিওৱা হৈছিল; তেতিয়া তাইৰ শেষ অৱস্থা; বুঢ়া ঘোঁৰা এটাই গাড়ী এখন টানি লৈ ফুৰোৱা আপোনালোকে মন কৰিব পাৰে। সেইখনেই তাইৰ ঘৰ আছিল, তাতে তাই ইয়ালৈ আহিছিল, আগে পিছে দুটা ক'লা প্ৰকাণ্ড কুকুৰ; কুকুৰ দুটা তাইৰ গা-ৰখীয়া আৰু মিত্ৰ। মই গৈ পোৱাৰ আগতে পাদুৰী গৈ পাইছিলগৈ। আমাক দুয়োকে তাই নিজৰ সম্পত্তিৰ উইলৰ তদাৰক হিচাপে নিযুক্ত কৰিলে। উইলৰ সাৰমৰ্ম আমাক বুজাবৰ বাবে তাই নিজৰ জীৱন কাহিনীৰ অলপ আমাক কৈ শুনাইছিল। এনে অভিনৱ মৰ্মস্পৰ্শী কাহিনী কেতিয়াও মই শুনা নাই।

তাইৰ বাপেক মাকে চকী মেৰামত কৰিছিল। এই পৃথিৱীৰ কোনো এটা চুকতে তাই থিতাপি লৈ থাকিবলৈ পোৱা নাছিল ভালকৈ। অকণমানি হৈ থাকোতেই তাই মাক বাপেকৰ সৈতে লেতেৰা, ফটা - ছিটা চোলা কাপোৰ পিন্ধি ঘূৰি ফুৰে, চহৰলৈ সোমোৱা আলিবাটৰ ওচৰ চাপিলে সিঁহত ৰয় আৰু ঘোঁৰাটোক চৰিবলৈ মেলি দিয়ে; কুকুৰটোৱে আগঠেং দুটাৰ মাজত নাকটো গুজি শুবলৈ লয়; আৰু অকণিয়ে ঘাঁহত খেলে; বাপেক মাকে চুবুৰীৰ সকলোবোৰ ভগা চকী গোটাই লৈ মেৰামতি কৰাত লাগি যায়।

এই চাৰি চকীয়া চলি ফুৰা ঘৰত কাৰো মাতবোল নাই। বাপেক আৰু মাকৰ মাজত কোনো কোনো দিনা ঘৰে ঘৰে ফুৰি পুৰণা চকী মে-ৰা-ম-তি বুলি চিঞৰিবগৈ, সেই কথাৰ মীমাংসালৈ আহিবলৈ যি কেইষাৰ কথা কোৱাৰ প্ৰয়োজন সেই কেইষাৰ কোৱা হলেই তিনিও নিমাত হয়। বাপেক মাক দুয়ো মুখা মুখিকৈ বহি বেত চঁচাত লাগে।

ছোৱালীজনী আঁতৰি যাব খুজিলে বা আলিবাটত খেলি ফুৰা কোনোবা ল'ৰাৰ লগত চিনাকি হব খুজিলে বাপেকে খং মুৱা হৈ চি ঞৰ একোটা মাৰে; "এই খেকাৰখাতী, নাহিলিনে" মৰমৰ মাত বুলিবলৈ এইষাৰকে তাই শুনিবলৈ পাইছিল।

অলপ বুজন হ'লত তাইক মেৰামতিৰ বাবে পুৰণি চকী বিচাৰিবলৈ পঠোৱা হৈছিল, তেতিয়া তাই দুই চাৰিটা ল'ৰা - ছোৱালীৰ সতে চা- চিনাকি হৈছিল। তেতিয়া ইবোৰ ল'ৰা - ছোৱালীৰ মাক বাপেকে চিঞৰিব, "এই জহনিত যোৱা ভালে ভালে গুচি আহিলিনে? আকৌ যদি সেই ছালছিগা ভিকহুজনীৰ লগত তোক দেখো, চাবি।" কেতিয়াবা ল'ৰাবোৰে তাইৰ গালৈ শিলগুটি দলিয়াই আৰু কেতিয়াবা মহিলা সকলে দুই চাৰি পইচা দি তাইৰ মূৰৰ পৰা ভৰিলৈকে চায়।

শ্বকে তেতিয়া সৰু লৰা। তাইৰ বয়সো মুঠেই এঘাৰ বছৰ। এদিনাখন এই ঠায়েদি যাঁওতে মৰিশালিৰ পিছপিনে তাই শ্বকেক উচুপি থকা দেখিলে। লগৰীয়া এটাই তাৰ পাঁচ চু চুৰ কৰিলে, সেয়ে আছিল তাৰ দুখৰ কাৰণ। অৱস্থাপন্ন ঘৰৰ ল'ৰাৰ চকুত পানী দেখি তাই আচৰিত হ'ল। কিয়নো তাইৰ ধাৰণা আছিল যে ভাগ্যৱান শ্ৰেণীৰ ল'ৰাই সদায় হাঁহি মাতিহে থাকে। তাই গৈ তাৰ ওচৰ পালেগৈ আৰু তাৰ বেজাৰৰ কাৰণ জানিবলৈ পাই তাইৰ গোটেইখিনি সাঁচতীয়া সাতোটা চু - তাক দি দিলে। চকুৰ পানী মচি হাঁহি এটা মাৰি সি পইচা কেইটা লৈ থলে। তাৰ হাঁহি দেখি আনন্দত আত্মহাৰা হৈ তাই তাক সাৱট মাৰি ধৰিলে, সি আপত্তি নকৰিলে। কাৰণ তেতিয়া সি পইচা গন্তি কৰাত ব্যস্ত। হেঁচুকি আঁতৰাই নিদিয়াত বা মাৰ নিদিয়াত তাইৰ সাহ বাঢ়িল; আকৌ এবাৰ তাই তাক সাৱটি ধৰিলে; বুকু উজাৰি দুবাহুৰে তাক সাবটি ধৰি থাকি খন্তেক পিছতে তাই লৰ দিলে।

তাইৰ মূৰত কি বিকাৰ ঘটিল? সেই এলাবাং লৰাটোৰ প্ৰতি তাই আকৃষ্ট হৈছিল কি কাৰণত ? তাৰ বাবে সাঁচতীয়া ধন ত্যাগ কৰিব পৰা আনন্দত নে তাইৰ সুকোমল চুমা তাৰ গালত দিবলৈ পোৱাৰ পুলকত?

কেবামাহো ধৰি মৰিশালিৰ সেই চুকটো আৰু ল'ৰাটো তাই সপোনত দেখিবলৈ ধৰিলে। তাক আকৌ লগ পোৱাৰ আশাত তাই মাক বাপেকক অমান্য কৰিবলৈ ধৰিলে। চকী মেৰামতিৰ পইচাৰ পৰা বা বজাৰলৈ পঠিওৱা পইচাৰ পৰাই হওঁক তাই চুৰ কৰিবলৈ ললে।

আকৌ যেতিয়া তাই ইয়ালৈ আহে তাইৰ জেপত তেতিয়া দুই ফ্ৰাঙ্ক ৰূপ আছে। ল'ৰাটো তেতিয়া অলপ ডাঙৰ হৈছে। তাৰ বাপেকৰ দোকানত ৰঙাপানীৰ কাঁচৰ প্ৰকাণ্ড বৈয়াম এটা আৰু

তাৰ পাছৰ আৰু এটা বটলৰ মাজৰ ফাঁকেদি তাই তাক দেখিবলৈ পালে; তাক দেখিবলৈ পাই তাইৰ ভালপোৱা দুগুণে চৰিল। বৈয়ামত থকা তেজ ৰঙা জুলীয়া পদাৰ্থই, ফটিকৰ দৰে চক চকীয়া কাঁচৰ দীপ্তিয়ে তাৰ শৰীৰত যেন দেৱত্ব আৰোপ কৰিছে। মোহাবিষ্ট হৈ তাইৰ হিয়া আনন্দত উথলি উঠিল।

এই ছবি মানস পটৰ পৰা তাই মচিব নোৱাৰা হল। পৰৱৰ্ত্তী বছৰ যেতিয়া তাই এদিন তাৰ পঢ়াশালিৰ ওচৰত লগৰীয়াৰ সতে তাক মাৰ্বল খেলি থকা দেখা পালে লৰি গৈ তাৰ গাত জপিয়াই পৰি তাক টানকৈ সাৱটি ধৰি এনে দৰে চুমা খাবলৈ ধৰিলে যে সি ভয়ত হাও হাও কৈ চিঞৰিবলৈ ধৰিলে। তাক নিচুকাবলৈ তাইৰ হাতত থকা সত্তৰ চেণ্টৰ ঐশ্বৰ্য্য সোপাকে তাক দি দিলে। চকু দুটা টেলেকা কৰি সি পইচাকেইটাৰ ফালে থৰ হৈ চাবলৈ ধৰিলে। তাৰ পাছত পইচাকেইটা লৈ তাইক যিমান মন যায় চুমা খাবলৈ দিলে।

চাৰি বছৰ কাল পাৰ হৈ গৈছে। এই চাৰি বছৰত যিখিনি তাই সাঁচিব পাৰিছিল সকলো খিনি শ্বকেক দান কৰি দিলে, চুমাৰ বিনিময়ত পৰিস্কাৰ বিবেকেৰে সি সকলো খিনি গ্ৰহণ কৰিছিল। তাইনো দিব কিমান? কেতিয়াবা পোন্ধৰ চেণ্ট, কেতিয়াবা চল্লিশ। এবাৰ মুঠেই পাচ চেণ্ট দিবলৈ পাই লাজ আৰু বেজাৰত তাই উচুপি উঠিছিল। কিন্তু কি কৰিব সেই বাৰ তাইৰ উপাৰ্জন ভাল হোৱা নাছিল। শেষ বাৰত তাক এটা পাঁচ ফ্ৰাঙ্কৰ মোহৰ দিছিল। ঘূৰণীয়া মোহৰটো দেখি সি খিল-খিলাই হাঁহি উঠিছিল।

শ্বকেৰ কথাৰ বাদে তাই আন একো ভাবিব নোৱাৰা হ'ল। সিও তাইৰ প্ৰত্যাগমন অধৈৰ্য্যেৰে বাট চোৱা হল। তাই আহিলে সি লৰ মাৰি তাইক লগ পাবলৈ যায়। আনন্দত তাইৰ বুকুখনে জপিয়াবলৈ ধৰে।

কিছু দিনৰ পাছত এদিন সি অদৃশ্য হল, তাক কলেজলৈ পঢ়িবলৈ পঠোৱা হল, টেঙৰালি কৰি, ইটোক সিটোক প্ৰশ্ন কৰি তাই তাৰ খবৰ উলিয়ালে। তাইৰ অকণমানি সৰু মগজুটোলৈ কৰ পৰা ইমান কূটনীতি আহিল কব নোৱাৰি। ল'ৰাটোৰ কলেজ কেতিয়া বন্ধ হব তাৰ গম লৈ মাক বাপেকক ভূৰুকীয়াই আকৌ ইয়ালৈ আহিবলৈ মান্তি কৰালে, প্ৰথম বছৰ তাই কৃতকাৰ্য্য হল। তাৰ পাছৰ দুবছৰ তাই আহিবলৈ নাপালে, তৃতীয় বছৰ যেতিয়া আকৌ আহিল, তেতিয়া তাক চিনি পোৱা টান হৈ পৰিল। সি তেনেই সলনি হল; বৰ এটা হৈ পৰিল। পিতলৰ বুটাম লগোৱা কোট এটা পিন্ধি সি দেখিবলৈ বৰ শুৱনি আৰু গহীন গম্ভীৰ হৈ উঠিছিল। তাইক নেদেখাৰ ভাও জুৰি তাইৰ কাষেদিয়েই সি পাৰ হৈ গ'ল। সেই কথা ভাবি দুবছৰ তাই কান্দিলে; তাৰ পাছত ভালেদিন মনত দুখ পালে। প্ৰতিবছৰে তাই তালৈ আহিবলৈ ধৰিলে কিন্তু তাক মাতিবলৈ তাই সাহস নকৰিলে। সি তাইৰ পিনে ঘূৰিকে নোচোৱা হল। তাই মোক কৈছিল "ডাক্তৰ চাহাব তাৰ বাহিৰে পৃথিৱীত আন মানুহ মই দেখা নাই। পৃথিৱীত যে আন মানুহ আছে মই গমকে পোৱা নাছিলো।"

তাইৰ বাপেক মাক ঢুকাল, তেওঁলোকৰ ব্যৱসায় তাই নিজে চলাবলৈ ললে, সদায়ে কুকুৰ দুটা লগত থাকে। প্ৰকাণ্ড প্ৰকাণ্ড দেখিলে ভয় লগা কুকুৰ। কুকুৰ দুটা দেখি তাইৰ ওচৰ চাপিবলৈ কোনেও সাহ নকৰে।

নানা ঠাই তাই ভ্ৰমণ কৰিছিল যদিও তাইৰ মনটো আছিল ইয়াতহে; এদিন ইয়ালৈ আহোতে শ্বকেহঁতৰ দৰবৰ দোকানৰ পৰা, শ্বকেৰ বাউসিত ভৰদি গাভৰু ছোৱালী এজনী ওলাই যোৱা তাই দেখা পালে। পিছত জানিব পাৰিলে যে তাই শ্বকেৰ ঘৈণীয়েক।

সেইদিনা গধূলি তাই মেয়ৰৰ পুখুৰীত জাপ দি, আত্মহত্যা কৰিব বিচাৰিলে। কথমপিহে তাই বাচিল। নিচাত থকা মদাহী এটাই তাইক পানীৰ পৰা তুলি আনি প্ৰাণ ৰক্ষা কৰিলে। ড্ৰেছিং গাউনটো পিন্ধি শ্বকে তাইক চাবলৈ ওপৰৰ পৰা নামি আহিল। তাইক চিনি নোপোৱাৰ ভাও জুৰি তাইৰ কাপোৰ কানি খুলি সি তাইৰ ক্ষত স্থান সমূহৰ চিকিৎসা কৰিব ধৰিলে। তাৰ মাজতে মনে মনে সি কলে, " কি আঁকৰী অ' এনেকৈ মৰিবলৈ যাব লাগেনে।" এই কথা কেইষাৰ শুনিয়েই তাই সন্তুষ্টি লভিলে। সি কোৱা কথা দুষাৰকে মনৰ মাজত গুণ গুণাই তাই বহুদিন আনন্দত কটালে।

টকা কড়ি সি নুখুজিলে তথাপি তাৰ কামৰ বানচ নিদিয়াকৈ তাই নাথাকিলে। গোটেই জীৱন তাই শ্বকেৰ কথা ভাবি আৰু চকী মেৰামতি কৰি কটালে। প্ৰতিবছৰে তাৰ দোকানত তাই তাক দেখিবলৈ পায়। আৱশ্যকীয় দৰব পাতি কিনে। এনেকৈয়ে ওচৰ চপাৰ, তাৰ লগত কথা বতৰা হোৱাৰ সুযোগ লয় আৰু দুই চাৰি

টকা তাক দিয়ে।

এইবছৰ বসন্ত কালত তাই ঢুকাল। তাইৰ দুখৰ কাহিনী কোৱা শেষ হলত মোক কাকূতি মিনতি কৰি তাইৰ সাঁচতীয়া ধন তাক দিবলৈ কলে, যাক আজীৱন তাই ভাল পাইছিল। যাৰ বাবে খাটি-লুটি, নাখাই-নবৈ তাই ধন সাঁচিছিল অন্ততঃ তাই মৰাৰ পাছত যাতে এবাৰলৈ সি তাইক মনত পেলায়; এয়ে আছিল তাইৰ অন্তিম বাসনা।

দুহেজাৰ তিনিশ সাত ফ্ৰাঙ্ক তাই মোৰ হাতত দিলে; তাইক কবৰ দিয়াৰ বাবে পাদুৰীক সাতাইশ ফ্ৰাঙ্ক দিলো আৰু সকলো কাম শেষ কৰি ধনখিনি জেপত ভৰাই মই শ্বকেৰ ঘৰ পালোগৈ।

পুৱাৰ আহাৰ কৰি শ্বকে আৰু তেওঁৰ পত্নী দুয়ো মুখা মুখিকৈ থম্ থম্ কৈ বহি আছিল; তেওঁলোকৰ মুখত সুখ সম্পদ জনিত সন্তোষৰ ভাব ফুটি উঠিছিল। গাতো দৰৱৰ ফুৰ ফুৰীয়া গোন্ধ পোৱা গৈছিল।

আথে বেথে তেওঁলোকে মোক বহিবলৈ দিলে আৰু এগিলাচ চৰবত আগবঢ়ালে, মই সাদৰেৰে গ্ৰহণ কৰিলো। মোৰ বক্তব্য শুনি জানোচা চকুপানী টোকে এই ভাবি মই অতি সংকোচেৰে কথাটো উলিয়ালো।

সেই অঘৰী, পুৰণা চকী মেৰামতি কৰি ফুৰা ফেদেলী জনীয়ে তাক ভাল পায় এই কথা শুনি শ্বকে খণ্ডত জ্বলি পকি উঠিল। তাই যেন তাৰ মান, সম্ভ্ৰম, সুখ্যাতি যথাসৰ্ব্বস্ব কাঢ়ি নিলে এনে ভাব দেখুৱালে। ঘৈণীয়েকো খণ্ডত জ্বলি উঠিল। বাৰে বাৰে কবলৈ ধৰিলে "মগনীয়াৰ কি স্পৰ্দ্ধা। কি স্পৰ্দ্ধা।"

চকীৰ পৰা উঠি শ্বকে টেবুলৰ চাৰিও কাষে হলং হলং কৈ খোজ দিব ধৰিলে। তেওঁৰ টুপীটো মূৰৰ পৰা খহি আহি কান্ধত পৰিলহি। গোৰগোৰাই তেওঁ কব ধৰিলে,- "চাঁওক চোন ডাক্তৰ ইয়াতকৈ অপমানৰ কথা আৰু কি হব পাৰে। তাইৰ জীৱিত অৱস্থাত মই গম পোৱা হলে তাইক গ্ৰেপ্তাৰ কৰোৱাই ফাটেকত সুমুৱাই থলো হেতেন।"

মোৰ বক্তব্যৰ এনে পৰিণতি দেখি মই হতবাক হলো। কি কৰিম, কি নকৰিম ভাবি স্থিৰ কৰিব নোৱাৰিলো। সেয়ে ক'লো তাইৰ সাঁচতীয়া ধন গোটেইখিনি তোমাক দিয়াৰ দায়িত্ব মোক দি থৈ গৈছে -- 'দুহেজাৰ তিনিশ ফ্ৰাঙ্ক'। তেওঁৰ কথা শুনি তোমাৰ ইমান বিতৃষ্ণা হৈছে যদি ধনখিনি দুখীয়াক বিলাই দিয়া সমীচিন হব।তেওঁলোকে দুয়ো মোলৈ ভেৱা লাগি চাই ৰ'ল। যেন এটা আঘাত পাই থৰ হৈ গৈছে। জেপৰ পৰা লেতেৰা মোনাটো উলিয়াই পইচাখিনি মেজত বাকি দি সুধিলো কি সিদ্ধান্ত কৰিলা ?

মহাশয়া শ্বকে প্ৰথমে কলে, "মাইকী জনীৰ যদি এয়ে ইচ্ছা টকাখিনি লোৱা উচিত হব"। মহাশয় শ্বকেও তেওঁৰ কথাত হয়ভৰ দিলে। মই ৰুক্ষ সুৰত কলো তোমালোকে যি কৰা কৰা।

টকাখিনি থৈ মই গুচি আহিলো।

পাছদিনা শ্বকেই মোক ওচৰলৈ আহি হুটা মতেৰে কলে, "তাই বোলে এখন গাড়ীও এৰি থৈ গৈছে, আপুনি সেই খনেৰে কি কৰিব খুজিছে?"

"একো কৰিব খোজা নাই। লাগে যদি লৈ যোৱা।" - মই ক'লো।

"এৰা গাড়ীখন মোৰ পাকঘৰৰ বস্তুবাহানি থবলৈ বৰ সুবিধা হব।"

দুখুজমান যোৱাৰ পাছত পাছফালৰ পৰা সুধিলো তাই দুটা কুকুৰ আৰু এটা ঘোঁৰাও এৰি থৈ গৈছে, লাগে যদি লৈ যোৱা।

আচৰিত হৈ সি কলে "নালাগে, হেৰি সেই দানেৰে মই কি ডাল কৰিম" -ঢেক ঢেক কৈ হাঁহি মাৰি তেওঁ হাতখন মোলৈ আগবঢ়াই দিলে আৰু মইও কৰমৰ্দন কৰিলো। নকৰিনো কি কৰো ! আমাৰ দেশত ডাক্তৰৰ দৰৱৰ দোকানীৰ লগত শত্ৰু শলা বুদ্ধিৰ কাম নহয়।

কুকুৰ দুটা মোৰ ঘৰত ৰাখিলো, ঘোৰাটো পাদুৰীয়ে নিলে। গাড়ীখনেও শ্বকেৰ ঘৰত আহল বহল খোটালী এটাৰ কাম দিছে।

"মোৰ জীৱনত প্ৰকৃত ভালপোৱা সেই এবাৰহে দেখিবলৈ পাইছিলো।"

ডাক্তৰ নিমাত হল। মাৰ্কুইচে চকুৰ পানী মচি কলে, "এই কথা সুনিশ্চিত যে অকল মাইকী মানুহেহে প্ৰকৃত ভাল পাব পাৰে।"

# মনস্তাপ

শ্ৰী সিদ্ধাৰ্থ বৰকাকতি
স্নাতক চুড়ান্ত বৰ্ষ (কলা)

নদীখনৰ কাষৰ এই বতাহকণৰ আকৰ্ষণতে হয়তো অজানিতেই প্ৰতি সন্ধিয়াই মোৰ খোজবোৰে নদীৰ কাষলৈ বুলি দিশ লয়। দিনটোৰ অসম্ভৱ নিঃসঙ্গতা আৰু তাৰ পৰা সৃষ্ট হা-হুমুনিয়াহ বোৰ যেন এই সন্ধিয়াকেইটাই উৰুৱাই লৈ যায়। দিনটো নিজৰ লগতে অনৰ্গল কথা পাতি প্ৰতি সন্ধ্যা কটাও নদীৰ বুকুত আধা ডুব যোৱা বেলিটোৰ সৈতে কথা পাতি, নীড়লৈ বুলি ঢাপলি মেলা বগলীজাকৰ নুবুজা কোলাহল বুজাৰ চেষ্টা কৰি....। উস! কিমান যে বহল তাহাঁতৰ পৰিসীমা। কিন্তু, তথাপিও দেখোন এই নিঃসংগতা। কিন্তু এই নিঃসংগতা, এজাক মানুহৰ মাজত নিঃসংগ হোৱাতকৈ বহুগুণে ভাল। কোনে বুজে এইমাত্ৰ উদিত হৈ ডুব যোৱা আদিত্যৰ বেদনা।

যাওঁ, পিছে কলৈ ...? ঘৰলৈ ...? নাযাওঁ ঘৰত এতিয়াও দুপৰ দিন। মা সাৰে আছে, দেউতা সাৰে আছে আৰু হয়তো সাৰে আছে এবুকু দুখ! তেন্তে, বজাৰৰ ফালেই এপাক যাওঁ...। ভাবিছিলোহে আৰু তাৰ পাছ মুহূৰ্ত্তে নিজকে মাজ বজাৰত আবিস্কাৰ কৰিলো। উসঃ কি সাংঘাটিক ব্যস্ততা। কাৰোয়েই কোনো ফালে চাবলৈ আহৰি নাই। মোৰ গাৰ কাষেদিয়েই পাৰ হৈ গ'ল এজাক হাঁহিভৰা যৌৱন। চিনেমা হ'লৰ সন্মুখত ভীষণ ভীৰ। দুই একৰ অশ্লীল চিঞৰ.....। টিকটৰ বাবে হেতা উপৰা। চাওঁ নেকি 'হম দিল দে চুকে চনম।' নাই নাচাওঁ, হয়তো এখন গতানুগতিক ত্ৰিকোণ প্ৰেমৰ কাহিনী চিত্ৰ। প্ৰেয়সীৰ কান্ধত হাত থৈ 'pop corn'ৰ কেইবাটাও পেকেট শ্ৰাদ্ধ কৰি চিনেমা উপভোগৰ সৌভাগ্য নে দুৰ্ভাগ্য মোৰো হৈছিল, এতিয়াও কান্ধ আছে হাতখনহে মোৰ নহয়। সেই স্মৃতি বৰ ভয় লগা অথচ বৰ আবেগিক..... আজিও কঁপাই যায় মোৰ হৃদয় বীণৰ প্ৰতিডাল তাঁৰ। লাহে লাহে নিয়ন লাইটৰ চিকমিকনি আৰু জেন, ইণ্ডিকা, মেটিজৰ গা চুই যাওঁ যেন শাৰীৰ পৰা আতৰি আহি হেলজেন লাইটৰ পোহৰেৰে জাতিস্কাৰ চাৰি আলিটো পালোহি, ইতিমধ্যে নটা বাজো বাজো। পোহৰত জিলিকি উঠা পদপথত এটা কুকুৰ আৰু এটা ক'লা মলিয়ন দেহাৰ পগলাৰ অপূৰ্ব মিলাপ্ৰীতি। মোৰো দেহা অৱস হৈ পৰিছে। শুই চোৱাৰ অদ্ভুত অদম্য তাড়না অনুভৱ কৰিলো, ফুটপাথৰ পগলাটোৰ কাষত। ইয়াত শুই আকাশৰ ফালে চালে হেনো আকাশখন বৰ বহল দেখা যায়।

মাজে মাজে বৰ ভাগৰ লাগে, মনতো, দেহাতো। সৰুতে 'চোৰ-পুলিচ'ৰ দৌৰা দৌৰি আৰু ছিঙা চিলাৰ পাছে পাছে দৌৰা দৌৰি। তাৰ পাছত নিজৰ ভৰিত থিয় হৈ পৃথিৱীৰ সন্মুখীন হ'বলৈ দৌৰা দৌৰি। এনেদৰে দৌৰিয়েই পাৰ কৰি দিলো ত্ৰিশটা বসন্ত। নাই ... মই এতিয়াও দেউতাৰ বাত বিষে কোঙা কৰি পেলোৱা দুভৰিৰে বোজা। চিন্তা কৰি আহি থাকোতে আমাৰ গলিটোৰ মুখ কেতিয়া পালোহি গমকে নাপালো। ভৰি কেইটা অজানিতেই মন্থৰ হৈ আহিব ধৰিলে। পঁচা বাঁহৰ জপনাখন মেৰমেৰাই উঠিলে। বেচেৰা জপনাখনো বয়সে গৰকা বুঢ়া মানুহৰ দৰেই হ'ল। দেউতাই মাজে মাজে কাষৰ কলিতা হঁতৰ বাৰীৰ লহপহিয়া, ডালে আঠাইশটকীয়া বাঁহেৰে ভৰা বাৰী খনলৈ চাই হুমুনিয়াহ কঢ়া মই বহুবাৰ দেখিছো। দুবাৰত গতানুগতিক তিনিটা টোকৰ। দুৱাৰ খুলিয়েই সৰুভনীয়ে আকৌ দৌৰ মাৰিলে টি.ভি.ৰ সন্মুখলৈ। শুকুৰবাৰ ..., জৰুৰ চিনেমা চলি আছে। দুইজনী ভনীয়েই তাকে চাই আছে....। নায়কে অকলে প্ৰায় বিশটামান মানুহক মাধমাৰ দি আছে.....। উস, বাস্তৱ কিমান যে পৃথক। দেউতাই দুটামান কাঁহ মাৰিলে। কাহ দেউতাই, বুকুখন মোৰহে বিষায় ভীষণ। দেউতা এতিয়া বিচনাত। মায়ে সুধিলে, "বুবু, তোৰ কি হৈছে অ'। কেইদিন মানৰ পৰা তোক মন কৰি আছো, নহঁহা নমতা হৈছ?" "নাই!" আহ এটা শব্দত হৃদয়ৰ অৱস্থা উদঙাই দেখুওৱাৰ কি প্ৰয়াস। মই জানো মায়ে হয়তো গম পাইছে মোৰ ভিতৰৰ 'মই'ৰ ভয়াতুৰ চিঞৰৰ ৰহস্য। কাৰণ তেওঁ মাক। "ভাত খাই ল', বাঢ়ি থৈছো।" মোৰ বৰ ভাগৰ লাগিছে, মই শোওগৈ।"... মায়ে মোক উদ্দ্যেশি ক'লে আৰু মোৰ পৰা উত্তৰৰ অপেক্ষা নকৰি শুবলৈ গ'লগৈ। ভাগৰ লগাটো স্বাভাৱিক কাৰণ আমাৰ ঘৰৰ মজিয়াত আটাইতকৈ বেছি মাৰে ভৰিৰ চাপ। মনতো ভাগৰ মাৰ, যিদৰে দেহত। দেহত বয়সৰ আঁচোৰ তথাপি অন্ত নাই টনাটনিৰ ...। ধিক মোৰ জীৱন, হায়!হাতত এমুঠি প্ৰশ্নবোধক ভাত, প্ৰশ্ন কৰে অধিকাৰৰ। কোনো ৰকমে নাকে মুখে ভাতকেইটা গুজিলো। মোৰ দুখৰ কোঠালিত বিচনাত আঠুৱা তৰি থোৱা। মই জানো মায়েই তৰি থৈছে বিচনা। আমাৰ সৰুৰে পৰা মায়ে বিচনা পাৰি থয়। টোপনি অনাতহে মা অপাৰগ। বিচনাত বাগৰ দিলো। বুকুৰ বাওঁফালে ভীষণ বিষ হ'ল। গাৰুটোও তিতিল। আজি বতৰ বৰ সেমেকা। হয়তো অহা কালিলৈও একেই .........।

# সংস্থাপন

মৰমী দত্ত
স্নাতক প্ৰথম বাৰ্ষিক (বিজ্ঞান)

হাতত ব্ৰাছডাল লৈ ৰূপম বাহিৰলৈ ওলাই আহি পদূলিমূৰত থকা শেৱালিজোপাৰ তলতে ৰ'লহি। পাতলীয়াকৈ বৰষুণ পৰিছে। দুটা-এটা চৰাইৰ মাতে পুৱাৰ নিৰ্জনতা ভঙ্গ কৰিবলৈ ব্যৰ্থ চেষ্টা চলাইছে। তাৰ যে টোপনি ভাৱতো সম্পূৰ্ণ দূৰ হোৱাই নাই। হবনো কিয়? গোটেই ৰাতি তাৰ যে ভালদৰে টোপনিয়েই নাহিলে। এপাহ-দুপাহকৈ শেৱালি ফুলবোৰ তাৰ গাত পৰিলেহি। গোঁসাইঘৰৰ পৰা অহা ধূপ-ধূনাৰ গোন্ধ তাৰ নাকত লাগিলহি। দেউতাক আনদিনাৰ দৰে হাল বাবলৈ ওলাল। ৰুমীৰ পৰীক্ষা ওচৰ চপাৰ বাবে সম্ভৱ মাজনিশাতে উঠি তাই পঢ়ি আছে। ৰুমীলৈ তাৰ অহৈতুক খং এটা উঠিল। তাৰ তাইক ক'বলৈ মন যায়, কিয় তাই এনেদৰে শাৰীৰিক ও মানসিক পৰিশ্ৰম কৰিছে? এই যুগত জানো শিক্ষাৰ কিবা মূল্য আছে ধনৰ অবিহনে? কিন্তু কথাবোৰ ক'বৰ সময়ত কিবা এটাই তাৰ ডিঙিত সোপা মাৰি ধৰে। হঠাৎ মাকৰ মাতত তাৰ চিন্তাত যতি পৰিল। লাহে লাহে সি বাৰাণ্ডালৈ উভটি আহিল।

ৰূপম দত্ত খেতিয়ক সৰ্বানন্দ দত্তৰ একমাত্ৰ পুত্ৰ। বি.এ পাছ কৰি ঘৰতে বহি আছে। এম.এ পঢ়িবলৈ প্ৰৱল ইচ্ছা থকা সত্বেও একমাত্ৰ ধনৰ অভাৱতে নোৱাৰিলে। বৰ্তমান এক কথাত সি বেকাৰ। এল.পি স্কুলৰ চাকৰিও তাৰ বাবে বিৰল, হাজাৰ টকা দি কিনি (?) ল'ব নোৱাৰাৰ ফলত। কিন্তু এনেকৈতো আৰু নোৱাৰি। দেউতাকৰ স্বাস্থ্য ভালে থাকে মানে যেনিবা কোনোমতে লঘোণ নোহোৱাকৈ খাব পাৰিব। কিন্তু সিতো এতিয়া সৰু ল'ৰা নহয় যে চাৰিটি প্ৰাণীক এমুঠি অন্ন যোগান ধৰাও তাৰ দ্বাৰা অসম্ভৱ। নাঙলৰ খুটিত ধৰিবলৈও দেউতাকে নিশিকালে। পুতেক হাকিম-মুন্সিফ হোৱাৰ আশাত। কিন্তু ভাগ্যৰ কি নিষ্ঠুৰ পৰিহাস।

সিদিনা প্ৰদীপহঁতৰ ঘৰত বাতৰি কাকতখন পঢ়ি থাকোতে এচুকত দিয়া বিজ্ঞাপনটোলৈ তাৰ চকু পৰিল। কাৰগিলৰ যুদ্ধলৈ সেনাৰ নিযুক্তিৰ বাবে বিজ্ঞাপনটো দিয়া হৈছিল। সৈনিক হোৱাৰ যোগ্যতা সকলোখিনিয়েই তাৰ আছে। ক্ষন্তেকতে তাৰ গাৰ মাজেদি যেন এটা বৈদ্যুতিক সোঁত প্ৰৱাহিত হ'ল। তাৰ নিচিনা অসমৰ নিবনুৱা সকলৰ বাবে যে ই এটা সোণালী সুযোগ। ধনৰ দুখীয়া হ'ব পাৰে সি কিন্তু মনৰ দুখীয়া কেতিয়াও নহয়। নিবনুৱা হৈ হাত-সাৰটি বহি থকাতকৈ তাৰ স্বাস্থ্যৱান দেহাটো সি জানো দেশৰ বাবে উৎসৰ্গা কৰিব নোৱাৰে? তাৰ মনটোৱে তাক ক'বলৈ ধৰিলে, "জীৱনটো এনেয়ে পাৰ কৰাতকৈ কিবা এটা কৰিবলৈ যত্ন কৰা"। এটা উৎফুল্লিত মন লৈ সি দেউতাকক কথাটো ক'লে। দেউতাক প্ৰথমে মান্তি হোৱা নাছিল যদিও শেষত সন্মতি দিলে।

আজিয়েই সেইদিনটো যিটো দিনৰ বাবে সি অধীৰ আগ্ৰহেৰে বাট চাই আছিল। কিয় জানো তাৰ কালি ৰাতিটো টোপনিয়েই নাহিল। মনটোও বৰ উদাস লাগিল। নিশ্চয় মাক-দেউতাক আৰু ভনীয়েকৰ মৰমৰ এনাজৰীডাল ছিঙি ইমান দূৰলৈ যাবলৈ তাৰ সংকোচ লাগিছিল। কিন্তু সি যি লক্ষ্য স্থিৰ কৰি ল'লে তাত সি কৃতকাৰ্য্য লাভ কৰিবলৈ যৎপৰোনাস্তি চেষ্টা কৰিবই লাগিব। পৰিয়ালৰ মৰমৰ মাজত আবদ্ধ হৈ সি নিজৰ মনটো অস্থিৰ কৰি কৰ্তব্যচ্যুত হ'ব নোখোজে।

ৰূপম বহুপৰ বহি ৰ'ল ঠাইতে। তাৰ চকুৰ আগলৈ আহিল ধন (জিন্টু)ৰ মুখখনৰ প্ৰতিচ্ছবি। তাৰদৰেই সিও মাক-দেউতাকৰ চকুৰমণি। কিন্তু সি জানো আগবাঢ়ি যোৱা নাছিল? হাঁহিমুখে-শত্ৰুৰ হাতৰ পৰা দেশ উদ্ধাৰ কৰিবলৈ। ৰূপমৰ ভাব হ'ল তাৰ সম্ভৱ আকৌ মাকৰ মুখখন দেখাৰ সৌভাগ্য নহ'বও পাৰে। তাৰ মানসপটত একেলগে চাৰিখন মুখ জিলিকি উঠিল।এখন মাকৰ, এখন দেউতাকৰ, এখন ভনীয়েকৰ আৰু এখন এজন বীৰ সৈনিকৰ। চাৰিওখনৰ ভিতৰত সৈনিকৰ বেশেৰে হাতত ষ্টেনগান লৈ হাঁহি হাঁহি আগবাঢ়ি যোৱা মুখখনহে তাৰ চকুৰ আগত বেছি স্পষ্ট হৈ উঠিল আৰু সি ভালদৰে লক্ষ্য কৰিলে যে, সেইখনেই হ'ল নিজৰ সাহসী মুখখন। ✦

অতিথি চ’ৰা

# মুখামুখিঃ ড° ভবেন্দ্ৰনাথ শইকীয়া চাৰৰ সৈতে এখন্তেক ...

কোনো
মানুহেই স্বয়ংসম্পূৰ্ণ
নহয়। পৃথিৱীৰ আদিমতম কবিতা
বা কবিতাৰ পংক্তি 'মা নিষাদ প্ৰতিস্থাংত্বম
গমঃ শাশ্বতী সমাঃ, যৎক্ৰৌঞ্চ মিথুনা-দেকমবধী
কাম মুহিতম' ওলোৱাৰ পৰাই কাব্য সাহিত্যৰ চৰ্চা হৰলৈ
ধৰে। ক্ৰমে ক্ৰমে কাৰোবাক অনুকৰণ কৰা কাৰোবাৰ পৰা প্ৰেৰণা বিচাৰি
যোৱাটো সৃষ্টিশীল জগতৰ এক পৰম্পৰা হৈ ৰ'ল। কাৰোবাক আদৰ্শ
হিচাবে ধৰি লৈ সেইজনক অনুকৰণ কৰাৰ ফলত তেওঁৰ
জীৱনাদৰ্শই অনুকৰণকাৰী জনৰ জীৱনত অলপ
হ'লেও প্ৰভাৱ নেপেলোৱাকৈ নেথাকে।
কাৰোবাৰ সৃষ্টিৰ ওপৰত গভীৰ অধ্যয়ন
কৰিকোনোৱাই হয়তো গভীৰতম
গহ্বৰলৈও সোমাই
গৈছে।

.... **সাতবাৰ** ভাৰত চৰকাৰৰ **ৰজত কমল** বঁটা বিজয়ী প্ৰথিতযশা সাহিত্যিক, চলচ্চিত্ৰ নিৰ্মাতা, প্ৰান্তিক আলোচনীৰ প্ৰতিষ্ঠাপক মুখ্য সম্পাদক তথা অসমৰ এজন বিশিষ্ট বুদ্ধিজীৱী **পদাৰ্থবিদ** ড° ভবেন্দ্ৰনাথ শইকীয়া চাৰৰ আত্মিক আলাপে চহকী কৰি দিছে আমাৰ 'কানৈয়ান'খনি। তেখেতে অতি কৰ্মব্যস্ততাৰ মাজতো সময় উলিয়াই আমালৈ লিখিছে, আমাক কৃতাৰ্থ কৰিছে। **''চাৰ, আপোনালৈ সমূহ কানৈয়ানৰ** তৰফৰ পৰা আমি আন্তৰিক শ্ৰদ্ধা ও কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।—আপুনি দীৰ্ঘজীৱী হওঁক — আপোনাৰ সৃষ্টিয়ে পাতনি মেলাওক নতুন দিগন্তৰ''— এইয়ে আমাৰ একান্ত কামনা।


সম্পাদিকা

শ্রীমতী সঞ্চয়া সান্যাল সেনগুপ্ত,
সম্পাদিকা, 'অনির্বাণ'; ৩০তম সংখ্যা,
শিলচর ৭৮৮০০১

সস্নেহ সঞ্চয়া,

হয়তো তোমার প্রথম চিঠির কথাই মনে আছে। তোমার প্রশ্নগুলোর উত্তর লিখিনি সময়-সুযোগ — উপন্যাস লেখার ফাঁকে তোমায় কথাই দিয়ে রেখেছিলাম। তারপর আবার হাত দিয়েছিলাম; কিন্তু আবারও নানা-নানা সময়-সুযোগ হয়ে ওঠেনি। আজ, এত দিন পরে, সময় তোমার প্রশ্নোত্তর পাঠালাম। প্রশ্ন উত্তর কি আগের মতোই উপযোগী। তবু এখানেই প্রশ্নের উত্তর দিয়ে রাখলাম। তোমার পত্রিকার সম্পাদনায় প্রথম থেকেই 'অনির্বাণ' স্বয়ংসম্পূর্ণ হবে, এই আমার প্রত্যাশা রইল। শুভেচ্ছা ও আশীর্বাদ রইল। ইতি।

2|2|2000



▶ আপুনি এজন পদাৰ্থবিদ, বোলছবি নিৰ্মাতা, অসমৰ এজন বিশিষ্ট বুদ্ধিজীৱী, গল্পকাৰ আৰু ঔপন্যাসিক হিচাবে আমাৰ পাঠক সমাজৰ মাজত পৰিচিত। কিন্তু আমি জনাত অধিকাংশ লেখকেই নিজৰ সাহিত্য জীৱনৰ পাতনি মেলে কাব্য চৰ্চা ৰেই। এতিয়া আমি জানিব খুজিছোঁ , - আপোনাৰ জীৱনৰ প্ৰথম ৰচনাটো কি আছিল আৰু কিমান বয়সত সেইটো ৰচনা কৰিছিল?

▶ প্ৰশ্ন
▶▶ উত্তৰ

▶▶ মই প্ৰথমতেই এটা পদ্য লিখিছিলো। 'টাউনীয়া' মানুহবোৰৰ 'ষ্টাইল', - অৰ্থাৎ ধূন-পেচ আছিল সেই পদ্যটোৰ বিষয়বস্তু। তেওঁলোকে কেনেকৈ কাপোৰ পিন্ধে, কেনেকৈ জেপত ফাউন্টেইন পে'ন, ৰুমাল আদি লয়, কেনেকৈ স্ন-পাউডাৰ ঘঁহে, পদ্যটোত সেইবোৰকে বৰ্ণাইছিলো। ছটা-ছটা-আঠটা আখৰ, -এনেকুৱা ছন্দৰ পদ্য। দ্বিতীয় আৰু চতুৰ্থ শাৰীৰ শেষৰ উ চ্চাৰণ মিলাই দিবলৈ চেষ্টা কৰাটো সেই পদ্য ৰচনাৰ এটা প্ৰধান কাম আছিল। মনত পৰে, -পায়, যায়, আদিৰ লগত মিলাবলৈ শব্দ নাপালে হায় শব্দটো জোৰকৈ লগাই দিছিলো। তেতিয়া মোৰ বয়স ১১(এঘাৰ) বছৰ মান হৈছিল।

▶ আপোনাৰ গল্প সমালোচক সকলে মন্তব্য দাঙি ধৰিছে যে আপোনাৰ গল্পৰ লগত মোপাছাঁৰ গল্পৰ বাস্তৱ জীৱন চি ত্ৰনৰ বৰ্ণনাভঙ্গী আৰু চেকভৰ গল্পৰ গোটাদিয়েক বৈশিষ্টৰ সামঞ্জস্য আছে। এই প্ৰসংগত আপোনাৰ মতামত কি?

▶▶ মই হাইস্কু ল আৰু কটন কলেজৰ আই.এচ. ছি মহলাৰ প্ৰথম বছৰৰ ছাত্ৰ হৈ থাকোঁতেই গল্প লিখিছিলো যদিও, ১৯৫২ চনত কলিকতাৰ প্ৰেছিডেন্সি কলেজৰ ছাত্ৰ হৈ থাকোঁ তে লিখা গল্পকেইটাৰ পৰাহে মোৰ গল্প-লিখা - জীৱনৰ আচল হিচাপ আৰম্ভ কৰোঁ। সেই জীৱন আৰম্ভ হোৱাৰ বহু দিনৰ পাছতহে মই মোপাছাঁ আৰু চেকভৰ গল্প পঢ়িবলৈ পাইছিলো। মই নিজে যি দেখোঁ, যি ভাবোঁ, তাৰ পৰাই এটা কাহিনীৰ সৃষ্টি হয় আৰু সেই কাহিনীক মই মোৰ নিজৰ ধৰণ এটাৰে গল্পৰ ৰূপ দিওঁ। মোৰ বৰ্ণনা বা বৈশিষ্ট্যৰ লগত যদি মোপাছাঁ আৰু চেকভৰ বৰ্ণনা বা বৈশিষ্টৰ কিবা মিল আছে, তেনেহ'লে সেইয়া আপোনা আপুনি হোৱা মিল। বিচাৰ কৰিলে আৰু ছাগৈ কিমানৰ লগত মিল বিচাৰিপোৱা যাব! মই কিন্তু মোৰ

জন্ম: ২০ ফেব্ৰুৱাৰী ১৯৩২, নগাঁও

**শিক্ষা**

১৯৪৮ : মেট্ৰিকুলেশ্বন, গৱৰ্ণমেণ্ট হাইস্কুল, নগাঁও।

১৯৫০ : ইণ্টাৰ মিডিয়েট(বিজ্ঞান), কটন কলেজ

১৯৫২ : বি.এছ.ছি (পদাৰ্থ বিজ্ঞান), গুৱাহাটী বিশ্ববিদ্যালয়।

১৯৫৫-৫৬ : এম.এছ.ছি (পঃবিজ্ঞান) প্ৰেছিডেন্সি কলেজ, কলিকতা।

১৯৬১ : পি.এইছ.ডি (পদাৰ্থ বিজ্ঞান) লণ্ডন বিশ্ববিদ্যালয়।

১৯৬১ : ডিপ্লমা, ইম্পিৰিয়েল কলেজ (ডি আই চি), লণ্ডন বিশ্ববিদ্যালয়।

**কৰ্মজীৱন**

১৯৫৬-৫৭ : লেকচাৰাৰ, পদাৰ্থ বিজ্ঞান বিভাগ, শিৱসাগৰ কলেজ।

১৯৫৭-৫৮ : ডেমনষ্ট্ৰেটৰ পদাৰ্থ বিজ্ঞান বিভাগ, গুৱাহাটী বিশ্ববিদ্যালয়।

১৯৬১-৬৪ : লেকচাৰাৰ, স্নাতকোত্তৰ পদাৰ্থবিজ্ঞান বিভাগ, গু. বি.।

১৯৬৪-৬৯ : ৰীডাৰ, গু. বি.।

১৯৬৯-৭৯ : সচিব, আঞ্চলিক ভাষাত পাঠ্যপুথি প্ৰস্তুতি সমন্বয় সমিতি, গু. বি.।

১৯৭৯-৮১ : চেয়াৰমেন, ৰেলৰে চাৰ্ভিচ কমিচন(গুৱাহাটী)।

১৯৭৬ : সাহিত্য একাডেমি, গল্প সঙ্কলন শৃংখল।

১৯৮৫ : শ্ৰেষ্ঠ স্ক্ৰিন প্লে বঁটা, 'অগ্নিস্নান'।

**ৰজতকমল**

১৯৭৮ : 'সন্ধ্যাৰাগ' ।*

১৯৮১ : 'অনিৰ্বাণ'।

১৯৮৫ : 'অগ্নিস্নান'।*

১৯৮৮ : 'কোলাহল'।*

১৯৯২ : 'সাৰথি'।*

১৯৯৪ : 'আবৰ্তন'।*

১৯৯৬ : 'ইতিহাস'।*

* আৰু 'কালসন্ধ্যা' - কেউখন চলচ্চিত্ৰ আন্তঃৰাষ্ট্ৰীয় চলচ্চিত্ৰ মহোৎসৱলৈ নিৰ্বাচিত হৈছে।

চিন্তা-ভাৱনা মতে নিজৰ কাম কৰি আছোঁ।

▶ গল্প বা উপন্যাস এখন ৰচনা কৰোঁতে আপুনি বক্তব্যৰ ওপৰত অধিক গুৰু ত্ব দিয়ে নে আংগিকৰ ওপৰত অধিক গুৰৰু ত্ব দিয়ে?

▶▶ আংগিকৰ ওপৰত গুৰু ত্ব কম দিওঁ। প্ৰায় নিদিও বুলিয়েই কব পাৰোঁ। 'বক্তব্য' ও মোৰ কাৰণে মুখ্য বস্তু নহয়; কাহিনী, চৰিত্ৰ, পৰিবেশ, সামগ্ৰিক সৌন্দৰ্য, ৰস আদিৰ প্ৰতি মই বেছিকৈ আকৃষ্ট। 'বক্তব্য' এইবোৰৰ মাজত নিমজ্জিত হৈ থাকে। ''এইটো বক্তব্য প্ৰকাশ কৰিবলৈ এই গল্পটো লিখিম'' - এনেকে থানতে ঠিক কৰি লৈ মই গল্প লিখা নাই। গল্পটো লিখি শেষ কৰাৰ পাছত কিবা 'বক্তব্য' ধৰা পৰিল যদি পৰিল, নপৰিল যদি নাই। ইয়াত বক্তব্য বোলোঁতে মই 'বাণী'ৰ কথা বুজাইছোঁ।

▶ সাম্প্ৰতিক অসমীয়া সাহিত্যই, বিশেষকৈ গল্প আৰু কবিতাই বিষয় বস্তু আৰু আংগিকৰ দিশত নতু নত্ব কঢ়িয়াই অনা পৰিলক্ষিত হৈছে। আমি জানিব খুজিছোঁ, - সাম্প্ৰতিক অসমীয়া সাহিত্যই বিশ্ব সাহিত্যৰ সমপৰ্য্যায় পাইছেগৈ বুলি আপুনি ভাবেনে?

▶▶ বিশ্ব সাহিত্য বুলি তু মি নিশ্চয় বিশ্বৰ বিভিন্ন ঠাইৰ সাহিত্যৰ সমালোচক আৰু পাঠক-পাঠিকাই উন্নত মানৰ বুলি স্বীকাৰ কৰা ৰচনাৰ কথা বুজাইছা। অসমীয়া ভাষাৰ কিছু ৰচনা তেনে মানলৈ উঠিছে ; কিন্তু কিমান সংখ্যক ৰচনা সেইমানলৈ উঠিলে সমগ্ৰ অসমীয়া সাহিত্যকে সেই পৰ্যায়ত ঠাই দিব পাৰি, সিমান সংখ্যক ৰচনাই সেই পৰ্যায় পোৱা নাই।

▶ নব্বৈ দশকৰ আৰম্ভণিৰ পৰা বৰ্ত্ত মানলৈকে বহু সংখ্যক নবীন লেখক -লেখিকাৰ সৃষ্টি হৈছে। এই নবীন লেখক-লেখিকা সকলৰ ভৱিষ্যৎ সম্পৰ্কে আপুনি আশাবাদীনে?

▶▶ তু মি যি সকলৰ কথা কৈছা, তেওঁলোকে লিখিবলৈ লোৱা বৰ বেচি দহ বছৰ হৈছে। এওঁলোকৰ সকলোৰে ক্ষেত্ৰত আশাবাদী হোৱাটো এতিয়াই সম্ভৱ নহয়; কিন্তু সময় ত এওঁলোকৰ লেখাৰ উৎকৰ্ষ ঘটিব বুলি আশা কৰোঁ। কেইবাগৰাকীও নতু ন লেখক-লেখিকাই উল্লেখযোগ্য, গুৰুত্বপূৰ্ণ কাম কৰিছে। এওঁলোকৰ সৃষ্টিয়েই অসমীয়া সাহিত্যক চহকী কৰিব বুলি আশা কৰোঁ। কিন্তু যোৱা শতিকাৰ পঞ্চাছ-ষাঠিৰ দশকত লেখক -লেখিকা হিচাপে যি সকলৰ অভ্যুদয় ঘটিছিল, এতিয়াও সেইসকলৰ গল্প- উপন্যাস কবিতাৰ প্ৰতিয়েই যে পাঠক -পাঠিকাৰ আকৰ্ষণ প্ৰবল হৈ আছে, সেই কথাটো তোমালোকে মন কৰিছানে?যদি কৰিছা, তেনেহলে আমি সকলোৱে এটা কথা মানিব লাগিব;-তেতিয়াৰ আৰু এতিয়াৰ লেখাৰ মানৰ ক্ষেত্ৰত তাৰতম্য ঘটিছে। তথাপি, আমি নতু ন লেখক-লেখিকাৰ ক্ষেত্ৰত আশাবাদী হ'বই লাগিব ; কাৰণ অসমীয়া সাহিত্যৰ জীৱনটোৰ এহে াৱা এওঁলোকেই লালন- পালন কৰিব লাগিব। আমি আন্তৰিকতাৰে আশা কৰোঁ, - সাহিত্যকৰ্মক সাধনা হিচাপে লৈ এওঁলোক উচ্চমানৰ সাহিত্য-সৃষ্টিত সফল হওক ।

▶ সম্প্ৰতি আমাৰ দেশখনে সকলো ক্ষেত্ৰতে ক্ৰমশঃ এক অৱক্ষয়ৰ দিশলৈ গতি কৰিছে। এনে সময়ত লেখক সকলৰ দায়িত্ব আপুনি কি বুলি ভাবে?

▶▶ তেখেত সকলৰ কামকো যাতে অৱক্ষয়ে আক্ৰমণ কৰিব নোৱাৰে তাৰ বাবে অহোপুৰু ষাৰ্থ কৰা।

▶ আপুনি এজন চলচ্চিত্ৰ পৰিচালক হিচাপেও আমাৰ অসমলৈ, অসমীয়া চলচ্চিত্ৰলৈ কেইবাটাও সন্মান কঢ়িয়াই আনিছে। কিন্তু গল্প আৰু উপন্যাস এই দুটা সৃষ্টিশীল কাৰ্য্যৰ সাধনাত ব্ৰতী হৈ থকা স্বত্বেও আপুনি কিয় চলচ্চিত্ৰ পৰিচালনাৰ দিশলৈ আগবাঢ়িল? জনসাধাৰণৰ হৃদয়ৰ অধিক ওচৰ চাপিবলৈ চলচ্চিত্ৰকহে আপুনি উপযুক্ত মাধ্যম বুলি ভাবে নেকি?

▶▶ মই নিজে প্ৰথম চলচ্চিত্ৰখন নিৰ্মাণৰ কাম হাতত লৈছিলো ১৯৭৬ চনত, আৰু প্ৰথমখন উপন্যাস আৰম্ভ কৰিছিলো তাৰ তিনি বছৰমানৰ পাছত। শ্ৰী পৰাগধৰ চলিহাই নিৰ্মাণ কৰিবলৈ লোৱা 'সোণ-ৰূপ নেওচি' নামৰ চলচ্চিত্ৰ এখনৰ কামত জড়িত হৈছিলো ১৯৫৭ চনত। গুৰু ত্ব দি গল্প লিখা কামটো আৰম্ভ কৰিছিলো ১৯৫২ চনত; কিন্তু চলচ্চিত্ৰৰ কাৰণে কাহিনী এটা লিখি দুই এজনৰ লগত যোগাযোগ কৰিছিলো ১৯৫১ চনতে। গতিকে গল্প, উপন্যাস, চলচ্চিত্ৰ- এইবোৰৰ কোনটোৰ প্ৰতি থকা নিচা প্ৰবল আছিল, সেইটো সঠিককৈ কোৱা মোৰ পক্ষে টান আছিল। গল্প এটা লিখোঁতে যিমান খৰচ পৰে, চলচ্চিত্ৰ এখন নিৰ্মাণ কৰোঁতেও যদি সিমানেই খৰচ পৰিলহেঁতেন, তেনেহলে মই হয়তো যোৱা শতিকাৰ পঞ্চাশৰ দশকতে চলচ্চিত্ৰ নিৰ্মাণ কৰিলোহেঁতেন। জনসাধাৰণৰ হৃদয়ৰ অধিক ওচৰ চাপিবলৈ মই চলচ্চিত্ৰক উত্তম মাধ্যম বুলি ভবা